● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



*এজন ব্যক্তি তেতিয়ালৈকে বৃদ্ধ নহয়, যেতিয়ালৈকে তেওঁৰ জীৱনক লৈ থকা সপোন-আশা-আকাংক্ষাৰ স্থান অনুশোচনাই পূৰ নকৰে।*

জ'ন বেৰীমেন
*আমেৰিকান কবি-গীতিকাৰ*

www.dainikagradoot.in

৭ ক্ষুব্ধ চীনে ক'লে 'আমেৰিকাৰ পৰা সংক্ৰমিত হৈছিল কৰ'না'
১৩ ফাইনেলত শিৰ ঃ ব্ৰঞ্জ জয় লাভলীনাৰ
৪ হতাশাগ্ৰস্ত বিৰোধীৰ আত্মঘাতী ৰাজনীতি

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২২৮তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৪ জেঠ ১৪২৮ ভাস্কৰাব্দ ২৯ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 29 May 2021 মূল্য ঃ ৭.০০ টকা

## দীপলালৰ বিয়োগত!

(এজন ঝাড়ুদাৰলৈ শ্ৰদ্ধাৰ্ঘ্য)

■ ড° খনীন চৌধুৰী

**এয়া** ঝাড়ুদাৰ হৰিজন দীপলালৰ কথা। অলপতে তেওঁ ঢুকাল কৰ'নাত। আমাৰ এজন আপোন যেনেই আছিল। এয়া দীপলালৰ প্ৰতি, এজন হৰিজনৰ প্ৰতি আমাৰ শ্ৰদ্ধাৰ্ঘ্য। বহুত বছৰ আগৰ কথা। আমি অৱসৰ পোৱা নাই, আমাৰ ছাৰ তথা সহকৰ্মী বুদ্ধ চেতিয়া (ড° বা অধ্যাপক একোৰেই কোৱা নাই) ছাৰৰো অৱসৰ ল'বৰ হোৱা নাই। সেই ১০ পৃষ্ঠাত চাওক

44 দিনত সৰ্বনিম্ন দৈনিক সংক্ৰমণ, মৃত্যু ৩,৬৬০ জনৰ ■ মহাৰাষ্ট্ৰ-দিল্লীত পৰিস্থিতি উন্নত

## দেশত আনুষংগিক সংক্ৰমণৰ ফলত অধিকাংশ কৰ'না ৰোগীৰ মৃত্যু ঃ আইচিএমআৰৰ তথ্য

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৮ মে'** ঃ পুনৰ দুই লাখৰ তললৈ নামিল দেশৰ দৈনিক কৰ'নাৰ সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড-১৯ত আক্ৰান্ত হ'ল এক লাখ ৮৬ হেজাৰ ৩৬৪ জন লোক। বিগত ৪৪ দিনৰ পাছত দেশত দৈনিক সংক্ৰমণৰ হাৰ সৰ্বনিম্ন



হ'ল। তদুপৰি দৈনিক মৃত্যুৰ সংখ্যাও বৃহস্পতিবাৰৰ তুলনাত আজি কিছু হ্ৰাস পায়। যোৱা ২৪ ঘণ্টাত ভাৰতত ৩,৬৬০ জন ক'ভিড ৰোগীৰ মৃত্যু হয়। বিগত দুসপ্তাহ ধৰি দেশত যিমানসংখ্যক লোক দৈনিক ক'ভিডত আক্ৰান্ত হৈছিল, তাৰ তুলনাত অধিক লোক প্ৰতিদিনে ক'ভিডত সুস্থ হৈ উঠিছে। ফলত দেশজুৰি সক্ৰিয় ক'ভিড ১০ পৃষ্ঠাত চাওক

## এইবাৰ নতুন পদ্ধতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাতিবলৈ সাজু ছেবা



■ অতিৰিক্তভাৱে সাজু কৰা হৈছে ২৩২টা পৰীক্ষা কেন্দ্ৰ ■ ক'ভিডৰ সুৰক্ষাৰ বাবে প্ৰতি শিক্ষাৰ্থীৰ বাবদ ২৫ টকাকৈ ব্যয়ৰ সিদ্ধান্ত

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ প্ৰথমবাৰলৈ এক নতুন পদ্ধতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ সাজু হৈছে অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)। স্বাস্থ্য বিভাগৰ সেউজ সংকেত লাভ কৰিলেই এই পৰীক্ষা অনুষ্ঠিত কৰিবলৈ ছেবা ১০ পৃষ্ঠাত চাওক

শিক্ষা-গৃহ-স্বাস্থ্য-সাধাৰণ প্ৰশাসন-কৃষিত সৰ্বাধিক পদ ■ নতুন পদ সৃষ্টিৰ সম্ভাৱনা ক্ষীণ ■ খালী থকা সৰ্বাধিক পদেই তৃতীয়-চতুৰ্থ বৰ্গৰ ■ ৰাজ্যিক-জিলা ভিত্তিত সম্পন্ন হ'ব নিযুক্তি

# এক লাখ পদক লৈ উৎকণ্ঠিত প্ৰাৰ্থী



*ডিআৰডিঅ'ৰ দ্বাৰা নিৰ্মীয়মান ক'ভিড হাস্পতাল পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ, সৰুসজাইত।*

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণ কৰি অসম চৰকাৰে 'গণি গণি' এক লাখ নিবনুৱা যুৱক-যুৱতীক চাকৰিত নিযুক্তি দিয়াৰ তৎপৰতা আৰম্ভ কৰিছে। ইয়াৰ লগে লগে চাকৰি প্ৰত্যাশীসকলৰ মাজতো উৎকণ্ঠা বৃদ্ধি পাইছে। বিত্ত মন্ত্ৰী অজন্তা নেওগৰ নিৰ্দেশৰ পাছত সম্প্ৰতি বিভাগবোৰে নিজৰ নিজৰ অধীনত থকা খালী পদৰ হিচাপ উলিওৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। অসম চৰকাৰৰ উচ্চস্তৰীয় সূত্ৰৰ তথ্য অনুসৰি পদৰ হিচাপ ওলোৱাৰ পাছতে প্ৰাৰ্থী বাছনি প্ৰক্ৰিয়া কি ধৰণৰ হ'ব, আবেদনৰ বয়সৰ ক্ষেত্ৰত কোনো শিথিলতা অনা হ'ব নে নহয় আদি আনুষংগিক বিষয়বোৰৰ ক্ষেত্ৰত সিদ্ধান্ত গৃহীত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি প্ৰক্ৰিয়াটো আগবঢ়াই নিয়াৰ দায়িত্ব অৰ্পণ কৰা বিত্তমন্ত্ৰী নেওগক স্বচ্ছতাৰে সম্পন্ন কৰিবলৈ আহ্বান জনাইছে।

ৰাজ্য চৰকাৰৰ কে'বাটাও বিভাগৰ শীৰ্ষ সূত্ৰই সদৰী কৰা অনুসৰি কম-বেছি পৰিমাণে প্ৰতিটো বিভাগতে বৃহৎ সংখ্যক পদ খালী হৈ আছে। সেইবোৰৰ ভিতৰত সৰ্বাধিক পদ খালী হৈ আছে শিক্ষা, স্বাস্থ্য আৰু গৃহ বিভাগত। ১০ পৃষ্ঠাত চাওক

## ৩০ জুনলৈকে বন্ধ থাকিব আন্তৰ্জাতিক বিমানসেৱা

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৮ মে'** ঃ অহা ৩০ জুন পৰ্যন্ত আন্তৰ্জাতিক বিমানসেৱাত নিষেধাজ্ঞাৰ ম্যাদ বৃদ্ধি কৰিলে কেন্দ্ৰৰ চৰকাৰে। আজি এক নিৰ্দেশনা জাৰি কৰি অসামৰিক বিমান পৰিবহণ বিভাগৰ সঞ্চালকপ্ৰধান (ডি জি চি এ)-এ এই কথা ঘোষণা কৰি কয় যে ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতে ১০ পৃষ্ঠাত চাওক

## বিটিআৰৰ সীমা সম্প্ৰসাৰণ আয়োগৰ কাৰ্যকাল বৃদ্ধি

নতুন সদস্য অন্তৰ্ভুক্ত

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ বিগত বৰ্ষত স্বাক্ষৰিত হোৱা বড়ো শান্তি চুক্তি অনুসৰি বিটিআৰৰ সীমাত লাগি থকা বড়ো সংখ্যাধিক্য গাঁও পৰিষদীয় অঞ্চলটোত অন্তৰ্ভুক্তিৰ সন্দৰ্ভত গঠিত এজনীয়া আয়োগৰ কাৰ্যকাল অহা ৩০ ছেপ্টেম্বৰলৈ বৃদ্ধি কৰা হৈছে। ১০ পৃষ্ঠাত চাওক

## সৰুসজাইৰ নিৰ্মীয়মান ডিআৰডিঅ'ৰ হাস্পতাল পৰিদৰ্শন শৰ্মাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সৰুসজাই ষ্টেডিয়ামত ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা সংস্থা (ডি আৰ ডি অ')ৰ দ্বাৰা ক'ভিড ৰোগীৰ বাবে নিৰ্মাণ কৰি থকা তিনিশ বিছনাযুক্ত চিকিৎসালয়খন ১০ পৃষ্ঠাত চাওক

৪.৪২ হাৰত আক্ৰান্ত পাঁচ সহস্ৰাধিক ■ কোকৰাঝাৰ আৰএনবিৰ অধীক্ষক আক্ৰান্ত ■ ডিব্ৰুগড়-শোণিতপুৰ-নগাঁৱত জটিল পৰিস্থিতি

## কৰ'নাৰ সংক্ৰমণৰ হাৰ নিম্নমুখী ৰাজ্যত নতুনকৈ ৮০জন ৰোগীৰ মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ দীৰ্ঘদিন পাছত ৰাজ্যৰ ক'ভিড পৰিস্থিতি একেদিনাই নিম্নমুখী হ'ল দৈনিক সংক্ৰমণৰ হাৰৰ লগতে আক্ৰান্ত আৰু মৃতকৰ সংখ্যা। আজি ৰাজ্যত ৮০ জন ক'ভিড ৰোগীৰ মৃত্যু হোৱা বুলি টুইটযোগে সদৰী কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সেইদৰে আজি ৰাজ্যত নতুনকৈ পাঁচ হেজাৰ ৪৩৬ জন লোকৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰে। আজি সংক্ৰমণৰ হাৰ হৈছে ৪.৪২ শতাংশ। মুখ্যমন্ত্ৰীয়ে লগতে জনাইছে যে আজিৰ দিনটোত এক লাখ ২২ হেজাৰ ৯৭৭ জন লোকৰ ক'ভিড-১৯ পৰীক্ষা সম্পন্ন হৈছিল। আজি সুস্থতাৰ হাৰ হৈছে ৮৫.৪৭ শতাংশ। আনহাতে, কামৰূপ মহানগৰ জিলাত আজি ৫৯৫ জন ক'ভিড আঠ পৃষ্ঠাত চাওক

■ চাহ শ্ৰমিকৰ কল্যাণৰ অগ্ৰাধিকাৰৰ প্ৰতি অংগীকাৰবদ্ধ ঃ মুখ্যমন্ত্ৰী
■ আদালতত বিচাৰাধীন ২১৭ টকালৈ বৃদ্ধিৰ নিৰ্বাচনৰ পূৰ্বৰ সিদ্ধান্ত

## ব্ৰহ্মপুত্ৰ উপত্যকাত ২০৫, বৰাকত ১৮৩টকালৈ বৃদ্ধি চাহ শ্ৰমিকৰ মজুৰি

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ নিৰ্বাচনৰ পূৰ্বে বিজেপি চৰকাৰে চাহ শ্ৰমিকৰ মজুৰি নগদ ২১৭ টকালৈ বৃদ্ধি কৰিছিল যদিও ই কাৰ্যকৰী নহ'ল। পৰৱৰ্তিত পৰিস্থিতিত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম চাহ মজদুৰ সংঘৰ লগতে অন্যান্য চাহ জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিৰ স'তে হোৱা আলোচনা মৰ্মে দৈনিক মজুৰি ৩৮ টকাকৈ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই বৃদ্ধিৰ ফলত ব্ৰহ্মপুত্ৰ উপত্যকাত চাহ শ্ৰমিকসকলে বৰ্তমানে লাভ কৰা দৈনিক মজুৰি ১৬৭ টকাৰ পৰিৱৰ্তে ২০৫ টকাকৈ লাভ কৰিব। ইয়াৰ বিপৰীতে বৰাক উপত্যকাৰ চাহ শ্ৰমিকসকলে বৰ্তমানৰ ১৪৫ টকাৰ পৰিৱৰ্তে লাভ কৰিব ১৮৩ টকা। আজিৰ এই বৈঠক অনুষ্ঠিত হয় প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত। মুখ্যমন্ত্ৰী ড° শৰ্মাই টুইটাৰযোগে কয় যে চাহ শ্ৰমিকৰ কল্যাণ ৰাজ্য চৰকাৰৰ এক দায়বদ্ধ অগ্ৰাধিকাৰ। আঠ পৃষ্ঠাত চাওক

■ কেন্দ্ৰৰ প্ৰলোভনত ভোল নাযাবলৈ আহ্বান সমষ্টিবাসীৰ ■ ৰাষ্ট্ৰ-দলৰ স্বাৰ্থত সিদ্ধান্তৰ ভিতৰুৱা হ'ব লগা হ'ল ঃ সোণোৱাল ■ সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ ঘোষণাৰ প্ৰসংগত নীৰৱতা

## মাজুলীৰ বিধায়ক হৈ নথকাৰ ইংগিত সোণোৱালৰ



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৮ মে'** ঃ 'দেশ আৰু দলৰ স্বাৰ্থত কিছুমান সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হয়। মাজুলীবাসীয়ে ভয় কৰিব নালাগে। আমি সদায় আপোনালোকৰ লগত থাকিম।' এইদৰেই আজি এক বিশেষ ইংগিত দিলে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ৰাজ্যত নতুন চৰকাৰ গঠনৰ পাছত প্ৰথমবাৰলৈ নিজ সমষ্টিত উপস্থিত হোৱা বিধায়ক সোণোৱালে আজি মাজুলীবাসীৰ এক আহ্বানত আওপকীয়াকৈ উত্তৰ দি মনৰ কথা প্ৰকাশ কৰে। কালি মাজুলীত উপস্থিত হোৱাৰ পাছত সোণোৱালে আজি সমষ্টিবাসীৰ স'তে অন্তৰংগ আলাপ কৰে। এই বৈঠকতে মাজুলীবাসীয়ে বিধায়কজনক আদৰণি জনোৱাৰ লগতে আগন্তুক দিনতো সমষ্টিটোৰ বিধায়ক হৈ থাকিবলৈ আহ্বান জনায়। উল্লেখ্য যে ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী ১০ পৃষ্ঠাত চাওক



## হাগ্ৰামাৰ দলত আঘাত হানি চতুৰ্থজন এমচিএলএ বিজেপিলৈ

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

**গুৱাহাটী/তামুলপুৰ, ২৮ মে'** ঃ হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফত পুনৰ আঘাত হানি বিটিচিৰ দৰংগাজুলিৰ এমচিএলএ বিজিত গৌড়া নাৰ্জাৰীয়ে আজি সভাপতি ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত বিজেপিত যোগদান কৰে। উল্লেখ্য যে ১০ পৃষ্ঠাত চাওক

অসম-নগা সীমান্তত দিচৈ ভেলীত উত্তেজনা

গুলিবৰ্ষণ কৰা দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰৰ নিৰ্দেশ

## বেদখল উচ্ছেদৰ দাবীত অনশনত বিধায়ক কুৰ্মী, ঘটনাস্থলী পৰিদৰ্শন জিপিৰ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৮ মে'** ঃ অসমৰ ভূমিত নগালেণ্ডৰ দুৰ্বৃত্তই চলাই অহা বেদখল কাৰ্য প্ৰত্যক্ষ কৰিবলৈ গৈ সন্দেহজনক উগ্ৰপন্থীৰ গুলিচালনাৰ সন্মুখীন হৈ কথমপি প্ৰাণ লৈ পলায়ন কৰা মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে আজিৰে পৰা আৰম্ভ কৰিছে আমৰণ অনশন। অসমৰ ভূমিত নগাৰ বেদখল উচ্ছেদৰ ১০ পৃষ্ঠাত চাওক



## নগাঁৱত আৰক্ষীৰ গুলিত আহত ড্ৰাগছ মাফিয়া, পিষ্টল জব্দ

বিশেষ সংবাদদাতা

**নগাঁও, ২৮ মে'** ঃ নগাঁৱত আজি সন্ধিয়া প্ৰায় ৭-১৫ বজাত আৰক্ষীৰ গুলিত এজন ড্ৰাগছ মাফিয়া আহত হয়। সম্প্ৰতি গুলিবিদ্ধ ড্ৰাগছ সৰবৰাহকাৰীজনক নগাঁৱৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন কৰা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে জনোৱা মতে, আজি সন্ধিয়া ১০ পৃষ্ঠাত চাওক

## কণ্টেইনমেণ্ট জ'নৰ বেনাৰ নলগোৱাৰ বাবদ উৎকোচ দাবী কৰ্মচাৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ ক'ভিড আক্ৰান্তৰ গৃহত কণ্টেইনমেণ্টন জ'নৰ ফলক আঁৰি নিদিয়াৰ বাবদ মহানগৰীত ক'ভিড কেয়াৰ কেন্দ্ৰৰ কৰ্মচাৰীয়ে ধন দাবী কৰাৰ অভিযোগ উঠিছে। ধন আদায় দিলে বাসগৃহত কোনোধৰণৰ ফলক আঁৰি নিদিয়াৰ আশ্বাস প্ৰদান কৰি সাধাৰণভাৱে চলা-ফুৰা কৰি থাকিব পাৰিব বুলি এজন কৰ্মচাৰীয়ে ক'ভিড আক্ৰান্তক আঠ পৃষ্ঠাত চাওক

■ ক'ভিডৰ বাবে কোষাগাৰলৈ বিত্ত বিভাগৰ নিৰ্দেশ

## কৰ্মচাৰীৰ এদিনৰ দৰমহা কৰ্তন কৰি সাহায্য পুঁজিলৈ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ ক'ভিড যুঁজৰ বাবে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ পৰা মে'ৰ এদিনৰ দৰমহা কৰ্তন কৰিবলৈ কোষাগাৰসমূহলৈ নিৰ্দেশনা প্ৰেৰণ কৰিছে বিত্ত বিভাগে। উল্লেখ্য যে ৰাজ্যিক কৰ্মচাৰী পৰিষদৰ স'তে আলোচনামৰ্মে চৰকাৰে এই নিৰ্দেশনা প্ৰেৰণ কৰিছে। ক'ভিড যুঁজৰ বাবে কৰ্তন কৰা এই ধন পোনে পোনে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ যাব বুলি নিৰ্দেশনাত উল্লেখ কৰাৰ উপৰি এদিনৰ দৰমহা দিবলৈ অনিচ্ছুক কৰ্মচাৰীয়ে লিখিতভাৱে কাৰণ দৰ্শাব পাৰিব আঠ পৃষ্ঠাত চাওক

## আহোম সংগঠনক ক্ষমা খুজিলে বিধায়ক নৰহে

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মে'** ঃ চৰ-চাপৰিৰ লোকসকল আহোমসকলতকৈ আগতে অহা বুলি বিধানসভাত মন্তব্য কৰি আহোম জনগোষ্ঠীৰ ৰোষত পৰা কংগ্ৰেছ বিধায়ক ভৰত নৰহে অৱশেষত নিজৰ ভুল স্বীকাৰ কৰি সামাজিক মাধ্যমত ৰাজহুৱাকৈ ক্ষমা বিচাৰিলে। উল্লেখ্য যে সদ্যসমাপ্ত আঠ পৃষ্ঠাত চাওক

দেশত ১২ সহস্ৰাধিক আক্ৰান্ত ■ ষ্টেৰয়ডযুক্ত ঔষধ ব্যৱহাৰৰ বিষময় ফল



## 'ব্লেক ফাংগাছ' সংক্ৰামক নেকি ঃ কি কয় চিকিৎসকে?

■ নিউজ ব্যুৰ'

**কলকাতা, ২৮ মে'** ঃ কৰ'নাৰ সংক্ৰমণৰ পাছত শেহতীয়াভাৱে দেশত এবিধ ভেঁকুৰজনিত সংক্ৰমণে সকলোকে ত্ৰাসিত কৰি ৰাখিছে। 'মিউকৰমাইক'ছিছ' অৰ্থাৎ 'ব্লেক ফাংগাছ' (কৃষ্ণ ভেঁকুৰ)ৰ সংক্ৰমণত এতিয়ালৈকে দেশত কে'বাজনো ৰোগীৰ মৃত্যু হৈছে। বৰ্তমানে 'ব্লেক ফাংগাছ' আক্ৰান্ত হৈ দেশৰ বিভিন্ন ৰাজ্যত ১২ সহস্ৰাধিক ৰোগী চিকিৎসাধীন হৈ আছে; কিন্তু প্ৰশ্ন হ'ল এই ভেঁকুৰজনিত ৰোগ প্ৰকৃততে কিমান সংক্ৰামক? হঠাৎ কিয় ইমান বৃহৎসংখ্যক লোক দেশত এই ভেঁকুৰজনিত সংক্ৰমণত আক্ৰান্ত হৈছে? চিকিৎসালয়ত ভৰ্তি হোৱাৰ ফলত এই ৰোগ এজনৰ দেহৰ পৰা আন এজনৰ দেহলৈ সংক্ৰমিত হৈছে নেকি? এই ধৰণৰ প্ৰশ্নৰে যথেষ্টসংখ্যক লোক সম্প্ৰতি ভীতিবিহ্বল ১০ পৃষ্ঠাত চাওক



*সোণাৰিৰ শালকাঠনি চাহ বাগিচাত বনকৰ্মীয়ে আটক কৰা নাহৰফুটুকী, শুকুৰবাৰে।*

ন'বেলজয়ী অৰ্থনীতিবিদ অভিজিৎ বেনাৰ্জীৰ আহ্বান

## কৰ'না নিয়ন্ত্ৰণৰ বাবে অধিক ব্যয় কৰা উচিত ভাৰতে



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৮ মে'** ঃ কৰ'নাৰ জটিল পৰিস্থিতিত দেশৰ ভাগি পৰা অৰ্থনীতিক সঠিক পথলৈ ওভতাই আনিবলৈ হ'লে কেন্দ্ৰীয় চৰকাৰে বৰ্তমানতকৈ অধিক ধন ব্যয় কৰিব লাগিব। পুনৰ কেন্দ্ৰৰ চৰকাৰৰ 'ভুল' আঙুলিয়াই দি ন'বেলজয়ী অৰ্থনীতিবিদ অভিজিৎ বিনায়ক বেনাৰ্জীয়ে এই পৰামৰ্শ আগবঢ়ালে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন অৰ্থনীতিবিদজনৰ মতে, বৰ্তমানৰ অৰ্থনৈতিক পৰিস্থিতিত চৰকাৰে অধিক পৰিমাণত ধন ব্যয় কৰাটো জৰুৰী। ইয়াৰ ফলত 'বণ্ড'ৰ বজাৰত কোনো নেতিবাচক প্ৰভাৱ নপৰে বুলিও মত প্ৰকাশ কৰে বেনাৰ্জীয়ে। কৰ'নাৰ আক্ৰমণৰ পূৰ্বৰে পৰা ভাৰতীয় অৰ্থনীতিত আউল লাগিছিল। ১০ পৃষ্ঠাত চাওক

# পৰিবহণ নিগমৰ অৱসৰী কৰ্মচাৰী গিৰিধৰ মেধিৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৮ মে’ ঃ** টিহুৰ কাহাৰপাৰা নিবাসী অসম ৰাজ্যিক পৰিবহণ নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সমাজপ্ৰাণ ব্যক্তি গিৰিধৰ মেধি (৬৮)ৰ আজি আকস্মিকভাৱে মৃত্যু হোৱাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে মেধি শ্বাস-প্ৰশ্বাসজনিত ৰোগত ভুগি আছিল। সমাজপ্ৰাণ মেধি পূব টিহু বাৰোৱাৰী লক্ষ্মী পূজা সমিতিৰ সহকাৰী সম্পাদক, টিহু মহাৰুদ্ৰ যজ্ঞ পৰিচালনা সমিতিৰ প্ৰচাৰ সম্পাদক, মথুৰাপুৰ গাঁও উন্নয়ন সমিতিৰ উপদেষ্টা আদিৰ উপৰি বিজেপিৰ মথুৰাপুৰ বুথ কমিটীৰ সভাপতিৰ দায়িত্বত আছিল। আজি তেওঁৰ মৃত্যুৰ পাছত বিজেপিৰ টিহু মণ্ডল সমিতিৰ সভাপতি জ্যোতিষ শৰ্মাই দলীয় পতাকাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ লগতে মিত্ৰজোঁটৰ মথুৰাপুৰ আঞ্চলিক অগপৰ সভাপতি হৰেকৃষ্ণ মেধি, মথুৰাপুৰ গাঁও উন্নয়ন সমিতি, টিহু মহাৰুদ্ৰ যজ্ঞ সমিতিকে ধৰি বিভিন্নজনে নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে পুত্ৰ আৰু কন্যা আদিক এৰি যায়।

## শুধৰণি

যোৱা ইংৰাজী ২৮ মে’ তাৰিখে প্ৰকাশ পোৱা স্বৰ্গীয় হেমন্ত কুমাৰ ৰায়চৌধুৰীৰ শ্ৰদ্ধাঞ্জলি বিজ্ঞাপনটিত তেওঁৰ পুত্ৰ শ্ৰী অপূৰ্ব ৰায়চৌধুৰীৰ নামটো ভুলবশতঃ প্ৰকাশ নাপালে আৰু অনুপমা ৰায়চৌধুৰী নামটো ভুলবশতঃ অনুমপা ৰায়চৌধুৰী হৈ প্ৰকাশ পালে। তাৰ বাবে আমি দুঃখিত।

## ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৰ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

# বিশিষ্ট সমাজকৰ্মী, প্ৰাক্তন খেলুৱৈ থানেশ্বৰ বৰাৰ মৃত্যু

## বিভিন্ন অনুষ্ঠানৰ শেষ শ্ৰদ্ধাঞ্জলি

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৮ মে’ ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাট খাটোৱাল গাঁৱৰ নিবাসী বিশিষ্ট সমাজকৰ্মী, ৰেল বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা প্ৰাক্তন ফুটবল খেলুৱৈ থানেশ্বৰ বৰা (৭৪)ৰ নিজা বাসগৃহত মৃত্যু হয়। তেওঁৰ বিয়োগত সমগ্ৰ হাতীচোং মৌজাতে শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে ভাৰতীয় ৰেল বিভাগৰ পৰা উচ্চ পৰ্যায়ৰ বিষয়াৰূপে অৱসৰ লোৱা বৰা একালত এগৰাকী সুদক্ষ ফুটবল খেলুৱৈৰূপে জিলিকি উঠিছিল। আনহাতে, বৃহত্তৰ চকলাঘাট অঞ্চলৰ প্ৰায়বোৰ অনুষ্ঠানৰ লগতে তেওঁ সক্ৰিয়ভাৱে জড়িত হৈ আছিল। ২০১৫ত চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতিৰ দৰে গুৰুদায়িত্ব লৈ অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাৰ লগতে তেওঁ প্ৰয়াত পিতৃ ৰবিধৰ বৰা সোঁৱৰণত শিক্ষানুষ্ঠানখনৰ মূল তোৰণ ভাগ দান কৰি মহানুভৱতাৰ পৰিচয় দিছিল। ইয়াৰ উপৰি চকলাগাট শাখা সাহিত্য সভাৰ উপদেষ্টা, হাতীচোং কস্তুৰবা বালিকা মজলীয়া বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতিৰ লগতে হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতি, চকতালঘাট ৰাস মন্দিৰ, চকলাঘাট ক্ৰীড়া সন্থাকে ধৰি বিভিন্ন অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ বিষয়ববীয়াৰ দায়িত্ব পালন কৰি যোৱা বৰা বিগত কিছুদিন ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ ঘৰতে চিকিৎসাধীন অৱস্থাত আছিল।

# চিৰাঙত দুটাকৈ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৮ মে’ ঃ** চিৰাঙৰ ৰুণিখাতা থানাৰ অন্তৰ্গত টুক্ৰাঝাৰ দুই নম্বৰ আইপোৱালিত আই নদীৰ পাৰত আজি এটা মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো স্থানীয় মেনলা নাৰ্জাৰী (৬০)ৰ বুলি চিনাক্ত কৰা হৈছে। লোকজনে কালি বিয়লি আই নদী পাৰ হোৱাৰ চেষ্টা চলাইছিল বুলি স্থানীয় লোকে সদৰী কৰিছে। ভূটানত বৰষুণ হোৱাৰ ফলত আই নদীৰ পানী বৃদ্ধি হয় আৰু খৰস্ৰোতা নদীখন পাৰ হ’বলৈ লওঁতে নদীৰ বাঢ়নি পানীত উটি যোৱা বুলি সন্দেহ কৰিছে স্থানীয় লোকে। বেংতল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হাইদৰ আলী আহমেদ ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। ইপিনে, জিলাখন ঢালিগাঁও থানাৰ অন্তৰ্গত বৰতালোৱাত উদ্ধাৰ হয় আন এটা মৃতদেহ। পশ্চিম বৰতালোৱাৰ এটা ভাড়া ঘৰত উদ্ধাৰ হয় মৃতদেহটো। স্থানীয় লোকে জনোৱা মতে ঘৰটোত কেইজনমান আদিবাসী লোকে ভাড়াত আছিল। তিনিদিনমান আগতে এজন লোকৰ জ্বৰ হোৱাত বাকীসকল গুচি যায় যদিও এজন থাকি যায়। তেওঁ গ’ল নে নাই কোনেও খবৰ লোৱা নাছিল। পথৰ দাঁতিতে থকা ঘৰটোৰ পৰা দুৰ্গন্ধ ওলোৱাত স্থানীয় লোকে বিছনাৰ আঁঠুৱাৰ তলত এটা মৃতদেহ প্ৰত্যক্ষ কৰে।

# জলেশ্বৰত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ ধৃত এক

**অগ্ৰদূত বাৰ্তা**

**লক্ষীপুৰ, ২৮ মে’ ঃ** ড্ৰাগছ ব্যৱসায়ীৰ ৰম্যভূমিত পৰিণত গোৱালপাৰাৰ জলেশ্বৰত আজি পুনৰ উদ্ধাৰ হয় বহু পৰিমাণৰ নিচাজাতীয় টেবলেটসহ কফ ছিৰাপৰ বটল। আজি পুৱা জলেশ্বৰৰ বড় উদমাৰী গাঁৱত লক্ষীপুৰ আৰু জলেশ্বৰ আৰক্ষীয়ে যৌথবাৰে ড্ৰাগছ বিৰোধী অভিযান চলায়। নুৰুল ইছলাম মোল্লা নামৰ ড্ৰাগছ ব্যৱসায়ীৰ ঘৰৰ চৌহদত মাটিত পুতি থোৱাৰ পৰা উদ্ধাৰ হয় নিচাজাতীয় দ্ৰব্যখিনি। ইয়াৰে এছ আৰ পি সাত হেজাৰ, ৩৪০ টা কেপচুল, ক’ফ ছিৰাপৰ ৭৮ টা বটলসহ নিচা জাতীয় ১২শ টেবলেট জব্দ কৰে। উক্ত ঘটনাত জড়িত নুৰুলক আৰক্ষীয়ে পাছত গ্ৰেপ্তাৰ কৰে।

# জয়া সেনাপতিলৈ লেখিকা সমাৰোহ সমিতিৰ ষড়ানন বৰঠাকুৰ সোঁৱৰণী সুসংগঠক বঁটা

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ মে’ ঃ** লেখিকা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জয়া সেনাপতিক প্ৰদান কৰা হ’ব সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ২০২১ৰ ‘ষড়ানন বৰঠাকুৰ সোঁৱৰণী সুসংগঠকৰ বঁটা’। আজি নগাঁৱত এক বিবৃতিযোগে সমিতিৰ প্ৰধান সম্পাদিকা ড° থুনু কলিতাই ২০১৩ৰ পৰাই সমিতিয়ে প্ৰতি বছৰে তিনি জুনত সমিতিৰ মুখ্য পৃষ্ঠপোষক নৃত্যশিল্পী প্ৰয়াত ষড়ানন বৰঠাকুৰৰ মৃত্যু তিথিত এই বঁটা প্ৰদান কৰি আহিছে বুলি সদৰী কৰে। সমিতিৰ তৃণমূল পৰ্যায়ত আন্তঃগাঁথনি সুদৃঢ় কৰাত বিশেষ অৱদান আগবঢ়োৱা এগৰাকী সদস্যক এই বঁটা প্ৰদান কৰা হয়। প্ৰয়াত বৰঠাকুৰৰ পত্নী পদ্মশ্ৰী ড° শীলা বৰঠাকুৰ আৰু পুত্ৰ ড° সঞ্জীৱ বৰঠাকুৰে এই বঁটা আগবঢ়াই আহিছে। ড° কলিতাই জনোৱা মতে, কৰ’না অতিমাৰী আৰু চৰকাৰী নীতি-নিৰ্দেশনাৰ কাৰণে এইবাৰ নিৰ্দিষ্ট দিনত বঁটা প্ৰদান অনুষ্ঠান পতাৰ পৰা সাময়িকভাৱে বিৰত থাকিব লগা হৈছে। সময় আৰু পৰিৱেশ অনুকূল হ’লে পৰৱৰ্তী সময়ত এই অনুষ্ঠান অনুষ্ঠিত কৰা হ’ব। উল্লেখ্য যে বঁটা প্ৰাপক জয়া সেনাপতি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী আৰু এগৰাকী সুসংগঠক।

# বেতন বৃদ্ধিৰ দাবীত মুখ্যমন্ত্ৰীলৈ পত্ৰ মুক্ত তেল-গেছ পাইপলাইন সুৰক্ষা বাহিনীৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৮ মে’ ঃ** শিৱসাগৰৰ অ’ এন জি চি, দুলীয়াজানৰ অইল ইণ্ডিয়া, ডিগবৈৰ আই অ’ চি, গোলাঘাটৰ এন আৰ এল, গুৱাহাটী আৰু বঙাইগাঁৱৰ শোধনাগাৰৰ অধীনৰ তেল-গেছৰ পাইপলাইনসমূহৰ সুৰক্ষাৰ দায়িত্বত থকা মাহেকীয়া পাৰিশ্ৰমিক প্ৰাপ্ত গাঁওৰক্ষী বাহিনীৰ সদস্যসকলে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ বেতন বৃদ্ধিৰ বাবে এখন পত্ৰ প্ৰেৰণ কৰে। তেওঁলোকে পত্ৰখনত উল্লেখ কৰিছে যে 2010ৰ জুনত বৃহৎ তেল উদ্যোগসমূহৰ কৰ্তৃপক্ষই তেওঁলোকৰ বেতন 2604 টকালৈ বৃদ্ধি কৰাৰ পিছত আজিকোপতি তেল-গেছৰ পাইপলাইনসমূহত দিনে-নিশাই নিষ্ঠাসহকাৰে পহৰা দি অহাৰ পিছতো কৰ্তৃপক্ষই পুনৰ বৃদ্ধি কৰা নাই তেওঁলোকৰ বেতন। 1998 চনৰ পৰাই তেল-গেছৰ পাইপলাইনসমূহৰ সুৰক্ষাৰ দায়িত্ব গ্ৰহণ কৰি অহা এইসকল সুৰক্ষাকৰ্মীৰ বেতন বৃদ্ধিৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষ উৎসুক যদিও প্ৰশাসনৰ অনুমোদন নথকাৰ বাবেই বেতন বৃদ্ধি নোহোৱাৰ অভিযোগ উত্থাপন কৰিছে এইসকল কৰ্মীয়ে। তেওঁলোকে পত্ৰখনৰ জৰিয়তে তেল-গেছৰ পাইপলাইনসমূহৰ কৰ্তৃপক্ষলৈ বেতন বৃদ্ধিৰ অনুমতি দি তেওঁলোকক উপকৃত কৰিবলৈ মুখ্যমন্ত্ৰীলৈ আহ্বান জনাইছে।

No.T/2/5/B/X/66

**EXTENSION NOTICE**

Due to COVID-19 situation prevail in the state, the date of receiving TENDER for Tender No. T/2/5/X/65 dt. 04/05/2021 is extended up to 2 PM on 19/06/2021 and will be opened on the same date and place at 3.00 PM. The tender paper may be obtained up to 11.30 AM of 19/06/2021.

All other terms and conditions are remained same as original tender published on 04/05/2021.

Sd/-
Executive Engineer
Nagaon Division (Irrigation)
Nagaon, Assam.

Janasanyog/C/537/21

## //ANNUAL TENDER NOTICE //

Sealed tenders for annual supply with affixing Court fee stamps of Rs. 8.25( Rupees Eight and Paisa twenty five ) only nonrefundable hereby invited from the intending firms/ suppliers for supply of the Miscellaneous Hardware and Electrical goods as per enclosed list for the financial year of 2021-22 for the office of the undersigned upto 12:30 PM on 22/06/2021 and tenders will be open on the same day at 1400 Hrs. in presence of the tenderer or their authorised representative who desires to be present at the same time of the opening of the tenders. The tenders must be addressed to the Commandant, 7th AP Bn. Charaikhola, Kokrajhar and the envelope be superscripted as “Miscellaneous hardware and Electrical goods’’.

The tender should be submitted along with the earnest money of Rs. 2000/-( Rupess Two Thousand) only in the shape of NSC/ Bank Draft/ Pledged in favour of the Commandant, 7th AP Bn. Charaikhola, Kokrajhar without which no tender will be considered.

The tenderer will have to furnish upto date GST Clearance Certificate / Firm Registration Certificate / AP Hqrs Registration Certificate / PAN Card / Income Tax Return for one year along with the tender. All the documents submitted by the tenderer should be attested by self. The tenderer should have past experience for supply of building materials articles and other miscellaneous articles in the govt. offices otherwise the quotation will not be accepted. The tender should be submitted in the office tender box.

The tenderer must quote their rate neatly written in ink / typed in both figures and words, any correction / alteration should be initiated. The rates should be comparable to the market rates.

The successful tenderer will have to deposit security money of Rs. 10000/- ( Rupees Ten Thousand ) only in the form of Bank Draft / NSC/ KVP etc. duly pledge in favour of undersigned and the same which will be released on completion of the duration to supply .

The successful tenderers will have to supply all the indented materials at this office at his own cost and the materials must be of the best quality and that of the interior quality if any materials rejected will have to be replaced within 72 hrs at his own cost by the tenderer.

The undersigned is not bound to accept the lowest rate of tender and may reject any or all rates quoted in the tender, without assigning any reason thereof.

The details list of supply articles may be collected from the office of the undersigned .In case of holiday on the receiving day of the tender / quotation then it will be received on the next working day. The terms and condition will be remain as it is.

Commandant ,
7th AP Bn. Charaikhola,
Kokrajhar

Janasanyog/C/565/21

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ১৪ জেঠ শনিবাৰ ২৯ মে’

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪১।৩৫, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫৮।৩৪। **তিথি ঃ** কৃষ্ণা তৃতীয়া, দং ১৩।৪৮।১১ ঘঃ ১০।১২।৫১। **নক্ষত্ৰ ঃ** পূৰ্বষাঢ়া, দং ৪৩।৩৮।৪ ৰাঘঃ ১২।৮।৪৯। **যোগ ঃ** শুভ, দং ২৭।০।১৩ ঘঃ ৩।২৯।৪০। **কৰণ ঃ** বিষ্টি। **জন্মত ঃ** ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ, গন্ধৰ্বৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰ বৃহস্পতি, বিংশোত্তৰী শুক্ৰৰ দশা, ৰাঘঃ ২।৮।৪৯ যোৱাত গৰুৰ অস্থি, বিংশোত্তৰী ৰবিৰ দশা, শেষ ৰাঘঃ ৪।৫৫।৫২ যোৱাত মকৰ ৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, অগ্নিযোগ। **আদ্যঋতু হ’লে ঃ** তিনিমহীয়া পতিহীনা যোগ, ৰাঘঃ ২।৮।৪৯ যোৱাত সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** এপদ, ৰাঘঃ ২।৮।৪৯ যোৱাত দ্বিপদ। **যোগিনী ঃ** অগ্নিকোনত, ঘঃ ১০।১২।৫১ যোৱাত নৈঋতকোনত। **যাত্ৰা ঃ** মধ্যম, পূৱত নাই, ঘঃ ১০।১২।৫১ যোৱাত শুভ সিদ্ধিযোগ। **শুভকৰ্ম ঃ** গৰ্ভাধান, দীক্ষা, আৰোগ্যস্নান, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** পটল ঘঃ ১০।১২।৫১ যোৱাত মূলা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** দুই ধৰণৰ চিন্তাই আপোনাৰ কৰ্মত আহুকালৰ সৃষ্টি কৰিব। শৰীৰৰ প্ৰতি নজৰ ৰাখক। প্ৰিয় লোকৰ কোনো কথাত সন্তুষ্ট নহ’ব। পিছে অপেক্ষা কৰা কোনো সংবাদত সুখ। শুভ ৰং বেঙুনীয়া।

**বৃষ ঃ** কৰ্মৰ ওপৰত বিশ্বাস থাকিব। কোনো কাৰণে বিৰক্ত ভাব আহিব পাৰে। আৰ্থিক আমদানিৰ লগতে খৰচৰ পথো মুক্ত থাকিব। সন্তানৰ ভালেই। সন্তান সম্ভৱাৰ কন্যা সন্তান লাভৰ যোগ। শুভ ৰং নীলা।

**মিথুন ঃ** সাধাৰণ খংৰাগ। কিন্তু উন্নত পৰিৱেশক সিয়ে ক্ষতি নকৰিব। প্ৰেম প্ৰীতিত মধ্যম আবেগ বৃদ্ধি। খৰচ বাঢ়িব। দৰকাৰী কামৰ বাবে কোনোৱে কৰা চেষ্টাত সফল হ’ব। শুভ ৰং আকাশী নীলা।

**কৰ্কট ঃ** ক্ষীপ্ত পৰিৱেশ আৰম্ভণিৰ সম্ভাৱনা হ’লেও প্ৰকট নহ’ব। শৰীৰৰ প্ৰতি যত্ন লোৱাটো দংকাৰ বিদ্যাৰ্থীৰ মধ্যম। বন্ধু-বান্ধৱৰ পৰা উৎসাহ। কিন্তু তেওঁলোকৰ ওপৰত নিৰ্ভৰ নকৰাই ভাল। শুভ ৰং বগা।

**সিংহ ঃ** ধৈৰ্যৰে প্ৰতিকূল বিষয়াদি নিয়ন্ত্ৰণৰ চেষ্টা কৰক। বিদ্যালাভত বাধা কম। ভ্ৰমণাদিত কষ্ট হ’লেও শুভ। পিতৃৰ কথাত নিৰুৎসাহ। শৰীৰ বৰ ভালেৰে যোৱা টান। নতুন সংবাদত আনন্দ। শুভ ৰং ক্ৰীম।

**কন্যা ঃ** আনৰ কথাত অসন্তুষ্টি প্ৰকাশ। শাৰীৰিকত বিশেষ দুৰ্ভাৱনা নাই। আত্মীয়ৰ সংগ লাভ। বিদ্যাত বেয়া নহ’ব। শুভ ৰং ক’লা।

**তুলা ঃ** সদায় স্বাৱলম্বিতা আপুনি পছন্দ কৰিব, কিন্তু সময়ে তাক উৎসাহিত নকৰিব। বাধ্য হৈ আনৰ সহানুভূতিৰ কথা বিবেচনা কৰিব লাগিব। আৰ্থিকত চিন্তিত। খৰচৰ মাত্ৰা বৃদ্ধি। ব্যস্ততা। শুভ ৰং কমলা।

**বৃশ্চিক ঃ** কেতু, মংগল, শুক্ৰ, ৰবি যাৰ জীৱনত শুভ তেওঁৰ দিনটোত বেছি আহুকাল নাই। কিন্তু সামগ্ৰিক দৃষ্টিত আহুকাল সামান্য হ’লেও থাকিব। শৰীৰ মধ্যম। বিদ্যাত মধ্যম। শুভ ৰং নীলা।

**ধনু ঃ** দৰিদ্ৰ নাৰায়ণৰ প্ৰতি চিন্তা থাকিলেও কিছু সন্দেহ মনত লাগি থাকিব। দাম্পত্য, সন্তান আদিৰ লগত মধ্যম প্ৰভাৱ। অৰ্থ লাভ। স্বাৰ্থৰ বাহিৰত থকালৈ আপোনাৰ অহৈতুক অবিশ্বাস হ’ব। শুভ ৰং হালধীয়া।

**মকৰ ঃ** মধ্যম হ’লেও সাৱধানেৰে দিনটো পাৰ কৰক। খৰচ পাতিৰ লগত কোনোৰ বাবে মনত দুখ বা অযথা কৰ্মত সময় অপব্যয় হ’ব। বিদ্যাত জটিলতা নাপায়। কৰ্মাদিও অযথা মন্থৰতা। শুভ ৰং ৰঙা।

**কুম্ভ ঃ** ইচ্ছাকৃত কথাত কিবা বাধা পাব শৰীৰৰ অথন্তৰো দেখা যায়। ব্যৱসায় বাণিজ্যত বেয়া দেখা নাযায়। শুভ ৰং সেউজীয়া।

**মীন ঃ** খং-ৰাগ বৃদ্ধি পাব পাৰে। শৰীৰৰ উত্তাপ হ’লেও ভয়ৰ বিশেষ নাই। অৱশ্যে প্ৰাপ্য ধন পোৱাৰ সম্ভাৱনা থাকিব। শুভ ৰং বেঙুনীয়া।

## শব্দ-বেহু ঃ ২৯ মে’ ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**

৩। উৰু, আঁঠু আৰু কৰ্কালৰ মাজৰছোৱা (৪)
৫। বৈষ্ণৱ সাধু-সন্তৰ ধৰ্মচৰ্চা আৰু বসতি স্থান (২)
৬। হুবহু, আচলৰ লগত পাৰ্থক্য নথকা, সম্পূৰ্ণ একেই (৪)
৭। পৰাস্ত, ডিঙিত পিন্ধা মূল্যৱান অলংকাৰ (২)
৮। অতি গৰ্হিত কাম কৰা লোক, নীচ ব্যক্তি (৪)
১০। গলগ্ৰহ, এৰিবও নোৱৰা ধৰিবও নোৱৰা আপদ (৪)
১৪। ঠেহ, গৰ্ব্ব, অহংকাৰ (৪)
১৫। ইছলামীয় পঞ্জিকামতে বছৰৰ নৱম মাহ (৪)
১৭।পাণ্ডিত্য থকা (২)
১৮। বৰ সাহসী মানুহ, দুঃসাধ্য কাম কৰোঁতা (৪)
২০। সংখ্যা, সমূহ, থুপ, জ্যোতিশাস্ত্ৰৰ এক চক্ৰ (২)
২১। বেচোঁতা আৰু কিনোতাৰ মাজত পণ্য বস্তুৰ মূল্য নিৰ্দ্ধপণৰ বাবে হোৱা কথা-বতৰা, দৰাদৰি (৪)

**থিয়কৈ ঃ**

১। থকা ঘৰ, আলয়, আৱাস (৪)
২। জংঘল, বনাঞ্চল (২)
৩। যন্ত্ৰ, এবিধ সুস্বাদু ফল (২)
৪। দৃষ্টান্ত, অতীতত হোৱা একে ঘটনা (৩)
৬। নিজৰ ইচ্ছা-অনিচ্ছা বা সমৰ্থন-অসমৰ্থন প্ৰকাশ কৰি দিয়া মত (৪)
৭। যোৱা, পথাৰত মাটি কৰ্ষণ ২)
৯। বিচাৰকৰ সিদ্ধান্ত (২)
১০। হস্ত, মণিবন্ধৰ পৰা আঙুলিৰ মূৰলৈকে অংশটো (২)
১১। প্ৰতিদান আশা নকৰাকৈ কাৰোবাক কিবা এটা দিয়া কাৰ্য্য (২)
১২। ব্যৱসায়, কৰিবৰ প্ৰয়াস (৪)
১৩। জৰা-ফুঁকা কৰা ব্যক্তি, কোনো বিষয়ৰ পাৰ্গত লোক (২)
১৪। যি জ্ঞাত নহয়, মূৰ্খ, একো নজনা (২)
১৬। মূৰ চাপৰোৱা, শ্ৰদ্ধাত তললৈ মূৰ কৰা (৪)
১৭। দেৱতালৈ আগ বঢ়োৱা খাদ্য, নৈবেদ্য (৩)
১৮। তৰাং, অগভীৰ, পানীত সহজে তল নোযোৱা (২)
১৯। গাখীৰ (২)

**উত্তৰ অহা সংখ্যাত**

**২৮ মে সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ১। প্ৰথম ৩। নাভুত-নাশ্ৰুত ৫। ইন্দ্ৰিয় ৬। পদিনা ৮। কলাফুল ১২। মধুৰিমা ১৪। লহকৰ ১৬। কৰ্মকাৰ ১৮। উঠনা ২০। চৰম ২১। প্ৰত্নতত্ত্ববিদ ২২। নিয়ৰ

**থিয়কৈ ঃ** ১। প্ৰক্ষেপ ২। মইনা ৩। নায়ক ৪। নাঙল ৭। দিকবলয় ৯। লাটুম ১০। ফলক ১১। বিমানকোঠ ১৩। ধুবুনী ১৫। ৰক্ষিকা ১৬। কৰত ১৭। ৰচদ ১৮। উমনি ১৯। নাজিৰ

অসম চৰকাৰ

# কৃতজ্ঞতা

ক’ভিড-১৯ৰ টীকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি | ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|---|---|
| পীযুষ হাজৰীকা | ১,৫০,০০০ টকা | বি জে পি, পূব জোনাই মণ্ডল | ২০,৫০০ টকা |
| ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ | ৫০,০০০ টকা | পংকজ হাজৰিকা | ২০০০ টকা |
| ওম থাপা | ১০০১ টকা | কল্যাণী সিং | ৩০০০ টকা |
| গোপাল চন্দ্ৰ শৰ্মা | ১০০১ টকা | লিটন পাল | ১১ টকা |
| অভিজিত পাল | ১০ টকা | মহৰ্ষি সন্দীপা | ৫০০১ টকা |
| ৰিংকি মণি দাস | ৫০ টকা | নিকিতা সিংহা | ৫০০ টকা |
| ব্ৰজেন কুমাৰ শৰ্মা | ১০০০ টকা | ওম প্ৰকাশ আগৰৱাল | ১০০০ টকা |
| জগদীশ গোস্বামী | ২০০০ টকা | বিজয় কুমাৰ পেগু | ৫১০ টকা |
| অভিনৱ ৰিতুৰাজ | ২০০০ টকা | ড° সুনন্ত চাংমাই | ২০০০ টকা |
| গৌৰাংগ খাউণ্ড | ১১১ টকা | দিলীপ চন্দ্ৰ দে | ১০১ টকা |
| মৌচুমী ধৰ | ১০০১ টকা | জিতু নেওঁগ | ১০০০ টকা |
| অমিত বৰ্মন | ১৩০০ টকা | নৰেশ চন্দ্ৰ কৰ | ১০০১ টকা |
| চন্দন ডেকা | ৩০০০ টকা | কুইন ঠাকুৰ | ২০০০ টকা |
| প্ৰশান্ত লেখাৰু | ১১১১ টকা | দিজেন্দ্ৰ লাল দাস | ১০০০ টকা |
| মৃণালজ্যোতি দাস | ১৫১ টকা | সোমেশ ভট্টাচাৰ্য্য | ২০০০ টকা |
| প্ৰবাল কলিতা | ২০০ টকা | প্ৰমথেশ শৰ্মা | ৫১ টকা |
| ওম কুমাৰ চেত্ৰী | ২০০ টকা | ৰূমান ৰয় | ১০১ টকা |
| নৰোত্তম বণিক | ১০১ টকা | চন্দন চক্ৰৱৰ্তী | ১০০১ টকা |
| ৰূপম জ্যোতি বৰগোহাঁই | ৫০০ টকা | হৰেণ চন্দ্ৰ | ১০০০ টকা |
| প্ৰণীতা গগৈ | ১০০০ টকা | দিপাংকৰ শ্যাম | ১০১ টকা |
| বিনোদ কৃষ্ণ শৰ্মা | ৩০০০ টকা | গৌতম লোহাৰ | ১০০১ টকা |
| দীপ কুমাৰ গগৈ | ১ টকা | প্ৰিয়ম গোস্বামী | ৫০১ টকা |
| ভৰত ৰাজবংশী | ১১১ টকা | উদয় শংকৰ নেওঁগ | ৫০০ টকা |
| বিনোদ ৰাজখোৱা | ১২০০ টকা | নিপু ভট্টাচাৰ্য্য | ১০০ টকা |
| দেৱজিৎ কুমাৰ শৰ্মা | ২০০০ টকা | সতী ড্ৰাগচ এণ্ড ছাৰ্জিকেল | ১,০০,০০০ টকা |
| যোগেন বেজবৰুৱা | ১০০০ টকা | অতুল বৰা | ২,০০,০০০ টকা |
| প্ৰদীপ কুমাৰ হাজৰিকা | ২০০০ টকা | ভাৰত ভূষণ শৰ্মা | ৫০০০ টকা |
| অমল কান্তি দাস | ১১১১ টকা | ফিৰোজ আহমেদ লস্কৰ | ১০ টকা |
| বিকাশ ঠাকুৰীয়া | ২৫,০০০ টকা | অক্ষয় ভূষণ কো | ২১ টকা |
| ৰিতিশ ফুকন | ৬০১ টকা | নন্দন কুমাৰ নাথ | ১০০ টকা |
| দয়াল কান্তি সেন | ১০০০ টকা | সীতাংশু ৰঞ্জন | ২০০০ টকা |
| মহেন্দ্ৰ শীল | ১০০০ টকা | বলিন গগৈ | ৪০০০ টকা |
| সত্য গোপাল গোস্বামী | ৫০০০ টকা | বিমল গগৈ | ৫০১ টকা |
| আশিস বেনাৰ্জী | ১০০১ টকা | ড° মনোজ ঠাকুৰীয়া | ৩০০০ টকা |
| যুগল চন্দ্ৰ | ১০০০ টকা | তপন শৰ্মা | ৫০০০ টকা |
| ৰিণা অধ্যাপক | ৫০০০ টকা | নুৰুল হক | ৫০০ টকা |
| সন্দীপ বাঞ্চাল | ১১০১ টকা | সতীশ চন্দ্ৰ | ২০০০ টকা |
| নলিনী গোস্বামী | ৫০০ টকা | জেমছ বৰা | ২০০ টকা |
| অজিত কুমাৰ সাহা | ২০০০ টকা | ড° প্ৰশান্ত শ্বাৰ | ৩০০০ টকা |
| মঞ্জুৱাৰা ইছলাম | ৫০১ টকা | সিদ্ধাৰ্থ শংকৰ | ৫১ টকা |
| অঞ্জন গোঁহাই | ৫০১ টকা | মামু বৰা | ১০০ টকা |
| পংকজ মণি ফুকন | ২৪০০ টকা | মঞ্জুলা বাছুম | ৫০০০ টকা |
| অংকিতা গাংগুলী | ১০০ টকা | ভাস্কৰ জ্যোতি চেটাৰ্জী | ১০০ টকা |
| ড° ৰত্নেশ্বৰ দেউৰী | ২০০০ টকা | নন্দন কুমাৰ চেটাৰ্জী | ৬০০ টকা |
| অসীম কান্তি দে | ২৫,০০০ টকা | বিটু মৈত্ৰা | ৫০০ টকা |
| অঞ্জলী দেউৰী | ১০০০ টকা | শুক্লা ভট্টাচাৰ্য্য | ১৫,০০০ টকা |
| ভৱেশ চন্দ্ৰ দাস | ১০০০ টকা | দেৱাশীষ পাল চৌধুৰী | ১০০১ টকা |
| বিষ্ণুজ্যোতি কলিতা | ১১১ টকা | নিপু বৰ্মন | ৪ টকা |
| মহম্মদ ছফিকুল হক | ৫০১ টকা | বিনোৱা ৰাজবংশী | ২০০২ টকা |
| অপৰ্ণা পাল | ৩০,০০০ টকা | বিভূ ভূঞা | ৩০,০০১ টকা |
| ৰমেন কলিতা | ১০,০০০ টকা | আব্দুল জব্বৰ | ১০০১ টকা |
| মহম্মদ ছাকিৰো | ৫০০০ টকা | সুভানু মহন্ত | ১০০ টকা |
| ৰাজেন দে | ২৫০০ টকা | দীপিকা হালৈ | ১৩১৩ টকা |
| প্ৰশান্ত বৰুৱা | ৫০১ টকা | কিৰণ দাস | ১০০১ টকা |
| | | ৰাম চৌধুৰী | ৫১ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

জনসংযোগ/ডি/৫৭৬/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow Us /@diprassam https://dipr.assam.gov.in/

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৯ মে', ২০২১ শনিবাৰ পৃষ্ঠা তিনি

## বাগানপাৰা সমষ্টিৰ চাৰি নেতাক বহিষ্কাৰ

# ইউপিপিএলৰ ভিতৰচ'ৰাত অৰাজকতাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**বাগানপাৰা, ২৮ মে' ঃ** বিটিচি পৰিষদৰ সমান্তৰালভাৱে ৰাজ্যতো ইউপিপিএল, বিজেপি আৰু জিএছপি মিত্ৰজোঁটৰ চৰকাৰ চলি থকা সত্ত্বেও দলকেইটাৰ তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীসকলৰ সম্পৰ্কৰ মাজত যেন ভিতৰি ভিতৰি এতিয়াও এক শীতল যুদ্ধ চলি আছে। ইয়াৰ এক দৃশ্য পৰিলক্ষিত হৈছে বাগ্‌সা জিলাৰ ২৫ নম্বৰ বাগানপাৰা পৰিষদীয় সমষ্টিৰ ইউপিপিএলৰ একাংশ শীৰ্ষ নেতাৰ কৰ্মকাণ্ডত। কোনো কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ নকৰাকৈ সমষ্টিটোৰ ইউপিপিএলৰ চাৰিগৰাকী দলীয় নেতাক বহিষ্কাৰ কৰা কাৰ্যই এতিয়া দলটোৰ ভিতৰচ'ৰাত চলি থকা এক অৰাজকতাৰ ইংগিত ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



## নগাঁও-মৰিগাঁও জিলাৰ হেজাৰ হেজাৰ পৰিয়ালৰ নাই কোনো স্থায়ী ঠিকনা

# বছৰ বছৰ ধৰি মথাউৰিৰ ওপৰতে আশ্ৰয়



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ মে' ঃ** নগাঁও জিলাৰ শিলঘাট-ধিং মথাউৰি আৰু মৰিগাঁও জিলাৰ ভজাইখাইতি-হিলৈখুন্দা মথাউৰি আৰু কেতবোৰ ৰিং বান্ধৰ ওপৰত জুপুৰি সাজি বছৰ বছৰ দৰি বাস কৰি আছে জিলা দুখনৰ হেজাৰ হেজাৰ সৰ্বহাৰা পৰিয়াল। কেতিয়াবা কাযেদি বৈ যোৱা বলিয়া লুইতখনলৈ চাই হা-হুমুনিয়াহ কাঢ়ে। কেতিয়াবা ক্ৰোধান্বিত হৈ লুইতলৈ দৃষ্টি নিক্ষেপ কৰি গালি পাৰে। কিয়নো এই সৰ্বহাৰা লোকসকলৰ অধিকাংশৰেই দুৰ্দশাই অন্যতম কাৰণ বলিয়া লুইত। লুইতৰ প্ৰতিৰোধ বিহীন খহনীয়াৰ কৱলত পৰি নিজৰ ঘৰ-মাটি হেৰুৱাই ঠিকনা বিহীন যাযাবৰী জীৱন কটাবলগীয়া হোৱা এই লোকসকলৰ এদিন একোটা স্থায়ী ঠিকনা আছিল। প্ৰত্যেকৰে একোখনকৈ সচ্ছল ঘৰ আছিল, শস্যে-মৎস্যে নদন-বদন পথাৰ, ধান ভৰ্তি ভঁড়াল, এগোহালি গৰু, নাৰিকল-তামোল গছেৰে ভৰ্তি বৃহৎ বৃহৎ বাৰী আছিল। জিলা দুখনত বিগত কে'বাটাও দশক ধৰি অব্যাহত থকা ব্ৰহ্মপুত্ৰৰ অপ্ৰতিহত বিধ্বংসী খহনীয়াই তেওঁলোকৰ সকলো কাঢ়ি নি ঠিকনা পৰ্যন্ত নাইকিয়া কৰিলে। নগাঁও জিলাৰ লাওখোৱা, বৰঘুলি, ভূৰবন্ধা, ভগামুখ অঞ্চলত ব্ৰহ্মপুত্ৰৰ অপ্ৰতিহত খহনীয়াই সকলো কাঢ়ি লৈ যোৱা ন শতাধিক সৰ্বহাৰা পৰিয়ালে বছৰ বছৰ ধৰি ম্যাদ উকলি যোৱা মথাউৰিৰ ওপৰতে আশ্ৰয় লৈ ছয় পৃষ্ঠাত চাওক

## স্থানীয় আৰক্ষী বিষয়াই সুৰক্ষা দি অহাৰ অভিযোগ ৰাইজৰ

# বেলশৰত ড্ৰাগছ ব্যৱসায়ী দম্পতীক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নলবাৰী/চামতা, ২৮ মে' ঃ** নলবাৰী জিলাৰ বেলশৰ শিঙিমাৰাত আজি অভিযান চলাই ড্ৰাগছৰ ব্যৱসায় চলাই অহা এহাল দম্পতীক আৰক্ষীয়ে ঘৰৰ পৰা আটক কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বেলশৰৰ দুই নম্বৰ শিঙিমাৰাৰ বাসগৃহত দেবেন বৰ্মনৰ পুত্ৰ পুলক বৰ্মন আৰু পুলকৰ পত্নী দুলু বৰ্মনে ব্ৰাউন ছুগাৰৰ নিচিনা মাৰাত্মক ড্ৰাগছৰ ৰমৰমা বেহা চলাই আহিছে। বেলশৰ আৰক্ষী থানা আৰু ছয় পৃষ্ঠাত চাওক

## বৰপেটা জিলালৈ পিৰামল স্বাস্থ্যই আগবঢ়ালে পাঁচ অক্সিজেন কনছেনট্ৰেটৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৮ মে' ঃ** বৰপেটা জিলাৰ ক'ভিড বিৰোধী যুঁজখনত সহযোগিতা আগবঢ়াই পিৰামল স্বাস্থ্য ব্যৱস্থাপনা তথা গৱেষণা প্ৰতিষ্ঠানৰ তৰফৰ পৰা আজি পাঁচটা অক্সিজেন কনছেনট্ৰেটৰ, ৮০ টা পালছ অক্সিমিটাৰ আৰু এশ খন ফেচ ছিল্ড বৰঙণি হিচাপে আগবঢ়াইছে। আজি জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এটি অনুষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বেচ্ছাসেৱী প্ৰতিষ্ঠানটোৰ হৈ ৰাজ্যিক ৰূপান্তৰ প্ৰৱন্ধক ডাঃ ধ্ৰুৱজ্যোতি বৰাই জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ হাতত সামগ্ৰীখিনি অৰ্পণ কৰে। তেওঁ লগতে জনোৱা মতে, অহা সপ্তাহত আৰু ১০টা অক্সিজেন কনছেনট্ৰেটৰ বৰপেটা জিলা প্ৰশাসনৰ হাতত প্ৰদান কৰা হ'ব। উপায়ুক্ত ভূচালে ইয়াক এই সময়ৰ অমূল্য বৰঙণি বুলি অভিহিত কৰি তাৰ বাবে সংস্থাটোৰ নথৈ শলাগ লয়। তেওঁ কয় যে আজিৰ এই দুযোগপূৰ্ণ পৰিস্থিতিত অ'ক্সিজেন আৰু অ'ক্সিমিটাৰৰ প্ৰয়োজনীয়তা সৰ্বাধিক। এই সামগ্ৰীসমূহে বহুলোকৰ জীৱন ৰক্ষা কৰিব পাৰে বুলি মত প্ৰকাশ কৰি তেওঁ কয় যে বৰপেটা জিলাত লক্ষণবিহীন বা সাধাৰণ লক্ষণযুক্ত কৰ'না ৰোগীক ৰখাৰ বাবে স্থাপন কৰা ক'ভিড কেয়াৰ চেণ্টাৰসমূহলৈ এই সামগ্ৰীসমূহ প্ৰেৰণ কৰা হ'ব। ইয়াৰ দ্বাৰা নিশ্চিতভাৱে বহু আক্ৰান্ত লোক উপকৃত হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা কাৰ্যসূচী বিষয়া ৰাজীৱ দাসে আঁত ধৰা সভাখনত অতিৰিক্ত উপায়ুক্ত সব্যসাচী কাশ্যপ আৰু যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তীৰ্থনাথ শৰ্মাও চমু ভাষণ দিয়ে।

## শিক্ষা আৰু স্বাস্থ্য মন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

# পৰীক্ষা অনুষ্ঠিত সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ বাবে বিশেষজ্ঞ কমিটী গঠনৰ আহ্বান

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৮ মে' ঃ** ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিৱসাগৰ জিলা সমিতিয়ে আজি ৰাজ্যৰ শিক্ষামন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সমিতিৰ শিৱসাগৰ জিলাৰ সভাপতি পৰাশৰ কোঁৱৰ আৰু ৰিতুমণি হাজৰিকা, কাৰ্যকৰী সভাপতি পল্লৱ শইকীয়া, যুটীয়া সাধাৰণ সম্পাদক মানস দত্ত, ৰাজু চেতিয়া ফুকন, ছাত্ৰ মুক্তিৰ আমগুৰি আঞ্চলিক সমিতিৰ সভাপতি ৰবীন হাজৰিকাৰ নেতৃত্বত এটা সঁজাতী দলে সাম্প্ৰতিক কৰ'নাসৃষ্ট পৰিৱেশে সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনলৈ কঢ়িয়াই অনা গুৰুত্বপূৰ্ণ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবীত জিলাৰ অতিৰিক্ত উপায়ুক্ত চন্দনা বৰুৱাৰ জৰিয়তে শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰখন প্ৰেৰণ কৰে। স্মাৰকপত্ৰত উল্লেখ কৰিছে যে বৰ্তমান সময়ত ক'ভিড মহামাৰীয়ে যি ধৰণে ভয়াৱহ ৰূপ লৈছে তাৰ পৰিপ্ৰেক্ষিতত শিক্ষা খণ্ডত যথেষ্ট প্ৰভাৱ পৰিছে। ফলত শিক্ষানুষ্ঠানসমূহ এমাহ ধৰি বন্ধ হৈ আছে। বিদ্যালয়-মহাবিদ্যালয় সমূহৰ পৰীক্ষাসমূহো বাতিল কৰিবলগীয়া হৈছে। ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা এতিয়া অনুষ্ঠিত কৰাক লৈ অনিশ্চয়তা বিৰাজ কৰিছে। লগতে স্নাতক শ্ৰেণীসমূহৰ পৰীক্ষা আৰু স্নাতকোত্তৰ শ্ৰেণীসমূহৰ পৰীক্ষাসমূহ আছেই। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহৰ পাঠদান ছয় পৃষ্ঠাত চাওক

# নাট্যকৰ্মী, অভিনেতা আদিত্য গগৈৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৮ মে' ঃ** তিনিচুকীয়া গেলাপুখুৰীৰ সামাজিকভাৱে জড়িত ব্যক্তি আদিত্য গগৈ ওৰফে বাবলু (৪৯)ৰ আজি পুৱা ডিব্ৰুগড়ৰ আদিত্য নাৰ্ছিংহোমত চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। তিনিচুকীয়া জিলাৰ সাংস্কৃতিক জগতখনৰ এক জনপ্ৰিয় নামি আছিল আদিত্য গগৈ। বলিষ্ঠ অভিনয়ৰে সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱা গগৈ একেধাৰে এজন নাট্যকৰ্মী, কবি, বাদ্যযন্ত্ৰীৰ উপৰি সু-হৃদয়বান ব্যক্তি, সমাজকৰ্মীৰূপে পৰিচিত আছিল। এনে ছয় পৃষ্ঠাত চাওক

## স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ শিৱসাগৰ ভ্ৰমণ

# বিদ্যালয়ত ক'ভিড প্ৰতিষেধক প্ৰদান কৰিবলৈ স্বাস্থ্যমন্ত্ৰীৰ পৰামৰ্শ



**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৮ মে' ঃ** অসম চৰকাৰৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি শিৱসাগৰ জিলাত উপস্থিত হৈ জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰীজনে চিকিৎসালয়খনৰ ক'ভিড ৱাৰ্ডৰ আন্তঃগাঁথনি, চিকিৎসা সেৱা তথা অন্যান্য সা-সুবিধা আদিৰ বিষয়ে বিস্তৃতভাৱে বুজ লয়। তেওঁ উপায়ুক্ত বিষ্ণুকমল বৰা, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ শ্যামন্ত মাধৱ শৰ্মা তথা শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ সৌৰভ কুমাৰ গগৈৰ স'তে জিলাখনৰ ক'ভিড-১৯ত আক্ৰান্ত ৰোগীৰ চিকিৎসা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰে। তেওঁ লগতে ক'ভিড ৱাৰ্ড তথা আই চি ইউৰ বৃদ্ধি তথা সম্প্ৰসাৰণৰ বিষয়েও আলোচনা ছয় পৃষ্ঠাত চাওক

# গৰৈমাৰী-জোৰশিমুলীত ড্ৰাগছ-নগদ ধনসহ ধৃত পাঁচ



**অগ্ৰদূত বাৰ্তা**

**বকো/ছয়গাঁও, ২৮ মে' ঃ** মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতে অসম আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে ছয়গাঁও আৰক্ষীয়েও গ্ৰামাঞ্চলত সিঁচৰতি হৈ পৰা বিষাক্ত ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। ছয়গাঁও আৰক্ষীয়ে আজিও গৰৈমাৰী পুখুৰীপাৰ স্বাস্থ্য কেন্দ্ৰৰ সন্মুখত থকা বজাৰত অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুনজ কুখ্যাত ড্ৰাগছ ব্যৱসায়ীক আটক কৰে। ধৃত ড্ৰাগছ ব্যৱসায়ী দুজন গৰৈমাৰীৰ ৰজব আলী আৰু ৰফিকুল ছয় পৃষ্ঠাত চাওক

# লাহৰীঘাটত তিনি ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ২৮ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত তিনিচুকীয়াৰ পৰা যোৱা নিশা লাহৰীঘাট আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি তিনি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত তিনি ড্ৰাগছ সৰবৰাহকাৰী ক্ৰমে আশ্বাদুল ইছলাম (২৭), জাহাংগীৰ আলম (৩০) আৰু নজৰুল ইছলাম (২৭)। সৰবৰহী তিনিজনৰ বিৰুদ্ধে ২৮৪/২০২১ নম্বৰত গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰে। তেওঁলোকেৰ পৰা পাঁচটা ড্ৰাগছভৰ্তি আৰু এটা অৰ্ধভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰে।

# হোজাইত জুৱাৰীক এৰি অভিযোগকাৰীক জেললৈ প্ৰেৰণ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৮ মে' ঃ** হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰিত্বৰ দায়িত্ব গ্ৰহণ কৰিয়েই ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ অসম আৰক্ষীক কঠোৰ নিৰ্দেশ দিয়ে। অসম আৰক্ষীয়েও অতি তৎপৰতাৰে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ড্ৰাগছসহ বহুকেইজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। অসম আৰক্ষীৰ এনে পদক্ষেপক সচেতন মহলে প্ৰশংসা কৰিছে। আৰক্ষীৰ এনে পদক্ষেপক ৰাজ্যবাসীয়ে আদৰণি জনোৱাৰ সময়তে হোজাইৰ ডবকাত আৰক্ষীৰ ছয় পৃষ্ঠাত চাওক

# ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, বিশিষ্ট অধিবক্তা নবীন বুঢ়াগোহাঁইৰ মৃত্যু



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৮ মে' ঃ** যোৰহাটৰ এগৰাকী বিশিষ্ট নাগৰিক, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, যোৰহাট পৌৰসভাৰ প্ৰাক্তন পৌৰপতি, যোৰহাট আইন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা জ্যেষ্ঠ অধিবক্তা নবীন চন্দ্ৰ বুঢ়াগোহাঁই (৯৭)ৰ আজি দিনৰ ১১-২০ বজাত জেইল ৰোডস্থিত নিজ বাস ভৱনত মৃত্যু হয়। এটা দীঘলীয়া সময় যোৰহাটৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনলৈ বিশিষ্ট অৱদান আগবঢ়াই অহা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ বুঢ়াগোহাঁইৰ মৃত্যুত যোৰহাটত গভীৰ শোকৰ ছাঁ পৰিছে। বুৰঞ্জী প্ৰসিদ্ধ কুৰৈ গঞা বুঢ়াগোহাঁই ফৈদৰ উত্তৰাধিকাৰী মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পৰিনাতি আছিল প্ৰাক্তন সাংসদ বুঢ়াগোহাঁই। টীয়কৰ পীড়াকটা গোহাঁই গাঁৱত ১৯২৪ত জন্মগ্ৰহণ কৰা বুঢ়াগোহাঁয়ে যোৰহাট চৰকাৰী ল'ৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত নামভৰ্তি কৰে। তাৰ পৰা স্নাতক ডিগ্ৰী লৈ আলিগড় মুছলিম বিশ্ববিদ্যালয়লৈ উচ্চ শিক্ষাৰ বাবে যায়। আলিগড় ছয় পৃষ্ঠাত চাওক

# মুকালমুৱাত ড্ৰাগছসহ আটক এজন

**মুকালমুৱা, ২৮ মে' ঃ** বৰক্ষেত্ৰী সমষ্টিৰ মুকালমুৱা অঞ্চলত নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন তথা অবাধ বেহা অব্যাহত থকাৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়তে শেহতীয়াকৈ আৰক্ষীয়ে অভিযান চলাই পুনৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আজি আটক কৰে। মুকালমুৱাৰ নিকটৱৰ্তী বালিকুছিৰ ৰমজান আলী নামৰ যুৱকজনক বিশেষ সূত্ৰৰ পমখেদি মুকালমুৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যুগল কিশোৰ ছয় পৃষ্ঠাত চাওক

# তাপেশ্বৰা পঞ্চায়তৰ সভানেত্ৰীৰ বিৰুদ্ধে অনাস্থাৰ প্ৰস্তাৱ

**কলগাছিয়া, ২৮ মে' ঃ** বৰপেটা জিলাৰ ৰূপসী উন্নয়ন খণ্ডৰ অন্তৰ্গত ৬৪ নম্বৰ তাপেশ্বৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰেহেনা খাতুনৰ বিৰুদ্ধে নদফীয়া পঞ্চায়তৰ বিভিন্ন উন্নয়নমূলক কামৰ দুৰ্নীতিৰ বিৰুদ্ধে উক্ত পঞ্চায়তৰ উপ-সভানেত্ৰীসহ সাতজনীয়া খণ্ড সদস্য-সদস্যাৰ স্বাক্ষৰ সম্বলিত এক দৰখাস্ত আজি কলগাছিয়াস্থ ৰূপসী উন্নয়ন খণ্ডৰ কাৰ্যালয়ত দাখিল কৰে। পঞ্চায়তৰ সভানেত্ৰী ৰেহেনা খাতুন আৰু পঞ্চায়ত সচিব জানি আলম এই দুয়োজনে বাকী সদস্য আৰু সদস্যাবৃন্দক অন্ধকাৰত ৰাখি সভানেত্ৰীৰ বাসভৱনত বহি পঞ্চায়তৰ সমূহ কাম-কাজ সামৰে বুলি সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে অভিযোগ উঠিছে। ফলত পঞ্চায়তৰ উন্নয়নমূলক কামত যথেষ্ট ব্যাঘাত জন্মে বুলি অভিযোগ পত্ৰখনত উল্লেখ আছে। তদুপৰি কৰ'না মহামাৰীৰ বাবে চৰকাৰীভাৱে ছেনিটাইজাৰৰ নামত কেৱল পানী স্প্ৰে কৰি সমুদায় টকা আত্মসাৎ কৰাৰ অভিযোগ উঠিছে সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে। পঞ্চায়তৰ কোনো নিৰ্বাচিত সদস্য-সদস্যা সভানেত্ৰীৰ বাসভৱনত গ'ল অকথ্য কথাৰে গালি-গালাজ পাৰা, পঞ্চায়তৰ কিছুমান কামৰ গাঁওসভা নাইবা ৱাৰ্ড সভা নিদিয়াকৈ নিজৰ ইচ্ছামতে চতুৰ্দশ বিত্তীয় আয়োগৰ কনষ্ট্ৰাকচন কমিটী নীতি বহিৰ্ভূতভাৱে গঠন কৰা, চতুৰ্থ বিত্তীয় আয়োগৰ আঁচনিৰ নামত ব্যাপক দুৰ্নীতি, ব্লক ইটাৰ কাম কৰাৰ ক্ষেত্ৰত পানী নমৰাকৈ কম ছয় পৃষ্ঠাত চাওক

## ক'ভিড সৃষ্ট পৰিস্থিতিৰ বাবে ভ্ৰাম্যমাণ থিয়েটাৰৰ দুৰৱস্থা

# সংগীত পৰিচালক নাৰায়ণ বৰুৱাই বিক্ৰী কৰিব বাদ্যযন্ত্ৰ



**অগ্ৰদূত বাৰ্তা**

**পাঠশালা, ২৮ মে' ঃ** সমগ্ৰ পৃথিৱীতে বিৰল অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰত ৩৮ টা বছৰ অতিবাহিত কৰি এজন আগশাৰীৰ সংগীত পৰিচালকৰূপে খ্যাতি অৰ্জন কৰা শিল্পী নাৰায়ণ বৰুৱাৰ আজি দুৰৱস্থাই বহুতৰে চকু সেমেকাই তুলিছে। জীৱনৰ ৩৮ টাকৈ বছৰ সংগীত শিল্পৰ সাধনা কৰি হেজাৰ হেজাৰ লোকক মনোৰঞ্জন দিয়া ভ্ৰাম্যমাণ থিয়েটাৰত নিজকে বিলীন কৰি দিয়া শিল্পীজনৰ এতিয়া থিয়েটাৰ বন্ধ ছয় পৃষ্ঠাত চাওক

# 'মনুসংহিতা' অসমীয়ালৈ অনুবাদ কৰোতা সাহিত্যিক-শিক্ষক হৰকান্ত শৰ্মাৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৮ মে' ঃ** তেজপুৰৰ সাহিত্যিক, বিশিষ্ট সংস্কৃত পণ্ডিত, বিহগুৰি কন্যা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা তেজপুৰৰ চানমাৰী নিবাসী হৰকান্ত শৰ্মা (৯৩)ৰ যোৱা নিশা তেজপুৰৰ এখন নাৰ্ছিংহোমত বাৰ্ধক্যজনিত কাৰণত বিয়োগ ঘটে। ১৯২৮ৰ ২১ ডিচেম্বৰত নলবাৰীত জন্মগ্ৰহণ কৰা শৰ্মাই নলবাৰী মহাবিদ্যালয়ৰ পৰা স্নাতক পাঠ্যক্ৰম সমাপ্ত কৰাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। এগৰাকী সামাজিক আৰু সাহিত্যানুৰাগী ব্যক্তিৰূপে পৰিচিত শৰ্মাই ১৯৭১ত তেজপুৰলৈ আহে আৰু বিহগুৰি ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰে। এগৰাকী দায়িত্বশীল আৰু অঞ্চলটোৰ লগতে সহকৰ্মী তথা ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ শ্ৰদ্ধা আৰু আদৰ লাভ কৰা এইগৰাকী শিক্ষকে বিভিন্ন কাকত-আলোচনীত ছয় পৃষ্ঠাত চাওক



# ভূমিকম্প অধ্যুষিত অঞ্চললৈ পৰ্যবসিত হৈছে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চল

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৮ মে' ঃ** পৃথিৱীৰ প্ৰাকৃতিক দুৰ্যোগসমূহৰ ভিতৰত আটাইতকৈ ভয়াবহ আৰু অবৰ্ণনীয় দুৰ্যোগেই হ'ল ভূমিকম্প। ভূমিকম্পই নিমিষতে একো একোটা অঞ্চল ধ্বংস স্তূপত পৰিণত কৰাৰ লগতে মানুহকে ধৰি অন্যান্য জীৱকুলৰো জীৱন-জীৱিকালৈ ভয়ংকৰ বিপদ নমাই আনে। এই ভূমিকম্পৰে কৰাল গ্ৰাসে এতিয়া আমাৰ ৰাজ্যখনকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ছানি ধৰিছে। ভূমিকম্প অধ্যুষিত অঞ্চ ললৈ ৰূপান্তৰ হৈছে আমাৰ ৰাজ্যখন। বিশেষকৈ যোৱা 28 এপ্ৰিল 2021 দিনা যি ভূমিকম্প সংঘটিত হৈছিল সেই ভূমিকম্পৰ পিছতেই ভয়াবহ বিপদ নামি আহিছে আমাৰ ৰাজ্যখনলৈ। উল্লেখ্য যে 1950ৰ 15 আগষ্টৰ সন্ধিয়া 7.39 বজাত অসমত হোৱা বৰ ভূঁইকঁপৰ প্ৰাবল্য আছিল 8.6 ৰিখটাৰ স্কেল। গভীৰতা 15 কিঃমিঃ। প্ৰায় পাঁচ হোজাৰ লোকৰ মৃত্যু ঘটিছিল এই ভূমিকম্পৰ দুৰ্য্যোগত। ব্ৰহ্মপুত্ৰকে ধৰি নদ-নদী সমূহৰো গভীৰতা বাম হৈ পৰিছিল। উক্ত ভূমিকম্পই তিব্বত আৰু অসমত ভয়াবহ ক্ষতি সাধন কৰে। ইয়াৰ অভিকেন্দ্ৰ আছিল মিছিমি হিলচ্। ই হিমালয়ৰ পূব প্ৰান্তত। মেক মোহন লাইনৰ দক্ষিণে। এই অঞ্চল সম্প্ৰতি চীন আৰু অৰুণাচলৰ বিবাদমান অঞ্চলৰূপে জনাজাত। অসমত পুনৰ বিগত 1960 চনৰ 29 জুলাইত হোৱা 6.0 ছয় পৃষ্ঠাত চাওক

# লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ব্ৰজেন শৰ্মা বৰুৱাৰ বিয়োগ



**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ২৮ মে' ঃ** লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সমাজকৰ্মী, লখিমপুৰ নগৰৰ ন নম্বৰ ৱাৰ্ড নিবাসী ব্ৰজেন শৰ্মা বৰুৱা (৮৪) আজি সন্ধিয়া গুৱাহাটীৰ হেল্‌থ চিটিত চিকিৎসাধীন অৱস্থাতে পৰলোক প্ৰাপ্তি ঘটে। বিগত কিছুদিন ধৰি বাৰ্ধক্যজনিত কাৰণত তেওঁ চিকিৎসাধীন হৈ আছিল। শৈক্ষিক ক্ষেত্ৰত প্ৰচুৰ অৱদান আগবঢ়োৱাৰ সমানে তেওঁ আমৃত্যু সমাজসেৱা কৰি আছিল। বিভিন্ন শৈক্ষিক-সামাজিক অনুষ্ঠানৰ তেওঁ নেতৃত্ব বহন কৰিছিল। লখিমপুৰ কেন্দ্ৰীয় কলেজৰ পৰিচালনা সমিতিৰ সভাপতি, পঞ্চানন দেৱালয় কল্যাণ ট্ৰাষ্টৰ সভাপতি আদি বহু অনুষ্ঠানৰ বিষয়বাবত তেওঁ অধিষ্ঠিত আছিল। তেওঁৰ বিয়োগত জিলাখনত শোকস্তব্ধ পৰিৱেশৰ সৃষ্টি হৈছে। লখিমপুৰ জিলা ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠনে তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰসহ পত্নীক এৰি যায়। উল্লেখ্য লখিমপুৰত বিশিষ্ট শিক্ষাবিদজনে বাণিজ্য শিক্ষাৰ বাটকটীয়াৰূপে সমাজ জীৱনত পৰিচিত আছিল। মৃদুভাষী, অতি অমায়িক এই সমাজকৰ্মীজনৰ বিয়োগ লখিমপুৰৰ বাবে অপুৰণীয় ক্ষতি বুলি ৰাইজে শোক প্ৰকাশ কৰিছে।

# পৰত আশ বনত বাস

## ইতিহাসে সোঁৱৰায়—আপোন হাতে অসম গঢ়াৰ বিকল্প নাই

**অসমৰ জীৱ-জন্তু, চৰাই-চিৰিকতিৰ পৰা তৰোৱাল-যাঠী-মছলা-মজাঠি, অনকা-কাপোৰ-কপাহী কম্বল, মিচিমি তিতা-জালুক-কপাহ-থেকেৰা-মখমল-মুকুতা ঘিঁ-চেনি-হাতীদাঁত-ম'হৰ শিং, কস্তুৰি আৰু বিশেষকৈ পাট-মুগা-এৰী কাপোৰ আদিৰে সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ বজাৰসমূহ ভৰি পৰিছিল আৰু বৃহৎ ব্যৱসায় গঢ়ি উঠিছিল। সেই বাবেই কোৱা হয়—স্বাধীনতাৰ প্ৰাক্‌মুহূৰ্তলৈকে অসম আছিল এখন ধনী ৰাজ্য কিন্তু স্বাধীনতাৰ পাছৰ পৰাই অসমৰ উন্নয়ন স্থৱিৰ হৈ ৰ'ল আৰু ক্ৰমান্বয়ে বিশ্বত পৰিচিতি লাভ কৰিলে কেৱল আন্দোলনত ৰাজ্য হিচাপে**





দৃষ্টিকোণ

বিশ্বজিৎ বৰুৱা

**বিখ্যাত** লেখক ৫ম মৰিছে তেওঁৰ মিছেছ গান্ধী গ্ৰন্থখনত লিখিছিল—বিশ্বৰ অত্যন্ত প্ৰভাৱশালী নেতা জৱাহৰলাল নেহৰুক যদি কোনোবা দেশে ঠগিছে তেন্তে সেয়া হৈছে চীনদেশ। চৌ এন লাই আছিল নেহৰুৰ পৰম মিত্ৰ। দুয়োৰে বন্ধুত্ব সেই সময়ত বহুত দেশ নেতাৰ বাবে আছিল ঈৰ্ষাৰ কাৰণ; কিন্তু হিন্দী চীনি ভাই ভাই ধ্বনি নিগৰাই চৌ এন লাইৰ দেশে ১৯৬২ত আক্ৰমণ কৰিছিল ভাৰতবৰ্ষ। দেশৰ উত্তৰ-পূৰ্বাঞ্চলেদি অনুপ্ৰৱেশ কৰি ৰঙা ড্ৰেগনে বিষাক্ত দাঁত বহুৱাইছিল ভাৰতবৰ্ষৰ বুকুত। আমাৰ কত সহস্ৰ জোৱানে সেই ৰণত জীৱন আহুতি দিলে তাৰ হিচাপ হয়তো ওলালে নে নাই সন্দেহ। এডিয়েচন মেপত দেখা গৈছিল পথ, কিন্তু ভাৰতীয় সৈন্য বাহিনী যেতিয়া আগবাঢ়ি গৈছিল তেতিয়া দেখা পোৱা নাছিল কোনো পথ। সমগ্ৰ মেপ ভুল আছিল, পথ ভুল কৰি বিপদৰ সন্মুখীন হৈছিল আমাৰ সেনাবাহিনী। তীব্ৰ শীত ৰুধিবলৈ নাছিল গৰম কাপোৰ, পাহাৰ-জংঘল বগাবলৈ নাছিল বুটজোতা, অভাৱ আছিল বন্দুক-বাৰুদৰ। নেহৰুক এই বিশ্বাসঘাতকতাই যে মানসিকভাৱে বিধ্বস্ত কৰিছিল সেয়া নিশ্চিত। বিশ্ব সমুদায়ৰ সন্মুখত তেওঁ অপমানিত বোধ কৰিছিল। বয়সো হৈছিল ৭৩ বছৰ। ১৯৬৪ৰ ২৭ মে'ৰ দিনা তেওঁৰ পৰলোকপ্ৰাপ্তি হয়। মৃত্যুশয্যাৰ কাষৰ টেবুলত নেহৰুৱে নিজ হাতে লিখা কবি ৰবাৰ্ট ফ্ৰষ্টৰ কবিতাৰ এক পংক্তি উদ্ধাৰ হৈছিল, য'ত লিখা আছিল— For I have Promised to keep and miles to go before I sleep.

ইয়াৰ ২৫ বছৰৰ পাছত দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ প্ৰতিনিধিয়ে একেলগে বহি পূবলৈ চোৱা নীতিৰ আধাৰ প্ৰস্তুত কৰিছিল। একেখন টেবুলত অংশ লোৱা দেশসমূহ আছিল ব্ৰুনেই, কম্বোডিয়া, ইণ্ডোনেছিয়া, লাওচ, মালয়েছিয়া, ম্যানমাৰ, ফিলিপাইনছ, ছিংগাপুৰ, থাইলেণ্ড আৰু ভিয়েটনাম। ১৯৯২ত পি. ভি নৰসিংহাৰাও প্ৰধানমন্ত্ৰিত্বৰ সময়ত ভাৰতে এই এছিয়ান সন্মিলনত যোগদান কৰিছিল আৰু ১৯৯৬ত পূৰ্ণপৰ্যায়ৰ সদস্য বুলি স্বীকৃত হয়। ১৯৯৬ত অটল বিহাৰী বাজপেয়ীৰ ১৩ দিনীয়া চৰকাৰৰ পাছত ব্যাপক জনসমৰ্থনৰ ঢৌ ঘূৰি অহা চৰকাৰখনে এই এছিয়ান সন্মিলনক অভূতপূৰ্ব সঁহাৰি জনাইছিল আৰু ভাৰতবৰ্ষৰ স্থিতি শক্তিশালী হৈছিল। নেহৰুৰ পাছত ভাৰতবৰ্ষই লাভ কৰা এজন দূৰদৰ্শী প্ৰধানমন্ত্ৰী আছিল অটল বিহাৰী বাজপেয়ী। সন্দেহ নাই ভাৰতবৰ্ষই এই সদস্যভুক্তি লাভ কৰাৰ পিছৰ সময়ছোৱা উন্নয়নৰ সোপান স্বৰূপ হৈ পৰিছিল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ২০০৫-২০০৬ৰ ২১.৩ বিলিয়ন ডলাৰৰ বহিঃবাণিজ্য ২০১০-১১ত বৃদ্ধি পাইছিল ৫৬.৩ বিলিয়ন ডলাললৈ যিটো কথাই ভাৰতীয় অৰ্থনীতিবিদসকলক এই বাণিজ্যৰ সম্ভাৱনীয়তাৰ ওপৰত অতিকে আগ্ৰহী কৰি তুলিছিল। ২০০৪ত আৰম্ভ কৰা এছিয়ান কাৰ ৰেলীয়ে আৰম্ভ কৰা সম্ভাৱনীয়তাৰ ছীল-মোহৰ মৰাৰ উদ্দেশ্যৰেই দৈনন্দিন ব্যস্ততাক একাষৰীয়া কৰিও দেশৰ তদানীন্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে ২০১২ৰ কাৰ ৰেলীৰ গুৱাহাটীত শুভ উদ্বোধন কৰিছিলহি। পযেকজোৱা এই কাৰ ৰেলীয়ে দক্ষিণ-পূব এছিয়াৰ আঠখন ৰাষ্ট্ৰ ভ্ৰমণ কৰি আমাৰ বহিঃবাণিজ্যৰ দিশলৈ এক নতুন গতিশীলতা আনিবলৈ সক্ষম হৈছিল। কিন্তু পাৰ হৈ যোৱা বছৰকেইটাত অষ্ট লক্ষ্মীৰ ৰাজ্য বুলি বৰ্ণনা কৰিও উত্তৰ-পূৰ্বাঞ্চলক বহিঃবাণিজ্যৰ দিশলৈ কিমানদূৰ আগবঢ়াই দিবলৈ সফল হ'ল তাৰ উৱাদিহ আমি একো দেখিবলৈ পোৱা নাই। যোৱা বছৰকেইটাত অসমৰ বিদায়ী মুখ্যমন্ত্ৰীজনে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ জনগণক উদ্যোগীকৰণৰ পৰা আৰম্ভ কৰি ব্ৰহ্মপুত্ৰ খনন কৰি দুয়োপাৰে ছুপাৰ এক্সপ্ৰেছ হাইৱে নিৰ্মাণ কৰালৈকে বহু সপোন দেখুৱালে যদিও কাৰ্যতঃ কিমানখিনি আগবাঢ়িল তাৰ খতিয়ান আমি বিচাৰি পোৱা নাই। বৰ্তমানৰ মুখ্যমন্ত্ৰীজন কমপক্ষেও ১৫ বছৰৰ ছাত্ৰ ৰাজনীতি আৰু ২০ বছৰৰ মন্ত্ৰিত্বৰ অভিজ্ঞতাৰে পুষ্ট ব্যক্তি বাবে পুনৰবাৰ আমাৰ আশাবোৰে ঠন ধৰি উঠিছে যে হয়তো অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নাম উন্নয়নৰ তালিকাভুক্ত হ'ব পাৰিব।

সন্দেহ নাই— ৪০ নিযুত বাসিন্দাৰ বসতিস্থল উত্তৰ-পূৰ্বাঞ্চলৰ গুৰুত্ব এছিয়ান দেশসমূহৰ মাজত যথেষ্ট আছে আৰু থাকিব। উত্তৰ-পূৰ্বাঞ্চলৰ অন্য এটা সুবিধাজনক দিশ এইটো যে এই অঞ্চলৰ দীঘলীয়া সীমান্তৰ স'তে যুক্ত হৈ আছে চীন-ম্যানমাৰ-বাংলাদেশৰ আদি চুবুৰীয়া ৰাষ্ট্ৰৰ সীমান্ত যিটো আমাৰ অঞ্চলটোৰ বহিঃবাণিজ্যৰ ক্ষেত্ৰত এক ভগৱান প্ৰদত্ত দান বুলিয়ে হয়তো এদিন বিবেচিত হ'ব। মণিৰাম দেৱানে এই সুবিধা গ্ৰহণ কৰিয়ে ব্যৱসায় প্ৰসাৰিত কৰিছিল আফগানিস্তান পৰ্যন্ত। কেনেকৈ সেয়া পাছলৈ কৈছো।

মোদী চৰকাৰে লুক ইষ্ট পলিচিৰ নাম সলালে এক্ট ইষ্ট পলিচিলৈ। পুবলৈ চোৱা নীতি মতে কাম কাৰ্যকৰী কৰিবলৈকে নিশ্চয় আছিল এই পৰিৱৰ্তন। যি সময়ত চীনে সমগ্ৰ পৃথিৱীৰ অৰ্থনীতিত প্ৰভাৱ বিস্তাৰ কৰাৰ বাবে আগ্ৰাসী হৈ পৰিছে সেই সময়ত ভাৰতবৰ্ষই আঞ্চলিক বজাৰসমূহ উপযুক্ত স্থানলৈ লৈ যোৱাৰ যি প্ৰয়াস কৰিছে সেয়া হয়তো কাৰ্যক্ষেত্ৰত পৰিণত কৰাত সিমান কঠিন নহ'ব, যিদৰে চৰকাৰৰ অভ্যন্তৰত থকা এক শক্তিয়ে বৰ্ণনা কৰিবলৈ চেষ্টা কৰে। পুবলৈ চোৱা নীতিয়ে হওক বা হাতে-কামে কৰাৰ আঁচনিয়ে হওক এছিয়ান দেশসমূহৰ সহযোগিতাই উত্তৰ-পূৰ্বাঞ্চল বা অসমৰ অৰ্থনীতিলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব। কিয়নো আমাৰ অতীত পৰ্যবেক্ষণ কৰিলে উৎসাহিত হোৱাৰ কাৰণো নথকা নহয়। কিয় বা কেনেদৰে তাকেই লিখাৰ চেষ্টা কৰিছো।

ইতিহাসৰ পৃষ্ঠাইদি কিছু দূৰ অতীতলৈ ঘূৰি যাব খুজিছো। আহোম শাসন কালত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাটোত যথেষ্ট গুৰুত্ব দিয়া দেখিবলৈ পোৱা গৈছিল। বৃহৎ অসমীয়া জাতি গঢ়োতা ছ্যুকাফাই সাত ৰাজ মাৰি এক ৰাজ কৰিছিল বুলি কোৱা যায়। কাৰ্যক্ষেত্ৰত দেখা যায়, আহোম শাসনতন্ত্ৰত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্তাবোৰক একেখন মঞ্চলৈ আনি বৃহৎ অসমীয়া সমাজ গঢ়া হৈছিল। কিন্তু যিবিলাক অঞ্চল বা ৰাজ্যৰ জাতিসত্তাসমূহৰ পৃথক সংস্কৃতি আছিল সিবিলাকক কৰতলীয়া ৰাজ্য হিচাপে স্বীকৃতি দিয়া হৈছিল আৰু তেওঁলোকৰ সাৰ্বভৌমত্বত আঘাত হনা হোৱা নাছিল। ফলস্বৰূপে অসংখ্য সৰু বৰ ৰাজ্য মিলি সৃষ্টি হৈছিল এখন বৃহৎ অসম। এই ক্ষুদ্ৰ ৰাজ্যসমূহৰ সীমান্তৰ কেতবোৰ সুবিধাজনক স্থান আছিল কাষৰীয়া ৰাষ্ট্ৰলৈ যাতায়াতৰ দ্বাৰ। উদাহৰণ স্বৰূপে বেংমৰা (আজিৰ তিনিচুকীয়া) ৰাজ্যৰ পৰা তিব্বত আৰু চীনলৈ আহ-যাহ কৰিব পৰা পাঁচখন দুৱাৰ আছিল। এইবোৰ হ'ল ঃ শদিয়াৰ সীমান্তইদি দিবং দুৱাৰ, মিচিমি ৰাজ্যৰ মাজেদি মিচিমি দুৱাৰ, হিমালয়ৰ কাষৰীয়া পথেৰে ফুনগান গিৰিপথ দুৱাৰ, মণিপুৰ ৰাজ্যৰ মাজেদি ইৰাৱতী উপত্যকালৈ যাব পৰা মোৰে দুৱাৰ আৰু পাটকাই গিৰিপথৰ মাজেদি আছিল মানমৌ দুৱাৰ। এই মানমৌ দুৱাৰেদি ওলাই গৈ পাছলৈ ষ্টিলৱেল ৰ'ড ৰেংগুনপৰ্ট পৰ্যন্ত আগবাঢ়ি গৈছিল। এই পাটকাই গিৰিপথৰ দুৱাৰেদি যোৱা পথ আছিল ব্যৱসায়ীসকলৰ বাবে সুগম পথ। ছ্যুকাফা এই গিৰিপথেদিয়েই অসমলৈ আহিছিল। এই পথেদিয়েই মান বা বাৰ্মিজ সৈন্য আহি ছ্যুকাফাই প্ৰতিষ্ঠা কৰা আহোম সাম্ৰাজ্যৰ বেলি মাৰ নিয়াইছিলহি। সন্দেহ নাই—আভ্যন্তৰীণ কন্দলৰ বাবে আৰু একাংশ ঘৰ বিভীষণৰ বিশ্বাসঘাতকতাৰ বাবেই শত্ৰু সৈন্য আহি অসমত প্ৰৱেশ কৰিছিল। আভ্যন্তৰীণ নিৰাপত্তা শক্তিশালী হ'লে কোনো বিদেশীৰ অনুপ্ৰৱেশ সম্ভৱ নহয়। উদাহৰণ স্বৰূপে ব্ৰিটিছে ষ্টিলৱেল পথ সাজি অসমৰ সীমান্ত ৰেংগুন পৰ্ট পৰ্যন্ত প্ৰসাৰিত কৰিছিলহি যদিও অসমৰ তথা ভাৰতবৰ্ষৰ সাৰ্বভৌমত্বত আঘাত হানিবলৈ কোনো চুবুৰীয়া ৰাষ্ট্ৰই সাহস কৰা নাছিল। আনহাতে, ভাৰতৰ আভ্যন্তৰীণ অস্থিৰতাৰ সুযোগ গ্ৰহণ কৰি ১৯৬২ত চীনে ভাৰত আক্ৰমণ কৰিছিল।

মিনহাজ-উ-চিৰাজৰ তবাকৎ-নাছিৰি পুথিত উল্লেখ আছে যে কামৰূপ আৰু তিব্বতৰ মাজত মুঠ ৩৫টা গিৰিপথ আছে। লেফটেনেণ্ট ৰাডাৰ ফৰ্ডে লিখি গৈছে যে ভাস্কৰ বৰ্মাৰ দিনৰ পৰাই ভূটান আৰু তিব্বত (লাছা)ৰ ব্যৱসায়ীসকলে অসমৰ স'তে প্ৰচুৰ বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰি চলিছিল। লাছাৰ পৰা অসমৰ পিনে দুমাহ খোজ কাঢ়ি আহিলেই চৌনাহাট নামৰ এখন সৰু ঠাই পায়। সেই ঠাইৰ পৰা পাঁচমাইলমান দক্ষিণে জীগনচুৰ নামৰ ঠাইত এখন হাট বহিছিল। অসমৰ পিনৰ পৰা বেপাৰীসকলে ভূটান সীমান্তৰ পৰা ১৫দিন খোজ কাঢ়ি গৈ জীগনচুৰ হাট পাইছিলগৈ। এই বৃহৎ হাটখনত লাছাৰ বেপাৰীসকলে কাঁহ-পিতল-সোণ-পৰ্বতীয়া লোণ আদি লক্ষাধিক টকাৰ সামগ্ৰীৰ পোহাৰ মেলি দিছিলহি। একেদৰে অসমৰ বেপাৰীসকলে জীগনচুৰ হাতত মেলি দিছিলগৈ। পাট-মূগা, এৰীকাপোৰ, ম'হৰ শিং, লা আৰু দা-কুঠাৰ, কটাৰী আদি।

মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ১৮০৯ খ্ৰীষ্টাব্দত অসমৰ বেপাৰী ভূটান হৈ কাবুল পৰ্যন্ত গৈ বেহা কৰিছিল। অসমৰ সামগ্ৰীৰ কাবুলৰ বজাৰত বিশেষ কদৰ আছিল কিয়নো কাবুলৰ বেপাৰীয়ে সেয়া নি গুজৰাটত লাভজনক ব্যৱসায় কৰিছিল। এই সামগ্ৰীৰে আকৌ গুজৰাটীসকলে ইউৰোপৰ চুকে-কোণে বৃহৎ ব্যৱসায় গঢ়ি তুলিছিলগৈ। লেঃ টেডাৰ্নিয়াৰে অসমৰ কাপোৰ আৰু লা সৰ্বোৎকৃষ্ট বুলি লিখি গৈছে। জাপান আছিল অসমৰ লাৰ সৰ্বশ্ৰেষ্ঠ খৰিদ্দাৰ। ফ্ৰেন্সিচ বুচানন হেমিল্টনৰ লেখনিতো অসমৰ পৰা প্ৰাচ্যৰ বৃহৎ বাণিজ্যিক লেনদেন গঢ়ি উঠাৰ বিষয়ে আভাস পোৱা যায়। মণিৰাম দেৱানে অসমৰ সামগ্ৰীৰ এক বৃহৎ বজাৰ দক্ষিণ-এছিয়াৰ দেশবিলাকত মুকলি কৰি দিছিলগৈ। ভূটান-তিব্বত-চীন-ব্ৰহ্মদেশৰ স'তে বাণিজ্যিক পথবিলাকত দুৱাৰ পাতি মণিৰাম দেৱানে পুনৰবাৰ চকীয়াল বৰুৱাৰ পদ সৃষ্টি কৰি পাহোৱাল অসমীয়া ডেকাহঁতক সংস্থাপিত কৰিছিল। প্ৰত্যেকখন দুৱাৰ বা চকীৰ পৰা দুৱৰীয়া বৰুৱাই কৰ-কাটল সংগ্ৰহ কৰি আহোম ৰাজকোষত জমা দিব লাগিছিল। কান্দাহাৰ বা হাদিৰা চকীৰ দুৱৰীয়া বৰুৱাই বাৰ্ষিক ৯০ হেজাৰকৈ টকা বৰফুকনক আদায় দিছিল যদিও বৰফুকনে ২৬ হেজাৰমান টকাকৈহে ৰাজকোষলৈ পঠাইছিল বুলি গেইট চাহাবে তেওঁৰ বুৰঞ্জীত উল্লেখ কৰি গৈছে।

অসমৰ জীৱ-জন্তু, চৰাই-চিৰিকতিৰ পৰা তৰোৱাল-যাঠী-মছলা-মজাঠি, অনকা-কাপোৰ-কপাহী কম্বল, মিচিমি তিতা-জালুক-কপাহ-থেকেৰা-মখমল-মুকুতা ঘিঁ-চেনি-হাতীদাঁত-ম'হৰ শিং, কস্তুৰি আৰু বিশেষকৈ পাট-মুগা-এৰী কাপোৰ আদিৰে সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ বজাৰসমূহ ভৰি পৰিছিল আৰু বৃহৎ ব্যৱসায় গঢ়ি উঠিছিল। সেই বাবেই কোৱা হয়—স্বাধীনতাৰ প্ৰাক্‌মুহূৰ্তলৈকে অসম আছিল এখন ধনী ৰাজ্য কিন্তু স্বাধীনতাৰ পাছৰ পৰাই অসমৰ উন্নয়ন স্থৱিৰ হৈ ৰ'ল আৰু ক্ৰমান্বয়ে বিশ্বত পৰিচিতি লাভ কৰিলে কেৱল আন্দোলনত ৰাজ্য হিচাপে।

দীৰ্ঘদিন ধৰি আমি হাতৰটো এৰি পৰৰটোলৈ তথা লাগি চাই থকাৰ পৰাই অসমৰ বহিঃবাণিজ্য স্থৱিৰ হৈ পৰিল।

*ফোন ঃ ৯৯৫৪০৬৯৯৫৫*

---

# ভাষা-সাহিত্যৰ অন্যতম কাণ্ডাৰী

## লক্ষীকান্ত ফেনানলৈ শ্ৰদ্ধাঞ্জলি



### বিশ্বনাথ ৰাভা তাৰা

**কেতিয়াবা** একো গৰাকী স্ৰষ্টা আৰু সাধকে ভাষা-সাহিত্যৰ বিকাশত গুৰি ধৰিবলগীয়া হয়। ৰাভা ভাষা-সাহিত্যৰ বিকাশ আৰু প্ৰসাৰৰ দিশত ষাঠি দশকৰ পৰাই যিসকল সাহিত্যসেৱীয়ে অৰিহণা যোগাইছে সেইসকলৰ মাজত লক্ষীকান্ত ফেনান অন্যতম। তেওঁ ৰাভা ভাষা-সাহিত্য প্ৰতিষ্ঠা আৰু প্ৰসাৰণ সাধন কৰাত যি অৱদান আগবঢ়ালে সেয়া অতুলনীয়।

ৰাভা আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা প্ৰচাৰবিমুখ সাহিত্যিক গৰাকীয়ে হ'ল লক্ষীকান্ত ফেনান। গোৱালপাৰা জিলাৰ 1নং বৰঝৰা নামাপাৰা নামৰ এখন পিছপৰা গাঁৱৰ সাধাৰণ এটা পৰিয়ালত জন্মগ্ৰহণ কৰি গাঁৱৰ ধূলি-বালি বোকা-পানীৰ মাজত ডাঙৰ দীঘল হৈ সমাজ সেৱকৰ ৰূপত অগ্ৰণী ভূমিকা লয়। তেওঁ বহু প্ৰত্যাহ্বান নেওচি বিশেষকৈ ৰাভা জনগোষ্ঠীয় ভাষা-সাহিত্য-সংস্কৃতিক বিশ্বদৰবাৰলৈ আগুৱাই নিয়াৰ উপৰি স্ব-বৈশিষ্ট্য বৰ্তাই ৰখাৰ বাবে নিৰন্তৰ আমৃত্যু প্ৰচেষ্টা অব্যাহত ৰাখি সফলতা অৰ্জন কৰা এগৰাকী বিশিষ্ট সাহিত্যিক। 1941 চনৰ 15 জানুৱাৰীত 1নং বৰঝৰা নামাপাৰা গাঁৱত জন্ম লাভ কৰা ফেনানৰ পিতৃ-মাতৃৰ নাম হাৰাই ৰাম ৰাভা (ৰাদুং) আৰু খান্দালী (খীৰতি) ৰাভা (ফেনাং)। তেওঁ গাঁৱৰ প্ৰাথমিক স্কুলত শিক্ষা সমাপ্ত কৰাৰ পাছত দ্বাৰকা গজাপাৰা মজলীয়া বিদ্যালয়ত অধ্যয়ন কৰে আৰু পিছত খৰমুজা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হয়। ঠিক তেনেতে ঘৰুৱা অসুবিধাৰ বাবে পঢ়া জীৱন সামৰি নিজৰ কৃষি ভূমিত খেতি কৰাৰ সমস্ত দায়িত্ব ল'ব লগা হয়। আনকি পৰিয়াল পৰিচালনাৰ দায়িত্বও কান্ধ পাতি লয়। এনেদৰে কৃষিকাৰ্যৰে কৃষিপথাৰ জীপাল কৰি ৰাখি তেওঁ নিজকে খেতিয়ক হিচাপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হয়।

বঁটা-বাহন, যশ আদিৰ পৰা বহু নিলগত থাকি এচাম লোকে কাম কৰাৰ বাবেই সমাজখন সুস্থভাৱে বৰ্তি থকা কথা সৰ্বজনবিদিত। এনে নিঃস্বাৰ্থভাৱে কাম কৰি ভাল পোৱা সমাজসেৱীসকলৰ তালিকাত তেওঁৰ নাম উল্লেখনীয়। তেওঁ দ্বাৰকা গাওঁ পঞ্চায়তৰ সম্পাদক (1957) ৰ দায়িত্ব প্ৰাপ্তিৰ জৰিয়তে সামাজিক ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত হৈ পৰে। এয়াই তেওঁৰ কৰ্মজীৱনৰ পাতনি। নদীয়াপাৰা প্ৰাথমিক বিদ্যালয়ত (1961) শিক্ষকতাৰ দৰে এটা পৱিত্ৰ বৃত্তিত জড়িত হৈ শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰত অধিক গুৰুত্ব দিয়া বাবে তেওঁ সকলোৰে শ্ৰদ্ধা বুটলিবলৈ সক্ষম হৈছিল। তেওঁ দ্বাৰকা গাওঁ পঞ্চায়তৰ সভাপতি পদ অলংকৃত কৰে 1969ত। 1971ত গঠিত মেছপাৰা পূৰ্বাঞ্চল ৰাভা সমাজৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক, পাছলৈ হিচাপ পৰীক্ষক আৰু উপদেষ্টা পদ অলংকৃত কৰে। আনকি মেছপাৰা পূৰ্বাঞ্চল ৰাভা সমাজ পৰিচালনাৰ্থে প্ৰণয়ন কৰা বিধিলিপিখন সংশোধনৰ বাবে গঠিত তিনিজনীয়া 'সংশোধনী সমিতি' ৰ সদস্য হিচাপে দায়িত্ব ভাৰ লৈ বিধিলিপিখনৰ দ্বিতীয় সংস্কৰণ (1985) প্ৰকাশ কৰে। ইয়াৰোপৰি বৰদামাল বৃহৎ সমবায় সমিতি লিমিটেডৰ সদস্য (1972), 1 নং বৰঝৰা-নদীয়াপাৰা গাঁৱৰ 'সাৰ্বজনীন বায়খো মহোৎসৱ (মেলা) কমিটি'ৰ প্ৰতিষ্ঠাপক সম্পাদক, দুধনৈস্থিত ৰাভা ভাষা পৰিষদৰ সদস্য (1983), দেবেন্দ্ৰ চলচিত্ৰ প্ৰতিষ্ঠানে (গুৱাহাটী ডকুমেণ্টৰী ফিল্ম) বায়খো সম্পৰ্কে গ্ৰহণ কৰা চলচিত্ৰত আৰ্টিষ্ট হিচাপে যোগদান (1986), ৰাভা হাছং সুৰক্ষা কমিটি, দ্বাৰকা আঞ্চলিক কমিটিৰ প্ৰতিষ্ঠাপক সদস্য (2000] আৰু গোৱালপাৰা জিলা ট্ৰাইবেল সংঘৰ হিচাপ নিৰীক্ষক (2000) ইত্যাদি বহু সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। তেওঁ অসম সাহিত্য সভাৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত হৈ আজীৱন সভ্য (2016) হৈছিল। এইগৰাকী মহান ব্যক্তিয়ে সমাজ জীৱনলৈ এনেদৰে বৰঙণি আগবঢ়াই সৎ-সামাকি ব্যক্তিৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে।

ছাত্ৰ অৱস্থাৰ পৰাই লেখা-মেলা আৰম্ভ কৰা ফেনানে অন্যান্য কাম-কাজৰ সমান্তৰালকৈ সাহিত্য চৰ্চাতো আগৰণুৱা আছিল। অতি নিৰ্জু প্ৰকৃতিৰ সাধুসন্ত লোকৰূপে সমাজত তেওঁৰ স্থান। নিজকে সাধাৰণ লোক বুলি ভাবিলেও তেওঁ যে প্ৰকৃততে এজন অসাধাৰণ গুণসম্পন্ন ব্যক্তি আছিল সেয়া তেওঁৰ কৰ্মৰাজীয়ে প্ৰতিপন্ন কৰিছে। এইগৰাকী নিতান্তই প্ৰচাৰবিমুখ তথা নীৰৱ সাহিত্যকৰ্মীয়ে প্ৰণালীবদ্ধ অধ্যয়ন, নীৰৱ সাধনা আৰু কঠোৰ তপস্যাৰে ৰচিত কাব্যগ্ৰন্থ 'ৰন্দনা-চন্দনা' (1963) খন ৰাভা কাব্য সাহিত্যৰ ইতিহাসত এক অনুপম সংযোজন। তেওঁ মাত্ৰ 13 বছৰ বয়সতে ৰাভা কিম্বদন্তী 'ৰন্দনা-চন্দনা'ৰ পটভূমিত দহ অক্ষৰীয় অন্ত্যানুপ্ৰাস ছন্দত কাব্যখনি ৰচনা কৰি অসাধাৰণ গুণৰ পৰিচয় দিয়াৰ লগতে জনমানসত বিখ্যাত হৈ পৰে। উল্লেখযোগ্য যে 1963তে প্ৰকাশিত 'ৰন্দনা-চন্দনা' কাব্যখনি দুধনৈস্থিত ৰাভা ভাষা পৰিষদৰ দ্বাৰা পৰিচালিত 'বিশাৰদ' (মুংছ্ৰাংছিনি) পৰীক্ষাৰ বাবে অনুমোদন লাভ কৰিছিল।

বাতৰি কাকত, আলোচনী, স্মৃতিগ্ৰন্থ আৰু মুখপত্ৰ আদিত তেওঁৰ বিভিন্ন লেখা প্ৰকাশ হোৱাৰ উপৰি পোন্ধৰখন গ্ৰন্থ প্ৰণয়ন কৰি ৰাভা আৰু অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। প্ৰণিধানযোগ্য যে গোৱালপাৰাৰ আৰ.এন.পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত ৰাভাসকলৰ একমাত্ৰ পযেকীয়া বাৰ্তালোচনী 'চিঙি খুৰাং'ৰ (অধুনালুপ্ত) শিশু শিতান 'মইনাৰঙি খুৰাং' তেওঁৰেই 'জুজু' ৰূপে অতি নিষ্ঠা সহকাৰে পৰিচালনা কৰিছিল। লেখকৰ ছন্দ, আলংকাৰিক ভাষাৰ এক সন্মোহনী শক্তি আছে, যিয়ে নেকি প্ৰলুব্ধ পাঠকক চুম্বকৰ দৰে আকৰ্ষণ কৰিবলৈ সক্ষম হয়। নিজৰ তথ্যসমৃদ্ধ লেখাৰে তেওঁ যে কাহানিবাই ৰাভা সমাজ জীৱনত এক সুকীয়া পৰিচয় দিবলৈ সক্ষম হৈছে সেয়া ধ্ৰুৱপ। লক্ষীকান্ত ফেনানৰ অন্যান্য প্ৰকাশিত গ্ৰন্থ কেইখন হ'ল— (1) শ্ৰীশ্ৰীমা বায়খো দেৱী (2003), (2) জিনাৰিনি দুখ-শান্তি, (3) ছিৰিবাদি আয়া বায়খোনা চায় আৰদিকায় আৰো উৰ্গি পালিকায় (2008), (4) খছংবা ৰাভা ৰাজা পৰশুৰামনি ৰাছংফাং (2006), (5) জুজু-বুদিনি ছাস্তাৰ (2009], (6) বায়খো উৎসৱ (দেৱানজা), (7) ৰাভা জাতিৰ সংজ্ঞা আৰু ভাষা উদ্ভৱৰ চমু ঐতিহ্য (2013), (8) বুবুৰেঙা আৰু কাঢ়ানল, (9) বিহু হুঁচৰিৰ মূল হৈমাৰু বায়খু আৰু কাতিপূজাৰ ইতিবৃত্ত, (10) কচ্ছপ ৰাজ ভূমুকনিত ৰংগ্ৰেং ঝৰনা ঘাটৰ প্ৰাচীন শিলাঢিপ, (11) ৰংখবকবা পাহাৰ শিলাস্তম্ভত চালাং পক্ষী, (12) ছাটাবাৰী - চায়হাচু আৰো ফেদাৰডোবা আদ্যামপুৰঙি চুং-ৰাছংমান্দি আফে-ভাণ্টা ছোং (2015-16), (13) ঈশ্বৰ, মানুহ আৰু ভাষা প্ৰসংগ (2019) আৰু (14) বিশ্ব মানৱীয়তা দৰবাৰত জনগণৰ আৰু কিমান খোজ ? কিছু চিন্তনীয় আঁৰৰ কথা (2019) ইত্যাদি।

আনহাতে লক্ষীকান্ত ফেনানৰ অপ্ৰকাশিত পাণ্ডুলিপি অৱস্থাত থকা গ্ৰন্থকেইখন হ'ল - (1) ফেনান আৰু চুচুং বাৰায় (হুৰি তত্ব), (2) ৰন্দনা-চন্দনা (চিত্ৰ-নাট্য), (3) নিৰমনি-নিৰজনি (কাৰণ্য বনচাৰীনি), (4) ওমৰ খায়াম (অনুবাদ), (5) ৰাভা ভাষা উদ্ভৱ কথন ভংগীৰ মাধুৰ্য আৰু সম্বন্ধ বাৰায়-হুৰি (চমু গৱেষণা পত্ৰ), (6) চমু জীৱ-জগত আৰু পাৰ্থিৱ সংসাৰত সাম্প্ৰতিক সমাজতন্ত্ৰ (পৰ্যালোচনা), (7) আদ্যামপুৰঙি বায়-ছায় আৰো আদত ৰাভা ৰাছিনি খছংবা মুংথাপ, (8) এশটা ৰংগীন ফুলৰ সুৰভি (ৰাভা-অসমীয়া কবিতা), (9) ৰাভাসকলৰ পিতৃত্ব বংশৰ পূৰ্বপুৰুষ আৰু মাতৃত্ব সূত্ৰীয় জাত-মাহাৰি প্ৰধান, (10) আন্তৰ্জাতিক দৰবাৰৰ সিংহতোৰণ দ্বাৰ আৰু দেৱতাত্মা গুৱাহাটী মহানগৰী (সম্ভেদ), (11) জিনাৰি আৰু জিঞ্জিৰাম নৈৰ প্ৰহেলিকা, (12) গংগা-যমুনা-সৰস্বতী (ত্ৰিবেণী সংগম), [13) ৰাভা লোক-সংস্কৃতিৰ উদ্ভৱৰ চমু ঐতিহ্য আৰু (14) অখণ্ড জগত দক্ষিণ-পূৰ এছিয়া ভূ-খণ্ডৰ ধূমায়িত অগ্নিময় (সম্পা.) আদি।

ফেনানৰ সাহিত্য কৃতিয়ে তেওঁলৈ বঁটা-বাহনো কঢ়িয়াই আনে। তেওঁ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদে প্ৰতি বছৰে প্ৰদান কৰি অহা 'ৰাজেন ৰাভা সোঁৱৰণী সাহিত্যিক বঁটা' [2013-14] লাভ কৰে। অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সহযোগত গোৱালপাৰা জিলাৰ ৰংজুলিত উদ্‌যাপিত 'বিষ্ণুৰাভা দিৱস'ত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সম্বৰ্ধনা (2019) জ্ঞাপন কৰে। ইয়াৰোপৰি বেবাক ৰাভা ক্ৰৌৰাং ৰুন্চুম (2015), অসম সাহিত্য সভা (2016), দূৰদৰ্শন কেন্দ্ৰ, গুৱাহাটী (2014) আৰু শ্ৰী শ্ৰী ৰিছি আশ্ৰিত বায়খো মেলা, 1নং বৰঝৰা নদীয়াপাৰা আদি অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা সম্বৰ্ধনা লাভ কৰে। উল্লেখযোগ্য 2019ত 'ঈশ্বৰ, মানুহ আৰু ভাষা প্ৰসঙ্গ' গ্ৰন্থ প্ৰকাশৰ বাবে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ পৰা আৰ্থিক সাহাৰ্য্যও লাভ কৰিছিল।

অতি সহজ-সৰল স্বভাৱৰ লক্ষীকান্ত ফেনানে সাহিত্য ৰচনা সহজভাৱেই সম্পন্ন কৰিছিল। তেওঁ নীৰৱে লিখা-মেলা কৰি ৰাভা আৰু অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল। লিখা-মেলা কৰা তেওঁৰ নিয়মিত অভ্যাসত পৰিণত হৈছিল আৰু এখনৰ সমাপ্তিৰ পিছত আন এখন কিতাপ লিখাৰো পৰিকল্পনা কৰিছিল। তেওঁৰ গ্ৰন্থসমূহ আমাৰ ভাষা-সাহিত্যৰ একো একোটা উৎকৃষ্ট সমল। বিশেষকৈ নৱপ্ৰজন্মৰ বাবে এইবোৰ এক দলিল। গতিকে তেওঁৰ পুথিসমূহ সকলোৱে অধ্যয়ন কৰাটো প্ৰয়োজনীয়। তেতিয়াহে তেওঁৰ মানসিক, কায়িক আৰু আৰ্থিক শ্ৰম সাৰ্থক হ'ব বুলি আশা কৰিব পাৰি। জীৱনৰ অন্তিম সময়লৈ সাহিত্য সৃষ্টিৰ জৰিয়তে ৰাভা ভাষা-সাহিত্যৰ ভঁৰাললৈ অনবদ্য বৰঙণি আগবঢ়াই লক্ষীকান্ত ফেনানে যোৱা 13মে',2021 তাৰিখে 1 নং বৰঝৰা নামাপাৰা গাঁৱৰ নিজ বাসগৃহত বাৰ্দ্ধক্যজনিত কাৰণত শেষ নিশ্বাস ত্যাগ কৰে। এইদৰে আমি হেৰুৱালো এগৰাকী সৎ-নিষ্ঠাৱান আৰু একনিষ্ঠ ৰাভা ভাষা-সাহিত্যৰ স্ৰষ্টাক।

*ফোন ঃ 98544-65227*

---

# পিতৃ-মাতৃয়ে সন্তানৰ জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰাটো উচিতনে?



বিশ্লেষণ

মানসী মিশ্ৰ

**সন্তানৰ** প্ৰতি মৰম-স্নেহ প্ৰতিগৰাকী পিতৃ-মাতৃৰ এক চিৰন্তন অনুভূতি। সন্তানে মাতৃগৰ্ভত স্থিতি লোৱাৰ পৰাই যেন মাতৃগৰাকীয়ে এক গভীৰ দায়িত্ববোধ অনুভৱ কৰে নিজৰ অন্তৰত ঠিক তেনেদৰে সন্তানটো জন্ম হোৱাৰ দিনৰ পৰা তুলি-তালি ডাঙৰ কৰাকে ধৰি সাবালক পৰ্যায় পোৱালৈকে প্ৰতিগৰাকী পিতৃ-মাতৃয়ে সন্তানটোৰ লগত ছাঁটোৰ দৰে থাকি তদাৰক কৰি যাব। পঢ়া-শুনা কৰাই এক কৰ্মসংস্থাপন পোৱালৈকে সন্তানসকলৰ প্ৰতি মাক-দেউতাকৰ বহু দায়িত্ব আছে বুলি প্ৰতিগৰাকী পিতৃ-মাতৃয়ে ভাবি লয়। পিতৃ-মাতৃৰ মৰম, আপডাল, উমাল সান্নিধ্যত ডাঙৰ হোৱা সন্তানসকলেও এইখিনি মৰম-স্নেহ, তদাৰক নিশ্চিতভাৱেই বিচাৰে। এই মৰম-যত্ন, আপডালৰ মাজতেই সন্তানসকল ক'ব নোৱাৰাকৈয়ে ডাঙৰ হৈ আহে আৰু জীৱনৰ বেলেগ বেলেগ পৰ্যায়ত উপনীত হয়। এই বিভিন্ন পৰ্যায়ত তেওঁলোকৰ বেলেগ বেলেগ ধৰণৰ বিকাশ সম্পূৰ্ণ হয়। শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক বিকাশ সম্পূৰ্ণ হয়। অৰ্থাৎ একেবাৰে সহজ-সৰলভাৱে ক'বলৈ গ'লে প্ৰতিটো সন্তানৰে নিজৰ নিজৰ ব্যক্তিত্বৰ বিকাশ সাধন হৈ থাকে। শৈশৱ কালটো অৱশ্যে ভাবলেশহীন, মধুৰ সময়। কল্পনাৰ বালিঘৰ সাজি নিজৰ জগতখনতে প্ৰতিটো ল'ৰা-ছোৱালীয়ে সময় পাৰ কৰে। এই সময়খিনিত সন্তানসকলে মাক-দেউতাকৰ মৰম-সাহচৰ্যৰ মাজত থাকিবলৈ বিচাৰে।

জীৱনৰ প্ৰায় প্ৰতিটো কামতেই তেওঁলোকৰ বাবে পিতৃ-মাতৃ, অভিভাৱকৰ সহায়ৰ প্ৰয়োজন হয়।

জীৱনৰ দ্বিতীয় পৰ্যায়টোৱে হৈছে কৈশোৰ কাল, এইছোৱা সময়কে জীৱন গঢ়াৰ এক গুৰুত্বপূৰ্ণ সময় বুলি ধৰা হয়। এই সময়ছোৱাৰ ভিতৰতে প্ৰতিটো সন্তানৰে বহুতো শাৰীৰিক, মানসিক বিকাশ সাধন হয় আৰু কেতবোৰ স্বকীয় বৈশিষ্ট্যও পৰিলক্ষিত হয় এই কৈশোৰ কালছোৱাত। এই সময়ছোৱাতেই সন্তানসকল কিছু স্বাধীনচিতীয়া হ'বলৈ বিচাৰে, নিজৰ দৈনন্দিন জীৱনৰ বহু কাম আনৰ সহায় নোলোৱাকৈ কৰিবলৈ বিচাৰে। ভাল লগা, বেয়া লগা, ৰুচি-অভিৰুচি ইত্যাদি অনুভূতিসমূহৰো বিকাশ হ'বলৈ বিচাৰে। নিজৰ মনে বিচৰা বন্ধুৰ লগত স্বাধীনমনে কিছু সময় কটাবলৈ বিচাৰে। এই সময়ছোৱাৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল যে প্ৰায়ভাগ ল'ৰা-ছোৱালীয়ে এই সময়ছোৱাৰ ভিতৰতেই নিজৰ জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ বিচাৰে। নিজৰ ৰুচি-অভিৰুচিৰ কথাসমূহে এই সময়ছোৱাত প্ৰাধান্য লাভ কৰে। এই সময়ছোৱাৰ ভিতৰতে ল'ৰা-ছোৱালীয়ে উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক ইত্যাদি গুৰুত্বপূৰ্ণ পৰীক্ষাত অৱতীৰ্ণ হয়। এই পৰীক্ষাসমূহত উত্তীৰ্ণ হোৱাৰ লগতে জীৱনৰ বিভিন্ন ধৰণৰ বৃত্তি নিৰ্ধাৰণ কৰিব পৰা পাঠ্যক্ৰমত তেওঁলোকে নামভৰ্তি কৰিবলগীয়া হয়। এই সময়ছোৱাতে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু জটিল প্ৰশ্নটো আহি পৰে যে এই সন্তানসকলৰ নিজৰ জীৱনৰ লক্ষ্য তেওঁলোকে নিজে বাছনি কৰিব নে অভিভাৱকসকলেহে সন্তানসকলৰ জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিব? এই বিষয়টো আজিৰ সমাজ ব্যৱস্থাত প্ৰায়বোৰ পৰিয়ালতে এক জটিল বিষয় হৈ পৰিছে। বহু সময়ত এই বিষয়টোৱে অভিভাৱক, সন্তান উভয়কে জুৰুলা কৰে। সাধাৰণতে এই প্ৰক্ৰিয়াটো আৰম্ভ হয় ল'ৰা-ছোৱালীয়ে মেট্ৰিক অৰ্থাৎ উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা সময়তে সন্তানসকলে উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চতৰ মাধ্যমিক শাখাত কোনটো বিভাগ/শাখা বাছনি কৰিব, সেইটো বাৰু কোনে নিৰ্ধাৰণ কৰা উচিত? নিশ্চয় সন্তানসকলে; কিন্তু বহু বছৰৰ পৰাই এই ক্ষেত্ৰত আমাৰ সমাজত এক ওলোটা প্ৰতিচ্ছবি দেখা গৈছে। অভিভাৱকসকলেহে মূলতঃ এই ক্ষেত্ৰত আগভাগ লোৱা দেখা গৈছে। সন্তানে যদি উচ্চ হাৰত নম্বৰ লাভ কৰি মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়, তেন্তে বিজ্ঞান শাখাত ভৰ্তি হ'বলৈ লাগিব। ছাত্ৰজনৰ যদি নিজৰ কলা শাখাত অধ্যয়ন কৰাৰো প্ৰৱল হাবিয়াস থাকে, তথাপি অভিভাৱকৰ ইচ্ছাই প্ৰাধান্য লাভ কৰাৰ বাবে অনিচ্ছা সত্বেও বিজ্ঞান শাখাত অধ্যয়ন কৰিবলগীয়া হয়। ফলস্বৰূপে পৰৱৰ্তী পৰ্যায়ত সন্তানে কেতিয়াবা আশানুৰূপ ফল দেখুৱাব নোৱাৰে।

কেৱল পৰীক্ষাত উচ্চ হাৰত পোৱা কেইটামান নম্বৰেই মানুহজনৰ জীৱনটো জুখি চোৱাৰ মূল আহিলা হ'ব নালাগে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ ইচ্ছা-অনিচ্ছাটো তাতোকৈ অধিক গুৰুত্বপূৰ্ণ। অধ্যয়ন ছাত্ৰ-ছাত্ৰীসকলেহে নিজে কৰিব, মাক-দেউতাকে নকৰে সেইবাবে ল'ৰা-ছোৱালীৰ ইচ্ছাইহে প্ৰথম গুৰুত্ব পোৱা উচিত।

ঠিক একেদৰে জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য। পেছাগত জীৱনটোৰ বাবে কোনটো বৃত্তি নিৰ্বাচন কৰিব, সেইটো ছাত্ৰ-ছাত্ৰীৰ নিজৰ মতৰ ওপৰত, ইচ্ছাৰ ওপৰত ভিত্তি কৰি হ'বলৈ সুযোগ দিব লাগে; কিন্তু বৰ্তমানৰ সমাজ ব্যৱস্থাত অধিক সংখ্যক পৰিয়ালতে অভিভাৱকসকলেহে অত্যধিক আগভাগ লোৱা দেখা গৈছে। অধিকাংশই নিজৰ সন্তানটোৱে চিকিৎসা, অভিযান্ত্ৰিক বৃত্তিকে নিৰ্বাচন কৰাটো বিচাৰে আৰু সেয়া নহ'লে তেওঁলোকৰ সন্তানসকল, ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰৰ অসামৰিক সেৱাৰ বিষয় হোৱাটো মনে-প্ৰাণে বিচাৰে। বৰ্তমান সময়ত এয়া মানুহৰ মাজত এক প্ৰচলিত ধ্যান-ধাৰণাৰ দৰে হ'ল যে উপৰোক্ত বৃত্তিসমূহ গ্ৰহণ কৰিলে যেন মানুহ মানুহেই নহয়। কিন্তু মানুহে কি শিক্ষকতা কৰিব নোৱাৰে নেকি, ওকালতি কৰিব নোৱাৰে নেকি, সাংবাদিক, লেখক, সংগীতজ্ঞ আদিৰ দৰে বৃত্তি গ্ৰহণ কৰিব নোৱাৰে নেকি? মানুহে এজন আদৰ্শ খেতিয়ক, এজন ব্যৱসায়ী হ'ব নোৱাৰে নেকি? নিশ্চয় পাৰে; কিন্তু মানুহৰ মনত এনেবোৰ বৃত্তিৰ প্ৰতি কিয় নীচাত্মিকতাবোধৰ ভাব, কিয় হীনমন্যতা? ইয়াৰ ফলতে চাকৰি ল'বৰ বাবেই বহু বছৰ আগতেই আমাৰ ৰাজ্যত এখন ক'লা বজাৰ বহিল। লাখ লাখ টকাৰ বিনিময়ত চাকৰি বেচা-কিনা হয়। যিসকলে ধনবল, বাহুবলেৰে পাৰিছে, তেওঁলোকে লৈছে আৰু যিসকলে অত্যন্ত মেধা থকাৰ পাছতো ধনবল, বাহুবল, কোনো ৰাজনৈতিক দলৰ আশিসধন্য নহয় তেওঁলোক বহু সময়ত বঞ্চিত হৈ আহিছে। চাকৰিৰ সমান্তৰালভাৱে কিছু বছৰৰ পৰা বিভিন্ন পাঠ্যক্ৰমৰ আসন কিনা-বেচা প্ৰক্ৰিয়া আৰম্ভ হ'ল। এই প্ৰক্ৰিয়া সুচল কৰি তোলাত সহায় কৰিছে এচাম অভিভাৱকে নিজেই। ২০ লাখ, ৩০ লাখ টকা দি অনায়াসে বিভিন্ন পাঠ্যক্ৰমৰ আসন ক্ৰয় কৰাটো এতিয়া আমাৰ সমাজত সহজ কথা হৈ পৰিছে। ইয়াৰ ফলত সমগ্ৰ সমাজখনতে এক বিশৃংখল পৰিৱেশৰ সৃষ্টি হ'ল। আসন কিনা-বেচা, চাকৰি কিনা-বেচা হোৱাৰ লগে লগে এচাম ল'ৰা-ছোৱালীৰ মেধা থকাৰ পাছতো এই পাঠ্যক্ৰমসমূহ অধ্যয়ন কৰাৰ পৰা বঞ্চিত হ'ল। এই সমূহ বিশৃংখল ব্যৱস্থাৰ লগতে সমাজখনৰ একাংশৰ অসুস্থ চিন্তাধাৰাৰ বাবেই প্ৰতিটো বৰ্ষতেই একোটা পৰীক্ষা বিশেষকৈ প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছত বহু আত্মহননৰ ঘটনা ঘটা দেখিবলৈ পোৱা গৈছে। আশাপ্ৰদ ফল দেখুৱাব নোৱৰোৰ লগতে বহু সময়ত অভিভাৱকক সন্তুষ্ট কৰিব নোৱাৰাৰ বাবেও প্ৰতি বছৰে বহু মেধাৱী সন্তানে পাঠ্যক্ৰমৰ এটা মাত্ৰ ছিট অথবা এটা চাকৰিৰ বাবেই হতাশ হৈ জীৱনৰ চৰম সিদ্ধান্তটো বাছি লয়।পঢ়া-শুনা যিহেতুকে সন্তানসকলেহে কৰিব, চাকৰি যিহেতুকে সন্তানসকলেহে কৰিব, গতিকে সন্তানসকলৰ সিদ্ধান্তলৈ এৰি দিয়ক অভিভাৱকসকলে। অন্যথা ২০/৩০ লাখ টকাৰ বিনিময়ত অনৈতিকভাৱে পাঠ্যক্ৰমৰ আসন কিনি তেওঁলোকৰ কোমল বয়সৰ সন্তানসকলক চুৰি কৰিবলৈ শিকাই দিয়াহে হৈছে। সেইবাবেই আমাৰ সমাজখন দুৰ্নীতিৰ ক'লা বোকাৰে পোত খাইছে। প্ৰতিজন ছাত্ৰ আৰু প্ৰতিগৰাকী অভিভাৱকে এইটো শিক্ষা গ্ৰহণ কৰিব লাগে যে নিজৰ যোগ্যতা, বুদ্ধি-কৌশলেৰে, নৈতিকভাৱে গ্ৰহণ কৰা প্ৰতিটো বৃত্তিৰে সমাজত উচ্চ মৰ্যাদা আছে। এবাৰ চুৰি কৰিলে জীৱনত সুবিধা পালেই চুৰি কৰাৰ, আনক ঠগি খোৱাৰ প্ৰবৃত্তি মনলৈ আহিব। সেয়েহে সন্তানসকলক তেনে কামৰ পৰা আঁতৰাই ৰাখিব পাৰিলেহে উপযুক্ত সময়ত ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃক যথোচিত সন্মান দিবলৈ আগ্ৰহী হ'ব।

ফোন ঃ ৯৪৩৫৩০৯২৭৯



# প্ৰেমিকাৰ বিবাহ স্থগিত ৰাখিব নোৱাৰাত মুখ্যমন্ত্ৰী নীতিশৰ পদত্যাগ দাবী প্ৰেমিকৰ



**নিউজ ব্যুৰ’, পাটনা, ২৮ মে’ ঃ** বিহাৰৰ এজন যুৱকে টুইটাৰত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ পদত্যাগ দাবী কৰিলে। কিন্তু কিয়? কোনো ৰাজনৈতিক কাৰণত নহয়, চৰকাৰ পৰিচালনাৰ ব্যৰ্থতাৰ বাবেও নহয়; এগৰাকী যুৱতীৰ বিবাহ স্থগিত কৰিব নোৱৰাৰ বাবে এইদৰে বিহাৰৰ মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰিলে এজন যুৱকে। টুইটাৰ ব্যৱহাৰকাৰী এইজন যুৱকৰ নাম হৈছে পংকজ কুমাৰ গুপ্তা। যুৱকজনে কিছুদিন পূৰ্বে তেওঁৰ প্ৰেমিকাৰ বিবাহ স্থগিত ৰাখিবলৈ প্ৰয়োজনীয় ব্যৱস্থা ল’বলৈ মুখ্যমন্ত্ৰী নীতিশক টুইটৰ জৰিয়তে অনুৰোধ জনাইছিল। মুখ্যমন্ত্ৰীয়ে প্ৰেমিকাৰ বিবাহ স্থগিত ৰাখিব পাৰিলে আজীৱন কৃতজ্ঞ থাকিব বুলিও পংকজে টুইটাৰত ঘোষণা কৰিছিল। কিন্তু যোৱা ১৯ মে’ত পংকজৰ প্ৰেমিকাৰ বিবাহ আন এজন যুৱকৰ স’তে সম্পন্ন হয়। ইয়াৰ পাছতে প্ৰেম বিচ্ছেদৰ বিৰহত কাতৰ যুৱকজনে টুইটক কৰি কয়, ‘আপুনি এজন ব্যৰ্থ মুখ্যমন্ত্ৰী। আপুনি পদত্যাগ কৰা উচিত। মই আপোনাক কিমান অনুৰোধ জনাইছিলো। যোৱা ১৯ মে’ত মোৰ প্ৰেমিকাৰ বিবাহ স্থগিত ৰাখিবলৈ মই আপোনাক বহুবাৰ অনুৰোধ জনাইছিলো। কিন্তু আপুনি কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। কেৱল নিবনুৱা হোৱা হেতুকে মই প্ৰেমিকাক নিজৰ কৰি ল’ব নোৱাৰিলো। মোৰ অভিশাপে আপোনাক স্পৰ্শ কৰিব।’ যুৱকজনে কৰা এই টুইট শেহতীয়াভাৱে সামাজিক মাধ্যমত যথেষ্ট ভাইৰেল হৈছে।




# এমাহ পিছুৱালে অস্কাৰ বঁটা অনুষ্ঠান

**নিউজ ব্যুৰ’, লছ এঞ্জেলছ, ২৮ মে’ ঃ** অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজক একাডেমী অৱ ম’চন পিকছাৰ আৰ্টছ এণ্ড ছায়েন্সেছ-এ ২০২২ত অনুষ্ঠিত হ’ব লগা অস্কাৰ বঁটা অনুষ্ঠান এমাহ পিছুৱাই দিয়াৰ সিদ্ধান্ত ল’লে। পূৰ্ব নিৰ্ধাৰিত অনুসৰি অস্কাৰ বঁটা প্ৰদান অনুষ্ঠান অহা ২৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ’ব লাগে। কিন্তু কৰ’নাৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰৰ এই বঁটা অনুষ্ঠান অহা ২৭ মাৰ্চলৈ পিছুৱাই দিয়া হ’ল। যোৱাবাৰো অস্কাৰ বঁটা প্ৰদান অনুষ্ঠান পিছুৱাই দিবলৈ একাডেমী বাধ্য হৈছিল। যোৱা ২৫ এপ্ৰিলত ৯৩ সংখ্যক অস্কাৰ বঁটা প্ৰদান কৰা হৈছিল।

# আৰবৰ মছজিদত নিষিদ্ধ হ’ল ‘লাউডস্পীকাৰ’



**নিউজ ব্যুৰ’, ডুবাই, ২৮ মে’ ঃ** মছজিদত লাউডস্পীকাৰ ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰিলে ছৌদি আৰব চৰকাৰে। ছৌদিৰ ইছলামিক পৰিক্ৰমা মন্ত্ৰণালয়ে এই কথা ঘোষণা কৰি জনোৱা মতে, এতিয়াৰে পৰা দেশখনত কেৱল আজান আৰু ইকামতৰ বাবেহে লাউডস্পীকাৰ ব্যৱহাৰ কৰিব পাৰিব। এই দুই ক্ষেত্ৰত ব্যৱহাৰৰ বাবে লাউডস্পীকাৰৰ ‘ভলিউম’ এক-তৃতীয়াংশত ৰাখিব লাগিব। ছৌদিৰ ইছলামিক পৰিক্ৰমা মন্ত্ৰী আব্দুল লতিত আল শ্বেখে এই নিৰ্দেশনা জাৰি কৰিলে। নিয়ম উলংঘন কৰা ব্যক্তিক কঠোৰ শাস্তি বিহা হ’ব বুলিও মন্ত্ৰীজনে ঘোষণা কৰিছে। ইছলাম ধৰ্মৰ পৱিত্ৰ হাদিছ অনুসৰি এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি মন্ত্ৰীজনে জানিবলৈ দিয়ে।

# নাৰদ কেলেংকাৰি গোচৰত তৃণমূল কংগ্ৰেছৰ চাৰি অভিযুক্তৰ জামিন মঞ্জুৰ উচ্চ ন্যায়ালয়ৰ

**নিউজ ব্যুৰ’, কলকাতা, ২৮ মে’ ঃ** অৱশেষত নাৰদ কেলেংকাৰি কাণ্ডত ধৃত তৃণমূল কংগ্ৰেছৰ চাৰিজন শীৰ্ষ নেতাই জামিন লাভ কৰিলে কলকাতা উচ্চ ন্যায়ালয়ত। পশ্চিমবংগৰ দুই মন্ত্ৰী ফিৰহাদ হাকিম, সুব্ৰত মুখোপাধ্যায়, তৃণমূল কংগ্ৰেছৰ বিধায়ক মদন মিত্ৰ আৰু কলকাতাৰ প্ৰাক্তন মেয়ৰ শোভন চট্টোপাধ্যায়ে এই গোচৰত জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল আৰু আজি আদালতে জামিন আবেদন মঞ্জুৰ কৰে। চাৰি নেতাক আজি আদালতে দুই লাখ টকাৰ ব্যক্তিগত বণ্ডৰ বিনিময়ত জামিনত মুক্তি দিয়াৰ নিৰ্দেশ দিয়ে। অৱশ্যে জামিনত মুক্তি লাভ কৰিলেও অভিযুক্তই সংবাদ মাধ্যমৰ সন্মুখীন হ’ব নোৱাৰিব। নাৰদ



গোচৰ সন্দৰ্ভতো অভিযুক্তই সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশৰ ক্ষেত্ৰত আদালতে আজি বাধা আৰোপ কৰে।

## আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেনৰ নিৰ্দেশৰ পাছত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ

# ক্ষুব্ধ চীনে ক’লে ‘আমেৰিকাৰ পৰা সংক্ৰমিত হৈছিল কৰ’না’

**নিউজ ব্যুৰ’ বেইজিং, ২৮ মে’ ঃ** কৰ’না ভাইৰাছৰ ব্যাপক সংক্ৰমণৰ ফলত বিশ্বত লাখ লাখ লোকে প্ৰাণ হেৰুৱালে। কোটি কোটি লোক এই মাৰাত্মক ভাইৰাছত আক্ৰান্ত হ’ল। ইয়াৰ মাজতে কৰ’নাৰ উৎপত্তিক লৈ এক নতুন সংঘাতৰ সৃষ্টি হৈছে আমেৰিকা আৰু চীনৰ মাজত। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনে ইতিমধ্যে কৰ’নাৰ উৎপত্তিৰ তথ্য নিশ্চিত কৰিবলৈ মাৰ্কিন চোৰাংচোৱা সংস্থাক ৯০ দিনৰ সময় বান্ধি দিছে। আমেৰিকাৰ এই সিদ্ধান্তত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে চীনে। ক্ষুব্ধ চীনে কয় যে কৰ’না ভাইৰাছৰ উহানৰ পৰা নহয়, বৰঞ্চ আমেৰিকাৰ পৰাহে সমগ্ৰ বিশ্বত বিয়পি পৰিছিল।



বাইডেনৰ নিৰ্দেশৰ পাছত চীনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বাস্তৱত কৰ’নাৰ প্ৰথম সংক্ৰমণ আমেৰিকাতহে আৰম্ভ হৈছিল। চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ জাও’ লিজিয়ানে আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, ‘ৰাষ্ট্ৰপতি জ’ বাইডেনৰ নিৰ্দেশনাই এই কথা স্পষ্ট কৰিলে যে আমেৰিকাই তথ্য আৰু সত্যক গুৰুত্ব নিদিয়ে আৰু বৈজ্ঞানিক পদ্ধতিৰে দেশখনে ভাইৰাছৰ উৎসৰ সন্ধান ল’বলৈ ইচ্ছুক নহয়। আমেৰিকাই দাবী কৰিছে যে চীনে কৰ’নাৰ উৎসৰ সন্দৰ্ভত আন্তৰ্জাতিক তদন্তত অংশ লওঁক। কিন্তু আমেৰিকাই নিজে ডেট্ৰিক ফৰ্’ট সামৰিক ঘাটিসহ দেশখনৰ সকলো জৈৱিক পৰীক্ষাগাৰ তদন্তৰ বাবে মুকলি কৰা উচিত।’

চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰজনে লগতে দাবী কৰি কয় যে প্ৰকৃততে কৰ’না ভাইৰাছ চীনৰ উহানৰ পৰা বিশ্বৰ আন দেশলৈ বিয়পা নাছিল। বৰঞ্চ আমেৰিকাৰ পৰাহে বিশ্বৰ অন্যান্য দেশলৈ এই মাৰাত্মক ভাইৰাছৰ দ্ৰুত সংক্ৰমণ হৈছিল। ‘ডেট্ৰিক ফৰ্’ট আৰু বিশ্বজুৰি থকা আমেৰিকাৰ দুশ জৈৱিক পৰীক্ষাগাৰত কি ৰহস্য লুকাই আছে? আমেৰিকাই বিশ্ববাসীৰ আগত এই সন্দৰ্ভত স্পষ্টীকৰণ দিয়া উচিত।’ চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰই এইদৰে দাবী জনায়।



# পশ্চিমবংগত ১৫ জুনলৈ বৃদ্ধি তলাবন্ধৰ ম্যাদ

**নিউজ ব্যুৰ’ কলকাতা, ২৮ মে’ ঃ** পশ্চিমবংগত কাৰ্যত তলাবন্ধৰ ম্যাদ বৃদ্ধি পালে ১৫ জুনলৈ। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই কথা ঘোষণা কৰি জনোৱা মতে, বৰ্তমানে বলবৎ কৰা কৰ’নাকেন্দ্ৰিক বিধি নিষেধ অহা ১৫ জুনলৈকে ৰাজ্যত বাহাল থাকিব। যোৱা ১৫ মে’ত ৰাজ্যখনত কৰ’নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌ প্ৰতিৰোধ কৰিবলৈ পুনৰ তলাবন্ধ ঘোষণা কৰা হৈছিল। যোৱা ২৪ ঘণ্টাত পশ্চিমবংগত ১৬,২২৫ জন লোক কৰ’নাত আক্ৰান্ত হৈছিল।

# এণ্টিগালৈ ওভতাই পঠাব মেহুলক, জনালে ড’মিনিকাই



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৮ মে’ ঃ** পঞ্জাৱ নেচনেল বেংক (পি এন বি)ৰ ঋণ জালিয়াতিৰ কেলেংকাৰিত জড়িত ভাৰতীয়মূলৰ হীৰাৰ ব্যৱসায়ী মেহুল চক্‌ছিৰ নাগৰিকত্বৰ সন্দৰ্ভত প্ৰয়োজনীয় তথ্য পাতি হাতত লাভ কৰাৰ পাছতে ধৃত ব্যৱসায়ীজনক এণ্টিগাৰ আৰক্ষীৰ হাতত অৰ্পণ কৰা হ’ব। যোৱা নিশা এইদৰে ঘোষণা কৰিলে ড’মিনিকান ৰিপাব্লিকৰ বৈদেশিক বিভাগে। উল্লেখ্য যে এণ্টিগাৰ পৰা এখন সৰু নাৱৰে কিউবা অভিমুখে পলায়ন কৰাৰ সময়তে ড’মিনিকাৰ নিৰাপত্তা বাহিনীয়ে চক্‌ছিক গ্ৰেপ্তাৰ কৰিছিল। অবৈধভাৱে উক্ত অঞ্চলত প্ৰৱেশ কৰাৰ অভিযোগত ড’মিনিকাই তেওঁক জিম্মাত হৈছিল। চক্‌ছিৰ বিৰুদ্ধে ইণ্টাৰপলৰ জাননী থকা হেতুকে ভাৰতীয়মূলৰ পলাতক ব্যৱসায়ীজনৰ নাগৰিকত্বৰ সন্দৰ্ভত ড’মিনিয়াই প্ৰমাণ বিচাৰিছে। প্ৰসংগত উল্লেখ্য যে ২০১৭ তে চক্‌ছিয়ে এণ্টিগাৰ নাগৰিকত্ব গ্ৰহণ কৰিছিল। ইয়াৰ পাছত ২০১৮ৰ জানুৱাৰীত বৃহৎ ঋণ অনাদায় কেলেংকাৰি সংঘটিত কৰি চক্‌ছিয়ে ভাৰত ত্যাগ কৰিছিল। ড’মিনিকাৰ বৈদেশিক মন্ত্ৰণালয়ে আজি কয় যে চক্‌ছিৰ নাগৰিকত্বৰ প্ৰমাণ লাভৰ পাছতে তেওঁক এণ্টিগাক গতাই দিয়া হ’ব।

# সুশান্তৰ মৃত্যুৰ গোচৰত বন্ধু সিদ্ধাৰ্থ পিথানিক গ্ৰেপ্তাৰ এন চি বিৰ

**নিউজ ব্যুৰ’, মুম্বাই, ২৮ মে’ ঃ** বলিউডৰ প্ৰয়াত অভিনেতা সুশান্ত সিং ৰাজপুতৰ মৃত্যুৰ প্ৰথম বৰ্ষপূৰ্তিৰ পূৰ্বে হঠাতে অভিনেতাজনৰ মৃত্যুৰ তদন্তই চাঞ্চল্যকৰ মোড় ল’লে। সুশান্তৰ হত্যাত জড়িত থকাৰ অভিযোগত নাৰ্ক’টিকছ কন্ট্ৰ’ল ব্যুৰ’ (এন চি বি)ই যোৱা নিশা অভিনেতাজনৰ বন্ধু সিদ্ধাৰ্থ পিথানিক গ্ৰেপ্তাৰ কৰিলে। আৰক্ষীয়ে হায়দৰাবাদত পিথানিক গ্ৰেপ্তাৰ কৰি আজি মুম্বাইলৈ আনে। সুশান্তৰ মৃত্যুৰ গোচৰত পিথানিক পূৰ্বে এন চি বি আৰু চি বি আয়ে একাধিকবাৰ জেৰা কৰিছিল। যোৱা বছৰৰ ছেপ্টেম্বৰতো তেওঁক একাধিকবাৰ জেৰা কৰা হৈছি। উল্লেখ্য যে ২০২০ৰ ১৪ জুনত বান্দ্ৰাৰ এটা ফ্লেটত সুশান্তৰ মৃতদেহ চিপ লোৱা অৱস্থাত উদ্ধাৰ হৈছিল। সুশান্তৰ অতি ঘনিষ্ঠ বন্ধু আছিল পিথানি। অভিনেতাজনৰ বান্দ্ৰাৰ ফ্লেটতে পিথানিয়ে বাস কৰিছিল। সুশান্তই ড্ৰাগছ সেৱন কৰাৰ অভিযোগ উত্থাপিত হৈছিল আৰু এই ঘটনাৰে তদন্ত অব্যাহত ৰাখিছে এন চি বিয়ে।





# জাৰ্মানীত ১২ বছৰ উৰ্ধ্বৰয়ো লাভ কৰিব ক’ভিডৰ প্ৰতিষেধক

**নিউজ ব্যুৰ’ বাৰ্লিন, ২৮ মে’ ঃ** বিশ্বজুৰি কৰ’না প্ৰতিৰোধৰ উদ্দেশ্যৰে ব্যাপক টিকাকৰণ অব্যাহত আছে। আমেৰিকাসহ কে’বাখনো দেশে ইতিমধ্যে শিশুকো ফাইজাৰৰ ক’ভিড প্ৰতিষেধক প্ৰদানৰ অনুমতি দিছে। এইবাৰ জাৰ্মানীত ১২ বছৰ উৰ্ধ্বৰ শিশুৱে লাভ কৰিব ক’ভিড প্ৰতিষেধক। জাৰ্মানীৰ চেঞ্চেলৰ এঞ্জেলা মৰ্কেলে এই কথা ঘোষণা কৰি জনোৱা মতে, অহা সাত জুনৰ পৰা দেশখনৰ ১২-১৫ বছৰীয়া কিশোৰ-কিশোৰীয়ে ক’ভিডৰ প্ৰতিষেধক লাভ কৰিব। অহা আগষ্টৰ ভিতৰত দেশখনৰ ১২-১৫ বছৰ বয়সৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ক’ভিডৰ প্ৰতিষেধকৰ দুটা পালি লাভ কৰিব বুলিও মৰ্কেলে জানিবলৈ দিয়ে।

# বিমান অপহৰণ কাণ্ডত এঘৰীয়া বেলাৰুছ, ৰাছিয়াৰ সমৰ্থন লুকাছেংক’লৈ

**নিউজ ব্যুৰ’ ম’স্কো, ২৮ মে’ ঃ** যাত্ৰীবাহী বিমান অপহৰণৰ ঘটনাক আন্তৰ্জাতিক মঞ্চত প্ৰায় এঘৰীয়া হ’ল বেলাৰুছ। ইতিমধ্যে মিনস্কৰ বিৰুদ্ধে আৰ্থিক নিষেধাজ্ঞা আৰোপৰ সিদ্ধান্ত ল’লে ইউৰোপীয় সংঘ আৰু আমেৰিকাই। এনে পৰিস্থিতিত বন্ধুদেশ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনক সাক্ষাৎ কৰিব বিচাৰিলে বেলাৰুছৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ লুকাছেংক’ৰে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আজি পুৱাতে ৰাছিয়া অভিমুখে ৰাওনা হ’ল বেলাৰুছৰ ৰাষ্ট্ৰপতি। ৰাছিয়াৰ



ছ’চিত এক বৈঠকত মিলিত হ’ব পুটিন আৰু লুকাছেংক’। উল্লেখ্য যে বন্ধু দেশ হিচাপে ৰাছিয়াই প্ৰায়বোৰ বিপদতে বেলাৰুছক সহযোগিতা আগবঢ়াই আহিছে। ইউৰোপীয় দেশৰ স’তে বেলাৰুছৰ সংঘাত বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি পুটিন প্ৰশাসনে দেশখনক যথাসম্ভৱ সহায় আগবঢ়াইছে। এইবাৰো বিমান অপহৰণৰ কাণ্ডক লৈ আন্তৰ্জাতিক মঞ্চত এঘৰীয়া হোৱা বেলাৰুছক সহায়ৰ হাত আগবঢ়াবলৈ তৎপৰতা প্ৰদৰ্শন কৰিছে ম’স্কোৱে। এই ঘটনাৰ পাছতে ৰুছ ৰাষ্ট্ৰপতিয়ে লুকাছেংক’ক প্ৰয়োজনীয় সহায় প্ৰদানৰ কথা ঘোষণা কৰিছিল। উল্লেখ্য যে যোৱা দেওবাৰে সমাজকৰ্মী তথা চৰকাৰবিৰোধী সাংবাদিক ৰ’মান প্ৰ’টেছেভিচকক গ্ৰেপ্তাৰ কৰিবলৈ লিথুনিয়া অভিমুখে ৰাওনা হোৱা ৰায়ানএয়াৰৰ এখন বিমানৰ গতিপথ সলনি কৰি ৰাজধানী মিনস্কত অৱতৰণ কৰিবলৈ বেলাৰুছে বাধ্য কৰিছিল। এই ঘটনাৰ পাছতে বেলাৰুছৰ ৰাষ্ট্ৰপতিয়ে কঠোৰ সমালোচনাৰ সন্মুখীন হ’ব লগা হৈছে।

# চলিত বৰ্ষৰ ভিতৰতে দেশৰ সকলোৰে টিকাকৰণ সম্পন্ন হ’ব ঃ কেন্দ্ৰীয় মন্ত্ৰীৰ ঘোষণা

**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৮ মে’ ঃ** চলিত বৰ্ষৰ অন্তিম ভাগৰ ভিতৰত দেশৰ প্ৰতিজন নাগৰিকৰে ক’ভিড টিকাকৰণ সম্পূৰ্ণ হ’ব। কেন্দ্ৰীয় মন্ত্ৰী প্ৰকাশ জাভড়েকৰে আজি এই কথা ঘোষণা কৰে। কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে টিকাকৰণৰ সন্দৰ্ভত উত্থাপন কৰা এক প্ৰশ্নৰ সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে দাবী কৰি কয় যে ভাৰতত ২০২১ৰ ভিতৰতে সকলো নাগৰিকৰ টিকাকৰণ সম্পন্ন হ’ব। উল্লেখ্য যে ৰাহুলে অভিযোগ কৰি কৈছিল যে দেশৰ ১৩০ কোটি নাগৰিকৰ তিনি শতাংশৰো বৰ্তমানলৈকে টিকাকৰণ সম্পন্ন হোৱা নাই। ৰাহুলৰ এই মন্তব্যৰ প্ৰত্যুত্তৰ দি জাভড়েকৰে কয় যে ৰাহুলে টিকাকৰণৰ খুঁত উলিওৱাৰ পৰিৱৰ্তে কংগ্ৰেছ শাসিত ৰাজ্যৰ প্ৰতি মনোনিৱেশ কৰা উচিত।



# বিলাবলে ক’লে ‘পাকিস্তান গোলামত পৰিণত হ’ল, প্ৰধানমন্ত্ৰীয়ে বিচাৰিছে ভিক্ষা’



**নিউজ ব্যুৰ’, ইছলামাবাদ, ২৮ মে’ ঃ** বিশ্বৰ বিভিন্ন দেশ আৰু বিত্তীয় প্ৰতিষ্ঠানৰ পৰা বৃহৎ পৰিমাণৰ ঋণ গ্ৰহণ কৰা পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানক বিৰোধীয়ে কঠোৰভাৱে সমালোচনা কৰিলে। পাকিস্তান পিপ’লছ পাৰ্টিৰ অধ্যক্ষ বিলাবল ভূট্টো জৰ্দাৰীয়ে আজি প্ৰধানমন্ত্ৰী ইমৰানক কটাক্ষ কৰি ভিক্ষাৰী আখ্যা দিলে। ‘প্ৰধানমন্ত্ৰী ইমৰান খানে ভিক্ষা বিচাৰি হাতত বাতি লৈ বিশ্ব ভ্ৰমণ কৰি ফুৰিছে আৰু এইদৰে তেওঁ পাকিস্তানৰ মৰ্যাদাক অপমান কৰিছে। ইমৰান খানে পাকিস্তানক আন্তৰ্জাতিক ঋণদাতা দেশ আৰু প্ৰতিষ্ঠানৰ গোলামত পৰিণত কৰিলে।’ বিলাবলে এইদৰে কয়। উল্লেখ্য যে ইমৰানে শেহতীয়াভাৱে একাধিকবাৰ ৰিয়াদ, ডুবাই, আমেৰিকা, চীন আদি দেশলৈ গৈছিল আৰু উক্ত দেশসমূহৰ পৰা ঋণ বিচাৰিছিল। বিৰোধী নেতা বিলাবলে আজি কয় যে ২০২১ বৰ্ষত এতিয়ালৈকে ইমৰানে ১০ বিলিয়ন ডলাৰৰ ঋণ ল’লে আৰু ইয়াৰ ফলত দেশখনৰ ঋণগ্ৰস্ততা ৩৫ শতাংশ বৃদ্ধি পালে। ইমৰানৰ শাসনকালতে পাকিস্তানৰ বৈদেশিক ঋণৰ পৰিমাণ ৯৫ বিলিয়ন ডলাৰৰ পৰা ১১৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে বুলিও বিলাবলে অভিযোগ কৰে। বৰ্তমানে প্ৰতিজন পাকিস্তানী নাগৰিকৰ বিপৰীতে ঋণৰ বোজা হৈছে ১.৭৫ লাখ টকা।

# যুদ্ধবিধ্বস্ত ছিৰিয়াত চতুৰ্থবাৰলৈ ক্ষমতাত অল আছাদ

**নিউজ ব্যুৰ’, ডামাস্ক’ছ, ২৮ মে’ ঃ** যুদ্ধবিধ্বস্ত ছিৰিয়াত চতুৰ্থবাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হ’ল বাছাৰ অল আছাদ। ফলত পুনৰ সাত বছৰলৈ ছিৰিয়াত ক্ষমতাত থাকিব আছাদ। কালি দেশখনৰ সংসদৰ অধ্যক্ষই নিৰ্বাচনৰ ফলাফল ঘোষণা কৰে। এই নিৰ্বাচনত ভোটদানৰ হাৰ আছিল ৭৮.৬ শতাংশ। ইয়াৰে ৯৫.১ শতাংশ ভোট লাভ কৰিলে আছাদে। আনহাতে আছাদৰ দুই প্ৰতিদ্বন্দ্বী আব্দুলাহ ছালৌম আব্দুলাহ আৰু মাহমুদ আহমেদ মাৰীয়ে লাভ কৰে ক্ৰমে ১.৫ শতাংশ আৰু ৩.৩ শতাংশ ভোট। ছিৰিয়াৰ বিৰোধী দলসমূহে এই নিৰ্বাচনক এক প্ৰহসন আখ্যা দিছে। উল্লেখ্য যে আমেৰিকাসহ অন্যান্য পশ্চিমৰ দেশসমূহেও ছিৰিয়াৰ নিৰ্বাচনক লৈ প্ৰশ্ন উত্থাপন কৰিলে। ছিৰিয়াত বিগত ছয় দশক ধৰি আছাদৰ পৰিয়ালে ক্ষমতা দখল কৰি আহিছে। পিতৃ হাফিজ আল আছাদে ২৫ বছৰ ধৰি দেশখনত ক্ষমতাত থকাৰ পাছত ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হৈছিল বাছাৰ অল আছাদ। ২০০০ বৰ্ষৰ পৰা আছাদ ছিৰিয়াত ক্ষমতাধিষ্ঠিত হৈ আছে।



# ৩১ কোটি টকাৰে মুম্বাইত নতুন বাসগৃহ ক্ৰয় অমিতাভৰ



**নিউজ ব্যুৰ’, মুম্বাই, ২৮ মে’ ঃ** বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চনে মুম্বাইৰ আন্ধেৰীত এটা নতুন বাসগৃহ ক্ৰয় কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি, আটলাণ্টিছ নামৰ এটা নিৰ্মীয়মান এপাৰ্টমেণ্টত অমিতাভে এটা ডুপ্লেক্স এপাৰ্টমেণ্ট ক্ৰয় কৰিছে। এই নতুন বাসগৃহ ক্ৰয়ৰ বাবদ অভিনেতাজনে ৩১ কোটি টকা ব্যয় কৰিলে। যোৱা ডিচেম্বৰতে অমিতাভে নতুন ঘৰটো ক্ৰয়ৰ চুক্তি সম্পন্ন কৰিছিল যদিও যোৱা এপ্ৰিলত বাসগৃহৰ পঞ্জীয়ন কৰায়। অমিতাভৰ এই নতুন বিলাসী বাসগৃহটো ৫১৮৪ বৰ্গফুট আকৃতিৰ। উল্লেখ্য যে আন্ধেৰীৰ এই অঞ্চলতে অভিনেত্ৰী ছানী লিয়নি, চলচ্চিত্ৰ নিৰ্দেশক আনন্দ এল ৰায় আদিয়েও বাস কৰে। আটলাণ্টিছতে ছানীয়ে যোৱা বছৰত ১৬ কোটি টকাৰে এটা এপাৰ্টমেণ্ট ক্ৰয় কৰিছিল।

# ৩১ মে’ৰ পৰা দিল্লীত তলাবন্ধ প্ৰত্যাহাৰ প্ৰক্ৰিয়া আৰম্ভ



**নিউজ ব্যুৰ’ নতুন দিল্লী, ২৮ মে’ ঃ** ৰাজধানী দিল্লীত কৰ’না প্ৰতিৰোধৰ বাবে তলাবন্ধৰ ম্যাদ পুনৰ বৃদ্ধি কৰা নহ’ব। আজি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে এই কথা প্ৰকাশ কৰি কয় যে পৰ্যায়ক্ৰমে ৰাজধানী চহৰত তলাবন্ধ প্ৰত্যাহাৰ প্ৰক্ৰিয়া অব্যাহত থাকিব। দিল্লীত বৰ্তমানে দৈনিক সংক্ৰমণ ১১০০ লৈ হ্ৰাস পাইছে আৰু সংক্ৰমণৰ হাৰ হৈছে ১.৫ শতাংশ। তলাবন্ধ প্ৰত্যাহাৰৰ সময় উপস্থিত হ’ল বুলি জানিবলৈ দি দিল্লীৰ মুখ্যমন্ত্ৰীজনে কয় যে ৩১ মে’ৰ পুৱা পাঁচ বজাৰ পৰা তলামুক্ত প্ৰক্ৰিয়া আৰম্ভ কৰা হ’ব। তলাবন্ধ প্ৰত্যাহাৰৰ ক্ষেত্ৰত দৰিদ্ৰ লোকসকলৰ হিতৰ কথা বিবেচনা কৰা হ’ব বুলি জানিবলৈ দি মুখ্যমন্ত্ৰীজনে কয় যে অহা সোমবাৰৰ পৰা দিল্লীত নিৰ্মাণ খণ্ড আৰু কাৰখানাৰ কাম-কাজ পুনৰ আৰম্ভ হ’ব। অৱশ্যে তলাবন্ধ পৰ্যায়ক্ৰমে প্ৰত্যাহাৰ হ’লেও ৰাজধানীবাসীক অতি জৰুৰী নহ’লে ঘৰৰ বাহিৰলৈ নোলাবলৈ কেজৰিৱালে পৰামৰ্শ দিয়ে।

# আমেৰিকাৰ শিখ কাৰাবন্দীক বলপূৰ্বক কটালে চুলি-দাড়ি



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২৮ মে’ ঃ** আমেৰিকাৰ এৰিজ’না প্ৰদেশত এখন কাৰাগাৰত এজন শিখ বন্দীক বলপূৰ্বক দাড়ি-চুলি কটোৱাৰ ঘটনাই শিখ ধৰ্মাৱলম্বী লোকৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শিখ ধৰ্মীয় পৰম্পৰা অনুসৰি, পুৰুষসকলে দাড়ি-চুলি ৰখাটো জৰুৰী। কিন্তু এৰিজ’নাৰ কাৰাগাৰত বন্দী হোৱা সুৰজিৎ সিং নামৰ শিখ ধৰ্মাৱলম্বী অভিযুক্তক কাৰাগাৰ কৰ্তৃপক্ষই বলপূৰ্বক দাড়ি-চুলি কটালে। ৬০ বছৰীয়া সিঙক এইদৰে মাৰ্কিন কাৰাগাৰত ধৰ্মীয় পৰম্পৰা পালনত বাধা দিয়া কাৰ্যৰ বিৰুদ্ধে মানৱাধিকাৰ সংগঠনৰ লগতে শিখ ধৰ্মীয় সংগঠনে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছে। যোৱা বছৰত এক গোচৰত অভিযুক্ত সিঙক এৰিজ’নাৰ কাৰাগাৰলৈ আদালতে প্ৰেৰণ কৰিছিল। সিঙে কাৰাগাৰত কৰ্মচাৰীক তেওঁৰ চুলি আৰু দাড়ি নাকাটিবলৈ কৰযোৰে অনুৰোধ জনাইছিল যদিও কৰ্তৃপক্ষই তেওঁৰ অনুৰোধ প্ৰত্যাখ্যান কৰি বলপূৰ্বক চুলি-দাড়ি কাটি দিছিল। এৰিজ’নাৰ কাৰাগাৰত দাড়িৰ স’তে বন্দীৰ ফটো গ্ৰহণ কৰা নহয় আৰু ফটোগ্ৰহণৰ পূৰ্বে প্ৰতিজন বন্দীৰ দাড়ি খুৰাই দিয়া হয়। সিঙকো কাৰাগাৰৰ নিয়ম অনুসৰি ফটো উঠোৱাৰ পূৰ্বে দাড়ি খুৰাই দিয়া হৈছিল বুলি কাৰাগাৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

## শ্ৰদ্ধাঞ্জলি ৰাজীৱ গোস্বামী



**বৰ্তমানেহ** নহয়, আদিম যুগৰ মানুহেও বিশ্বাস কৰিছিল জগত সৃষ্টিৰ অন্তৰালত থকা এক অদৃশ্য শক্তিৰ কথা। নতুন নতুন সৃষ্টিৰ লগে লগে মানুহৰ মনোভাৱে অনেক ৰূপ লোৱাৰ ফলত কল্পনাৰ দ্বাৰা বহু ধাৰণাৰ উদ্ভৱ হৈছে। কিন্তু বাস্তৱ ক্ষেত্ৰত যদি কোনো লোকৰ ভৱিষ্যত প্ৰজন্মৰ প্ৰতি দায়িত্ব আছে আৰু বিশ্বখনত শান্তি বিয়পাই সুন্দৰকৈ সজাব বিচাৰে তেনেহ'লে প্ৰত্যেকজনে নিজৰ সিদ্ধান্তক গৱেষণা কৰি বা অন্য কোনো লোকৰ শুদ্ধ বিশ্লেষণক মানি লোৱাটো উচিত হ'ব। বুদ্ধিৰ আৱৰণ হয়তো মানুহৰ বাবে সৃষ্টিৰ কামনাৰ বাবে খোলা আছিল। সেইবাবেই হ'বলা কিবাকিবি আনুমানিক প্ৰয়োগত হোৱা সুফল আৰু বিফলতাৰ গণনাৰ পৰাই সৃষ্টি হৈছিল সাধনা। কালক্ৰমত সাধনামাৰ্গ অনুকৰণ কৰিবলৈ গৈ পোৱা জ্ঞানৰ বিস্তাৰতেই উদ্ভৱ হৈছিল উপাসনাৰ। উপাসকসকলৰ যিসকলে বাচি লৈছিল জ্ঞানকামী উপাসনাৰ মাৰ্গ কেৱল নতুন জ্ঞানৰ অন্বেষণৰ বাবে, যি মাৰ্গে সিদ্ধান্ত-উপসিদ্ধান্তৰ মাজেৰে পূৰ্ণ কৰিছে অদৃশ্য শক্তিৰ পবিত্ৰতাৰ অমৃত পিয়লা— সেইসকল মহামানৱৰ ভিতৰত অসম তথা সমগ্ৰ ভাৰতবৰ্ষতে খ্যাতি লাভ কৰা নলবাৰীস্থিত 'মা-মহাকালী আশ্ৰম'ৰ প্ৰতিষ্ঠাপক-অধ্যক্ষ আচাৰ্য ৰাজীৱ গোস্বামী নিঃসন্দেহে শ্ৰেয়। তন্ত্ৰসাধনাক এক উচ্চস্তৰীয় আধ্যাত্মিক মাৰ্গৰূপত সবলভাৱে প্ৰতিষ্ঠা কৰি তাৰ মাধ্যমেৰে সৃষ্টিমুখী ধনাত্মক সঁচাবোৰৰ কৰণি ভৰাই সমগ্ৰ বিশ্বৰ জনগণৰ মাজত শান্তিৰ জখলা এটিৰ নিৰ্মাণ কৰি যোৱা এইগৰাকী সিদ্ধপুৰুষৰ যোৱা ১৯ মে'ত দেহৰ জ্যোতি নিৰ্বাপিত হ'ল যদিও তেওঁৰ পবিত্ৰ আত্মা আমাৰ মাজত চিৰদিনলৈ চিৰজাগ্ৰত প্ৰহৰী হৈ ৰ'ব- এয়াই আমাৰ উপলব্ধি।

১৯৬৯ৰ ১৪ ছেপ্টেম্বৰত নলবাৰীৰ খুদীয়া গাঁৱত জন্মগ্ৰহণ কৰা গোস্বামীৰ পিতৃ আছিল নলবাৰীত প্ৰখ্যাত আইনবিদ প্ৰফুল্ল গোস্বামী আৰু মাতৃ কমলা গোস্বামী। নলবাৰীৰ এক সম্ভ্ৰান্ত গোসাঁইঘৰৰ কনিষ্ঠতম সন্তান হিচাপে পিতৃ-মাতৃ আৰু ককায়েকহঁতৰ পৰা যিমানেই বেছি মৰম-চেনেহ পাইছিল, সিমানেই কঠোৰ অনুশাসনো পাইছিল। কৈশোৰকালৰ পৰাই টাইকোৱাণ্ডো, মাৰ্চিয়েল আৰ্ট, জ্যোতিষ চৰ্চা, তন্ত্ৰ সাহিত্য আদিৰ প্ৰতি প্ৰগাঢ় ধাউতি থকা প্ৰখৰ বুদ্ধিদীপ্ত পুত্ৰক পিতৃয়ে দৰাচলতে বিচাৰিছিল এগৰাকী দক্ষ অভিযন্তা হোৱা আৰু সেয়ে পঠাইছিল কাৰিকৰী উচ্চ শিক্ষাগ্ৰহণৰ বাবে সুদূৰ কলিকতালৈ। নাই সেয়া অসাৰ হ'ল। সান্নিধ্যলৈ আহিল কলিকতাৰ কালীবাৰীৰ তান্ত্ৰিক সাধক এগৰাকী। ৰাজীৱ গোস্বামী পিছলৈ হৈ পৰিল নলবাৰী মা-মহাকালী আশ্ৰমৰ প্ৰতিষ্ঠাপক অধ্যক্ষ; শিষ্যসকলৰ বাবে প্ৰভু, আচাৰ্য ৰাজীৱ গোস্বামী। গীতা, ভাগৱত, সমগ্ৰ পুৰাণ, জ্যোতিষশাস্ত্ৰ, তৰ্কশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ আনকি কোৱান শাস্ত্ৰখনো নখদৰ্পণত লৈ থকা এক অতি উচ্চ আধ্যাত্মিক মাৰ্গৰ সাধকগৰাকীয়ে পাছলৈ নান্দনিক পৰম আনন্দ বিচাৰি ফুৰিছিল শব্দ আৰু সুৰৰ সমুদ্ৰত জীৱনৰ অন্য এক আলোক। মনৰ পৰিতৃপ্তি আৰু প্ৰশান্তিৰ অৰ্থময়তা বিচাৰি বিচাৰি শব্দ আৰু সুৰৰ বুকুত জিৰাইছিল বহু সময়ত। কাপৰ পৰা ওলাইছিল ১০খনকৈ কবিতাপুথি। চাৰিখনকৈ আধ্যাত্মিক তত্ত্বপূৰ্ণ গ্ৰন্থ। কবিতাত নিগৰিছিল জীৱনৰ সত্য ৰুগ্ন দেহা/মন কিন্তু নহয়/ বহু যন্ত্ৰণা শৰীৰৰ/ মনৰ কিন্তু নহয়/নাজানো কিমান দিনলৈ এই ধৰাত মই/ মই শিকোৱাসকলক থাকিল বহু শিকাবলৈ/থাকিলে আহিম হয়তো / পুনৰাই ধৰালৈ / মই আছো/ আৰু মই থাকিবই লাগিব তোমোলালোকৰ বাবে।

কেতিবাবা সুৰৰ ডেউকা মেলি নিমাত নিজম নিশা সাত সাগৰৰ গভীৰ তলত সুৰ বিচাৰি বিচাৰি গীত ৰচি, সুৰাৰোপিত কৰি প্ৰকাশ কৰিছিল অসমীয়া সুগম সংগীত আৰু হিন্দী গজলৰ চাৰিখন শ্ৰব্য সংকলন।

আধ্যত্মিক ভাবধাৰাৰে পৰিপুষ্ট, কাব্যিক সৌন্দৰ্য্যৰে মহীয়ান, শৃংখলিত জীৱন শৈলীৰে পৰিপূৰ্ণ এগৰাকী বিশাল ব্যক্তিত্বৰ গৰাকী আমাৰ সকলোৰে শ্ৰদ্ধা আৰু চেনেহৰ 'প্ৰভু' গোস্বামীৰ দেহান্তৰ প্ৰাপ্তিয়ে আমাক খন্তেকৰ বাবে এক শূণ্যতালৈ টানি নিছিল। আমি গুণগুণাইছিলো তেওঁৰ শব্দ 'আদৰ্শ অতি উত্তম হ'লে জীৱন দৰ্শন বা ইতিহাস অংকিত হয় সময়ৰ পৃষ্ঠাত।'

সঁচা কথা প্ৰভু গোস্বামীৰ জীৱন দৰ্শন অংকিত হৈ ৰব সময়ৰ বহল পৃষ্ঠাত। তেওঁৰ অদৃশ্যমান পৱিত্ৰ আত্মাৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা কৰিছো যাতে তেওঁ আমাক সদায়ে দি থকা আশীৰ্বাদ, প্ৰেৰণা আৰু সত্য উপলব্ধিৰ জ্ঞান জ্যোতিৰে আমাক ধন্য কৰিব বৰ্তমানৰ পৰা ভৱিষ্যতলৈ সময়ৰ প্ৰতিটো পল-অনুপলে। তেওঁৰ শ্ৰীচৰণত শ্ৰদ্ধাৰ অঞ্জলি যাঁচিলো।

**কমলা দেৱী**

ফোন ঃ ৮৬৩৮৫০৭৮৭৭

## শ্ৰদ্ধাঞ্জলি আবুল খায়েৰ আনাম



**মৃত্যু** চিৰন্তন সত্য আৰু অনিবাৰ্য। আবুল খায়েৰ আনাম (বয়স ৮৭)ৰ বিয়োগত আমি মৰ্মাহত। তেওঁ গৌৰাং ইউথ ডেভেলপমেণ্ট ছ'চাইটি'ৰ উপদেষ্টা আছিল। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬১-৬২ৰ সময়ছোৱাত কটন কলেজৰ বৰ্তমানৰ ছহিদ মোজাম্মিল হক ছাত্ৰাবাসত থাকি প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীত অধ্যয়ন কৰোতে নিজৰ জীৱনাদৰ্শ, কৰ্মদক্ষতাৰ মাজেৰে সৰল জীৱন যাপন কৰাৰ আদিপাঠ শিকিছিল শিক্ষাবিদ প্ৰয়াত কৃষ্ণকান্ত বৰাৰ পৰা। তাৰ পাছত বি এছ চি পঢ়োতে শিক্ষাগুৰু হিচাপে পাইছিল বিশিষ্ট সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাক। এই দুয়োগৰাকী শিক্ষাগুৰুৰে তেওঁৰ অনুসন্ধিৎসু মনত যথেষ্ট প্ৰভাৱ পেলাইছিল। চাকৰিসূত্ৰে তেওঁ ১৯৬৯ৰ পৰা ১৯৭১ লৈ যোৰহাটৰ বিটি কলেজত শিক্ষা গ্ৰহণ কৰিছিল। সেই সময়ছোৱাত নিউ বালিবাটত থাকোতে জানিছিল যোৰহাটৰ ঐতিহ্যৰ কথা। তাত অতি প্ৰিয় ভাজন হৈছিল শিক্ষাগুৰু প্ৰয়াত আনন্দেশ্বৰ গোস্বামীৰ।

১৮৫৭ৰ চিপাহী বিদ্ৰোহৰ সময়ত অসমীয়া হিচাপে বাহাদুৰ গাঁওবুঢ়া, ফৰমুদ আলীৰ আন্দোলনৰ বয়োজ্যেষ্ঠসকলৰ পৰা শুনি শ্ৰদ্ধা উপজিছিল। সেয়ে তেওঁ ১৯১৫ত 'লুইত বৰাক আনাম এডুকেছন ফাউণ্ডেছনৰ অধ্যক্ষ হৈ 'বাহাদুৰ গাঁওবুঢ়া' নামৰ কিতাপ প্ৰকাশৰ দায়িত্ব লয়। ইছমাইল হুছেইনে কিতাপখন লিখি উলিয়ায় আৰু ২০১৫ৰ মে'ত যোৰহাটত কিতাপখন উন্মোচন কৰে শিক্ষাবিদ প্ৰফেছৰ প্ৰফুল্ল ৰাজগুৰুৱে। তেওঁ শ্ৰীমন্ত শংকৰদেৱৰ ওপৰতো লিখা-মেলা কৰিছিল। গৰিয়া, মৰিয়া, দেশী সংগঠনৰ ঐক্যমঞ্চৰ উপদেষ্টা আছিল। তেওঁ গৰিয়া আৰু দেশী জনগোষ্ঠীৰ (খিলঞ্জীয়া সংখ্যালঘু) ইতিহাসৰ ওপৰত অধ্যয়ন আৰু লিখা-মেলা কৰিছিল।

তেওঁ কে'বাটাও সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত বা প্ৰতিষ্ঠাপক আছিল। ৰোকাখাতা উচ্চতৰ মাধ্যমিক বিদ্যালয় (বিলাসীপাৰা) পূৰ্ণতাপ্ৰাপ্তৰ সময়ছোৱালৈ বিভিন্ন দিশত সহায় কৰিছিল আৰু ইয়াতেই কৰ্মজীৱনৰ পাতনি মেলিছিল। পাছলৈ তেওঁ এই বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সদস্যও আছিল। বিলাসীপাৰা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক আছিল। জনতা এম ই স্কুলৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু প্ৰায় ১৬ বছৰ কাল পৰিচালনা কৰাত আগভাগ লৈছিল। এসময়ত সাংস্কৃতিক মঞ্চ ৰূপজ্যোতি শিল্পী সংঘৰ বিষয়ববীয়া হৈ আছিল। বিলাসীপাৰা বিহু সমিতিৰ পৰা আদি কৰি বিভিন্ন সংগঠন, অনুষ্ঠানে বিভিন্ন সময়ত তেওঁৰ ত্যাগ আৰু কৰ্মৰ বাবে জ্যেষ্ঠ নাগৰিক হিচাপে সম্বৰ্ধনা জনাইছিল। তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

**জিন্নাত আনম**

## শ্ৰদ্ধাঞ্জলি মীৰা কলিতা



**অতিমাৰী** কৰ'নাৰ বিভীষিকাৰ এই দুঃসময়ত মৃত্যু সংবাদ সম্প্ৰতি তেনেই সুলভ। অতি আকস্মিক, অনাকাংক্ষিত মৃত্যু সংবাদৰ মাজতেই আমাৰ অতি মৰমৰ আইতা মীৰা কলিতা যোৱা ১৯ মে'ৰ আবেলি প্ৰায় ৩-৩০ বজাত হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ ইহলীলা ত্যাগ কৰাত শোকস্তব্ধ হৈ পৰিছো। ধুবুৰীৰ কলেজ নগৰ নিৱাসী আইতা এগৰাকী উদাৰমনা আৰু ধৰ্মপ্ৰাণ মহিলা আছিল। ১৯৭৮ত ককাই বান নিয়ন্ত্ৰণ বিভাগত চাকৰি কৰি থকা সময়তে অকাল মৃত্যুক সাবটি লোৱাৰ পাছত আইতাই অশেষ ধৈৰ্য, দুখ-কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি তেওঁৰ তিনিগৰাকী পুত্ৰ আৰু এগৰাকী কন্যাক পঢ়াই-শুনাই নিজ নিজ ক্ষেত্ৰত প্ৰতিষ্ঠিত কৰিছিল। আইতাই পুত্ৰ-বোৱাৰী, জী-জোঁৱাই আৰু নাতি-নাতিনীৰ স'তে তেওঁৰ আদৰ্শৰ সুখৰ সংসাৰখনত হাঁহি-ধেমালিৰে সুন্দৰকৈ দিনবোৰ অতিবাহিত কৰিছিল। অতি পৰিষ্কাৰ-পৰিচ্ছন্ন সাজ-পোছাক পিন্ধি ভাল পোৱা আইতাই প্ৰতিদিনে বাতৰি কাকত নিয়মীয়াকৈ পঢ়িছিল। তেওঁ আমাক সদায় সৎ পথত চলিবলৈ উপদেশ দিছিল। আইতাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছো।

**কাব্যজ্যোতি দাস**

## ব্ৰহ্মপুত্ৰ উপত্যকাত ২০৫

*এক পৃষ্ঠাৰ পৰা* মুখ্যমন্ত্ৰী ড° শৰ্মাই টুইটাৰত কয়, '২৩ ফেব্ৰৱাৰীত অসম চৰকাৰে চাহ শ্ৰমিকৰ মজুৰি ৫০ টকাকৈ বৃদ্ধিৰ সিদ্ধান্ত আদালতত প্ৰত্যাহ্বানৰ সন্মুখীন হয়। আজি মজদুৰ ইউনিয়ন, বাগিচা মালিক সংস্থাৰ স'তে হোৱা আলোচনা মৰ্মে যোৱা ২৩ ফেব্ৰুৱাৰীৰ পৰা বলৱৎ হোৱাকৈ ৩৮ টকা বৃদ্ধি কৰা হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ শ্ৰমিকসকলে ১৬৭ + ৩৮ (২০৫ টকা) আৰু বৰাক উপত্যকাৰ শ্ৰমিকসকলে ১৪৫ +৩৮ (১৮৩ টকা) লাভ কৰিব।' বাকী থকা ১২ টকাৰ বাবে অংশীদাৰসকলৰে আলোচনা কৰিব আৰু গ্ৰহণযোগ্য সমাধান অতি সোনকালে ওলাব বুলি তেওঁ নিশ্চিতি প্ৰদান কৰে।

এই সন্দৰ্ভত অধিক ব্যাখ্যা কৰি ৰাজ্যৰ শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণে কয় যে বিভিন্ন চাহ মালিক গোষ্ঠী যেনে এবিটা, টাই, নেটা, বিচিপি আৰু ট্ৰেড ইউনিয়ন যেনে এচিএমএছ আৰু বৰাক চাহ শ্ৰমিক পৰিষদ আদিৰ সভাপতি-সম্পাদকৰ উপস্থিতিত আজিৰ আলোচনা হয়। তেওঁ কয় যে কিছুদিন পূৰ্বে শ্ৰমিকৰ মজুৰি ২১৭ টকালৈ সিদ্ধান্ত হৈছিল যদিও মালিক গোষ্ঠীয়ে ইয়াত অসন্মতি প্ৰকাশ কৰি আদালতৰ দ্বাৰস্থ হয়। সমগ্ৰ বিষয়টো অমীমাংসিত হৈ ৰোৱাত আজি সকলোৰে মাজত সৌহাৰ্দ্যপূৰ্ণ আলোচনামৰ্মে এক মীমাংসাত উপনীত হয়।

কিষাণে লগতে কয় যে চৰকাৰৰ তৰফৰ পৰা ২১৭ টকা দৈনিক মজুৰি প্ৰদানৰ স্থিতি বাহাল আছে। 'আদালতে ৰায় নিদিয়া পৰ্যন্ত আমি আপোচ মীমাংসাৰ জৰিয়তে তাৎক্ষণিকভাৱে বলৱৎ হ'ব পৰাকৈ মজুৰি বৃদ্ধিৰ সিদ্ধান্ত লওঁ। সকলো মালিকপক্ষ আৰু ট্ৰেড ইউনিয়নে সমৰ্থন আগবঢ়ায়। শ্ৰমিকৰ মজুৰি আধিক বৃদ্ধিৰ পাবে আমাৰ চেষ্টা বাহাল থাকিব। শ্ৰমিকে যাতে অধিকাৰৰ পৰা বঞ্চিত নহয় সেয়ে এই অন্তৰ্বৰ্তীকালীন সিদ্ধান্ত লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত মজুৰি বৃদ্ধি হোৱাত ধন্যবাদ জনাইছো। যোৱা নিৰ্বাচনত শ্ৰমিকসকলে অন্তৰ খুলি আমাক আশীৰ্বাদ দিছে। সেয়ে উপহাৰ হিচাপে চৰকাৰ গঠনৰ কেইদিনমান পাছতে বৃদ্ধি পালে মজুৰি।' মন্ত্ৰীজনে এইদৰে কয়।

চাহ জনগোষ্ঠীৰ শক্তিশালী নেতা তথা এ চি এম এছৰ শীৰ্ষ নেতা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰে এই সম্পৰ্কত কয় যে বিজেপি চৰকাৰে নিৰ্বাচনৰ পূৰ্বে অন্তৰ্বৰ্তীকালীন সকাহৰূপে ৫০ টকা মজুৰি বৃদ্ধিৰ কথা ঘোষণা কৰিছিল। মালিকপক্ষ আদালতৰ দ্বাৰস্থ হয় আৰু প্ৰক্ৰিয়াত ত্ৰুটিৰ বাবে আদালতে স্থগিতাদেশ জাৰি কৰে। 'মালিক পক্ষই আমাক ২৬ টকাকৈ বৃদ্ধিৰ প্ৰস্তাৱ দিছিল। আমি তাত অগ্ৰাহ্য কৰিছো। আমি ৫০ টকা বৃদ্ধিৰ দাবী জনাইছো। ইয়াকে লৈ অচলাৱস্থা বাহাল আছিল। আজি ট্ৰেড ইউনিয়ন, মালিকপক্ষ আৰু চৰকাৰৰ মাজত এক আলোচনা হয়।' এইদৰে উল্লেখ কৰি ঘাটোৱাৰে কয় যে প্ৰক্ৰিয়াত ত্ৰুটিৰ বাবে চৰকাৰে ৫০ টকালৈ মজুৰি বৃদ্ধিৰ যোৱা ২৩ ফেব্ৰুৱাৰীৰ জাননী প্ৰত্যাহ্বাৰ কৰিব লগীয়া হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি এই কথা অৱগত কৰাৰ লগতে আলোচনাত কয় যে আদালতৰ ৰায়ৰ বাবে অপেক্ষা কৰিলে দীঘলীয়া হ'ব, সেয়ে শ্ৰমিকসকল যাতে বঞ্চিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সাময়িকভাৱে মীমাংসাত উপনীত হ'ব লাগে। 'প্ৰথমবাৰৰ বাবে আজি মুখ্যমন্ত্ৰীৰ পৰ্যায়ত আলোচনা হ'ল। অসম চৰকাৰৰ দ্বাৰা পূৰ্বনিৰ্ধাৰিত মজুৰি বৃদ্ধিৰ দাবী জনাও। মালিকপক্ষই ইতিমধ্যে ২৬ টকা বৃদ্ধিৰ প্ৰস্তাৱৰ কথা বৈঠকত কোৱাত আমি ইতিমধ্যে তাত অগ্ৰাহ্য কৰাৰ কথা স্পষ্ট কৰো আৰু মজুৰি চূড়ান্ত কৰিবলৈ চৰকাৰক কওঁ।' অৱশেষত আলোচনামৰ্মে ৩৮ টকা বৃদ্ধিৰ সিদ্ধান্ত হয়। ইতিমধ্যে চৰকাৰে গঠন কৰি দিয়া কমিটীয়ে ইউনিয়নসমূহ আৰু মালিকপক্ষৰে আলোচনামৰ্মে সিদ্ধান্ত ল'ব। ঘাটোৱাৰে কয় যে আজিৰ সিদ্ধান্ত সাময়িক সকাহ আৰু দুই-তিনিমাহৰ ভিতৰত চূড়ান্ত সিদ্ধান্তৰ বিষয়ে আশাবাদী বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। 'আজিৰ সিদ্ধান্তক লৈ আমি এই মুহূৰ্তত সন্তুষ্ট কিয়নো সম্প্ৰতি ইয়াৰ বিকল্প নাই, যিহেতু ই আদালতত বিচাৰাধীন হৈ আছে। অৱশ্যে বেছি বাঢ়িলে ভাল পালো হয়।' ৰাজ্যৰ মুঠ উৎপাদিত চাহৰ ৫০ শতাংশৰ অংশীদাৰ ক্ষুদ্ৰ চাহ বাগিচাৰ শ্ৰমিকৰ ন্যূনতম মজুৰি বৃদ্ধিৰ দাবীৰ প্ৰতি মুখ্যমন্ত্ৰী শৰ্মাই নীতিগত সমৰ্থন দিছে আৰু সোনকালেই এই বিষয়ে সিদ্ধান্তৰ আশ্বাস দিয়া বুলি ঘাটোৱাৰে কয়।

উল্লেখ্য যে উপ-কমিটীৰ পৰামৰ্শমৰ্মে চৰকাৰে মজুৰি নিৰ্ণয় নকৰাৰ বাবে প্ৰক্ৰিয়াৰ ত্ৰুটীৰ বাবে পূৰ্বৰ জাননী বাতিল কৰিব লগীয়া হয়। সম্প্ৰতি চৰকাৰে অতিৰিক্ত মুখ্য সচিব ৰবি শংকৰ প্ৰসাদৰ অধ্যক্ষতাত বিষয়টো নিৰ্দ্ধাৰণৰ বাবে কমিটী গঠন কৰি দিছে।

## আহোম সংগঠনক ক্ষমা খুজিলে

*এক পৃষ্ঠাৰ পৰা* বিধানসভা অধিবেশনত ৰাজ্যপালৰ ভাষণ প্ৰসংগত বক্তব্য প্ৰদান কৰি বিধায়ক নৰহে ১২০৫ত অসমত চৰ-চাপৰি আছিল আৰু আহোমসকল অহাৰ আগতে এই লোকসকল অসমত আছিল বুলি বিভ্ৰান্তিকৰ তথ্যৰ উদ্ধৃতি দিছিল। ইয়াৰ পাছতে সামাজিক মাধ্যমকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত বিধায়কজনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল জনগোষ্ঠীটোৰ দল-সংগঠনে। অৱশেষত আজি সামাজিক মাধ্যমত এই সংক্ৰান্তত ক্ষমা খুজি নৰহে কয়, 'কোনো ব্যক্তি, সংগঠন, সম্প্ৰদায় বা জনগোষ্ঠীক অপমান আৰু মনত আঘাত দিয়া মোৰ বক্তব্যৰ উদ্দেশ্য নাছিল। ভৱিষ্যতে এই দিশত সদায় সাৱধানতা অৱলম্বন কৰিম আৰু মোৰ বক্তব্যৰ কিছু বাক্যই যদি আহোম সম্প্ৰদায়ৰ স্বাভিমানত আঘাত হানিছে মই ইয়াৰ দ্বাৰাই ক্ষমা বিচাৰিছো।'

## কৰ্মচাৰীৰ এদিনৰ দৰমহা কৰ্তন

*এক পৃষ্ঠাৰ পৰা* আৰু তেওঁলোকৰ দৰমহা কৰ্তন কৰা নহয় বুলি সদৰী কৰিছে। বিত্ত বিভাগৰ 'বিবি-২০৭/২০১২/পিটি.আই/৩৪' নম্বৰৰ নিৰ্দেশনাত আইএএছ আৰু এচিএছ এছ'চিয়েচনে ইতিমধ্যে দুদিনৰ দৰমহা প্ৰদান কৰিবলৈ সন্মতি প্ৰদান কৰিছে আৰু স্বাস্থ্য বিভাগৰ কৰ্মচাৰী, গুৱাহাটী উচ্চ ন্যায়ালয় আৰু ইয়াৰ উপ-ন্যায়ালয়সমূহক এই নিৰ্দেশনাৰ পৰা ৰেহাই প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰিছে।

## কণ্টেইনমেণ্ট জ'নৰ বেনাৰ

*এক পৃষ্ঠাৰ পৰা* বুজনি দিয়া এটা ফোন ৰেকৰ্ডিঙে ক'ভিডৰ নামত চলি থকা আন এটা দিশ পোহৰলৈ আহিছে। ঘটনাৰ সংক্ৰান্তত ইতিমধ্যে বশিষ্ঠ আৰক্ষীয়ে প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে বশিষ্ঠ চাৰিআলিৰ নীহাৰিকা লজৰ সমীপত গৃহ নম্বৰ ১১ত ভাড়াতীয়া এটা শব্দযন্ত্ৰৰ গুদামত থকা তিনিজন কৰ্মচাৰীৰ দেহত যোৱা ২১ মে'ত কৰ'নাৰ উপস্থিতি ধৰা পৰিছিল। সেই দিনাই তিনিওজন কৰ্মচাৰী সৰুসজাই ক'ভিড কেয়াৰ চেণ্টাৰত বিছনা নম্বৰ ৩৭০, ৩৭৭ আৰু ৩৭৮ত ভৰ্তি হৈছিল। সেই দিনটোতে প্ৰবীণ ৰাজবংশী নামৰ ক'ভিডত আক্ৰান্ত কৰ্মচাৰীজনলৈ বিভাগৰ তৰফৰ পৰা এটা ফোন আহিছিল আৰু তেওঁলোকৰ গুদামত কণ্টেইনমেণ্টন জ'নৰ ফলক লগাবলৈ অহা বুলি সদৰী কৰিছিল। নিজকে ক'ভিড কেয়াৰ চেণ্টাৰৰ কৰ্মচাৰী হিচাপে চিনাকি দিয়া লোকজনে প্ৰথমে ক'ভিডত আক্ৰান্ত হোৱাৰ কথা ঘৰৰ স্বত্বাধিকাৰীয়ে গম পাইছে নে নাই বুলি প্ৰশ্ন কৰি তেওঁলোকৰ উপাৰ্জন দিশবোৰো অৱগত হয়। ইয়াৰ পাছতে প'ষ্টাৰ লগাবলৈ অহা কৰ্মচাৰীজনে কয়, 'কণ্টেইনমেণ্ট জ'নৰ প'ষ্টাৰখন লগাব লাগিব, এতিয়া কি কৰিম? লগোৱাৰ পাছত ১০জনতকৈ বেছি মানুহ সোমাব নোৱাৰিব। তাতে মালিকৰ ঘৰত সকাম হৈ আছে। প'ষ্টাৰখন লগাই আহিম নে কি কৰিম? প'ষ্টাৰখন লগাই আহিলে বিপদ আছে আপোনালোকৰ, কাৰণ মানুহ অহা-যোৱা কৰিব নোৱাৰিব। কি কৰিব, কিবা মিলাব নেকি?' উল্লেখ্য যে ক'ভিড আক্ৰান্ত কেইজনে তেওঁলোক ভাড়াতীয়া আৰু প'ষ্টাৰ লগায়-নলগায় সেয়া বিভাগৰ কথা বুলি স্পষ্ট কৰি ভাড়াঘৰৰ মালিকৰ সম্বন্ধীয় ঢুকাইছে বুলি প্ৰকাশ কৰাত অধিক সুযোগ লাভ কৰে কৰ্মচাৰীজনে। কণ্টেইনমেণ্ট জ'নৰ প'ষ্টাৰ লগালে সকাম পাতিব নোৱাৰিব বুলি তেওঁলোকক ভয় দেখুৱাই পুনৰ হেঁচা প্ৰয়োগ কৰে। আক্ৰান্তই তেওঁলোকৰ লগত টকা নাই আৰু দিব নোৱাৰে বুলি কৈ দিয়াৰ পাছতো কৰ্মচাৰীজনে বাহিৰত থকা বন্ধু নাইবা গু'গল পে'ৰ জৰিয়তে আদায় দিব পাৰিব বুলি কয়। কৰ্মচাৰী ঃ 'কি কৰিব প'ষ্টাৰ লগাম নে মিলাব? আপোনালোকৰ গুগ'ল পে' আছে নাই?' ক'ভিড আক্ৰান্ত ঃ 'কি মিলাব লাগিব, কেনেকৈ মিলাব লাগিব?' কৰ্মচাৰী ঃ 'চাহপানী খাবলৈ কিবা এটা?' ক'ভিড আক্ৰান্ত ঃ 'আমি তেনেকৈ মিলাব নোৱাৰিম, আমি ভাড়াতীয়াহে। কি কৰে কি নকৰে আপোনালোকে কৰি থাকক।' উল্লেখ্য যে কৰ্মচাৰীজনে ক'ভিডত আক্ৰান্ত লোককেইজন হোম আইছলেছনত থকা বুলি অৱগত আছিল আৰু যেতিয়া তেওঁলোক চিকিৎসাধীন অৱস্থাত থকা বুলি প্ৰকাশ কৰে তেতিয়া ভাবুকিও প্ৰদান কৰে বুলি অভিযোগ কৰিছে। সৰুসজাই ক'ভিড কেয়াৰ চেণ্টাৰত থকা কথাটো তেওঁলোকে সঁচা কৈছে নে মিছা কৈছে এই সন্দৰ্ভতো যুৱক কেইজনক ফোনত হাৰাশাস্তি কৰা বুলি সদৰী কৰি শেহতীয়াকৈ তেওঁলোকৰ নিগেটিভ অহাত বৰ্তমান ১০ দিনৰ বাবে হোম আইছ'লেছনত থকা বুলি কয়।

ইফালে, চিকিৎসাধীন অৱস্থাত থকা বাবে আৰু কৰ্মচাৰীজনে তেওঁলোকৰ ঠিকনা জনাৰ বাবে এই কথা কাকো কোৱা নাছিল বুলি উল্লেখ কৰি ৰজত ব্ৰহ্ম নামৰ যুৱকজনে কয়, 'কালি আমি সুস্থ হৈ ঘৰলৈ আহিলো আৰু বৰ্তমান আমি হোম আইছ'লেছনত আছো; কিন্তু এটা কথাত বহুত বেয়া লাগিছিল যে আমি চিকিৎসাধীন হৈ আছো আৰু সেই কৰ্মচাৰীজনে লগৰ বন্ধু নাইবা গুগ'ল পে'ৰ জৰিয়তে ধনদাবী কৰিছে। আমি টকা নিদিলো যদিও হেঙেৰাবাৰী ক'ভিড চেণ্টাৰৰ পৰা ফোন কৰা জনৈক কপিল বৰগোঁহাই নামৰ কৰ্মচাৰীজনে বহুতৰ পৰা এই প্ৰথাৰে ধন আদায় কৰি আছে। যিসময়ত চৰকাৰ-প্ৰশাসনে ক'ভিড নিয়ন্ত্ৰণ কৰিবলৈ এটাৰ পাছত আন এটা নীতি-নিৰ্দেশনা জাৰি কৰিছে সেই সময়ত এনে কৰ্মচাৰীয়ে টকাৰ লোভত যে সংক্ৰমণ বৃদ্ধি নকৰিব তাৰ কি মানে আছে। সেয়ে এনে কৰ্মচাৰীৰ বিৰুদ্ধে শাস্তি হোৱাৰ প্ৰয়োজন।' উল্লেখ্য যে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত বশিষ্ঠ আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পাৰ্থ গগৈয়ে স্বাস্থ্য বিভাগৰ কৰ্মচাৰী হিচাপে চিনাকি দিয়া লোকজন প্ৰকৃততে সেই বিভাগৰ আছিল নে নাই সেই দিশটো চোৱা হৈছে বুলি জনায়।

# কৰ'না সংক্ৰমণৰ হাৰ নিম্নমুখী, ৰাজ্যত ৮০ জন

*এক পৃষ্ঠাৰ পৰা* ইপিনে, ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সদৰী কৰিছে যে আজিৰ দিনটোত পাঁচ হেজাৰ ৭৬০ জন ৰোগী ক'ভিডমুক্ত হয়। আনহাতে, ৰাজ্যখনত সম্প্ৰতি ৫৩ হেজাৰ ৩১৭ জন সক্ৰিয় ৰোগী আছে। ৰাজ্যত এই পৰ্যন্ত কৰ'নাৰ দ্বিতীয় লহৰত তিনি লাখ ৯৮ হেজাৰ ১০ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। ইয়াৰে তিনি লাখ ৪০ হেজাৰ ১৭৮ জন ইতিমধ্যে ক'ভিডমুক্ত হৈছে। আনহাতে, তিনি হেজাৰ ১৬৮ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ইয়াৰ উপৰি অন্যান্য কাৰণত ক'ভিড পজিটিভ ৰোগীৰ মৃত্যুৰ সংখ্যা হৈছে এহেজাৰ ৩৪৭ জন। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সদৰী কৰা মতে, আজিৰ দিনটোত মহানগৰীত ৫৯৫ জনৰ উপৰি কাছাৰত ৪৩১, ডিব্ৰুগড়ত ৪১৮, তিনিচুকীয়াত ৩৮৬ আৰু নগাঁও জিলাত ৩৮৬ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হয়। সেইদৰে মহানগৰত নজন আৰু কাছাৰত সাতজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। ইয়াৰ উপৰি কৰিমগঞ্জত ছজন, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, তিনিচুকীয়াত পাঁচজনকৈ, দৰং, লখিমপুৰ, শিৱসাগৰত চাৰিজনকৈ, বৰপেটা, গোৱালপাৰা, হোজাই, শোণিতপুৰত তিনিজনকৈ, বঙাইগাঁও, কামৰূপ গ্ৰাম্য, কাৰ্বি আংলং, মৰিগাঁও, নগাঁও, নলবাৰীত দুজনকৈ তথা কোকৰাঝাৰ আৰু দক্ষিণ শালমাৰাত এজনকৈ ক'ভিড আক্ৰান্তই প্ৰাণ হেৰুৱায়।

উল্লেখ্য যে আজি কোকৰাঝাৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষকজনো ক'ভিডত আক্ৰান্ত হয়। ইয়াৰ বিপৰীতে আজি ক'ভিডত আক্ৰান্ত হৈ চৰকাৰী কৰ্মচাৰী তথা অৱসৰপ্ৰাপ্ত আবকাৰী আৰু আৰক্ষী বিষয়াই প্ৰাণ হেৰুৱায়।

### যোৰহাটত মৰ্মান্তিক ঘটনা ঃ অসুস্থ পত্নীৰ অজ্ঞাতে মৃত্যু বৃদ্ধ কৰ'নাক্ৰান্তৰ

**যোৰহাটৰ ষ্টাফ ৰিপ'ৰ্টাৰ/পশ্চিম যোৰহাটৰ অগ্ৰদূত বাৰ্তা ঃ** কৰ'না পৰিস্থিতিত আজি যোৰহাট জিলাত সংঘটিত হ'ল এক মৰ্মান্তিক ঘটনা। অসুস্থ পত্নীৰ অজ্ঞাতে শোৱাপাটিতে মৃত্যু হ'ল এজন বৃদ্ধ ক'ভিড আক্ৰান্তৰ। এই ঘটনা সংঘটিত হৈছে যোৰহাট চহৰৰ সমীপৰ তৰাজান গায়ন গাঁৱত। গাঁওখনৰ নিবাসী প্ৰশান্ত ফুকন (৭৫)ৰ মৃতদেহ আজি শোৱাপাটিতে উদ্ধাৰ হয়। ৰুগ্ন পত্নীক অকলশৰীয়াকৈ এৰি লোকজনে কৰ'নাৰ গ্ৰাসত পৰি চিৰবিদায় লোৱা ঘটনাই আজি অঞ্চলটোত শোকৰ ছাঁ পেলায়।

স্থানীয় লোকে জনোৱা মতে, বৃদ্ধ ফুকনে বিগত প্ৰায় আঠ-ন দিনৰ পূৰ্বে ক'ভিডত আক্ৰান্ত হোৱাৰ পাছৰে পৰা নিজ গৃহতে আছিল। উল্লেখ্য যে ফুকন দম্পতীৰ কোনো সন্তান নাই। অকলশৰীয়াকৈ দুয়ো বাস কৰিছিল যদিও প্ৰায় পাঁচ বছৰৰ পূৰ্বে ফুকনৰ পত্নী বাসন্তী ফুকন কোনো জটিল ৰোগত আক্ৰান্ত হৈ শয্যাশায়ী হ'বলগীয়া হয়। তেতিয়াৰে পৰা বৃদ্ধ ফুকনে বজাৰ-সমাৰৰ পৰা আদি কৰি সকলো ঘৰুৱা কাম কৰাৰ লগতে পত্নীৰ চিকিৎসা আৰু শুশ্ৰূষাও কৰি আহিছিল। ক'ভিডত আক্ৰান্ত হোৱাৰ পাছৰে পৰা লোকজনে আন এটা কোঠাত নিশা শুইছিল। আজি পুৱা একাংশ স্থানীয় লোকে ফুকন দম্পতী বহু পৰলৈকে শোৱাৰ পৰা নুঠা দেখি তেওঁলোকৰ গৃহত উপস্থিত হৈ দুৱাৰত ঢকিয়ায়। তথাপি কোনো উত্তৰ নোপোৱাত স্থানীয় লোকে আৰক্ষীক খবৰ দিয়ে। বিয়লি পুলিবৰ আৰক্ষী থানাৰ এটা দলে ফুকনৰ গৃহত উপস্থিত হৈ খিৰিকীৰে জুমি চোৱাত তেওঁ শুই থকা প্ৰত্যক্ষ কৰি দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰে। তাৰ পাছতে ফুকনক উদ্ধাৰ কৰি ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে বৃদ্ধজনক মৃত ঘোষণা কৰে। ইয়াৰ পাছত মৰণোত্তৰ পৰীক্ষাৰ পূৰ্বে সম্পন্ন কৰা ক'ভিড পৰীক্ষাত লোকজনৰ মৃতদেহত ক'ভিডৰ উপস্থিতি ধৰা পৰে। অৱশ্যে ফুকনৰ পত্নীৰ ক'ভিড পৰীক্ষাৰ ফলাফল নিগেটিভ আহে। সম্প্ৰতি যোৰহাট জিলা প্ৰশাসনে এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

### শোণিতপুৰত মৃত্যু হ'ল আঠজন ৰোগীৰ ঃ আক্ৰান্ত তিনি শতাধিক

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত কৰ'না ৰোগীৰ মৃত্যুৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। আজিৰ দিনটোতে জিলাখনত আঠজন ক'ভিড ৰোগীৰ মৃত্যু হোৱা বুলি জিলা স্বাস্থ্য বিভাগে সদৰী কৰিছে। ফলত ক'ভিডত মৃত লোকৰ সংখ্যা জিলাখনত ৮৭ জনলৈ বৃদ্ধি পালে। জিলা স্বাস্থ্য বিভাগে প্ৰথমে চাৰিজন ক'ভিড ৰোগীৰ মৃত্যুৰ তথ্য সদৰী কৰিছিল। তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱা এই ৰোগীসকল হৈছে তেজপুৰ বাৰিকা চুবুৰীৰ মধুস্মিতা বেনাৰ্জী (৫৩), ডেকাৰগাঁও বৰুৱা চুবুৰীৰ সাগৰিকা দাস (৪০), তেজপুৰ কটন ৰোডৰ মবুবৰ ৰহমান (৯১) আৰু বৰছলাৰ চেঙেলীমাৰি বঙালীগাঁৱৰ প্ৰমেশ্বৰ তালুকদাৰ (৬৫)। পৰৱৰ্তী সময়ত জিলা স্বাস্থ্য বিভাগে ক'ভিডত মৃত্যু হোৱা আন চাৰিজন ৰোগীৰ তথ্য সদৰী কৰে। এই ৰোগীসকল হৈছে তেজপুৰ দ পৰ্বতীয়াৰ মুকুট দাস (৪৮), চানমাৰিৰ বিজয় কুমাৰ ঠাকুৰীয়া (৪৪), বৰপাট গাঁৱৰ নিবদা বৰুৱা মেধি (৭২) আৰু উত্তৰ জামুগুৰিৰ ৰঙাচকুৱাৰ শ্বেত বাহাদুৰ থাপা (৭৩)। উল্লেখ্য যে কালিও জিলাখনৰ ঘোঁৰামাৰীৰ জহিৰউদ্দিন (৬৫), তেজপুৰ মাজগাঁৱৰ বীণাপানি শইকীয়া (৭৯) আৰু তেজপুৰ হজৰাপাৰৰ শিৱলাল মাঝি (৭৫)ৰ ক'ভিডত মৃত্যু হৈছিল। ইফালে, আজিৰ দিনটোত জিলাখনত ৩০১ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ বিপৰীতে আজিৰ দিনটোত ২১৪ জন ৰোগী ক'ভিডমুক্ত হয়। সম্প্ৰতি জিলাখনত দুহেজাৰ ৪৮৪ জন সক্ৰিয় ৰোগী আছে। উল্লেখ্য যে তেজপুৰৰ হেম বৰুৱা স্মৃতি ভৱনত আজি জিলাখনৰ প্ৰথমটো আদৰ্শ কৰ'না প্ৰতিষেধক প্ৰদান আৰু পৰিক্ষণ কেন্দ্ৰ মুকলি কৰে উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে। জিলাখনৰ কৰ'না সংক্ৰমণ ৰোধৰ বাবে পতঞ্জলিয়ে ৪০ খন বিছনাসহ সকলো সামগ্ৰী আৰু ডাবৰ কোম্পানীয়ে ৩৫ খন বিছনা আৰু দুখন বাহন আগবঢ়োৱা বুলি সদৰী কৰে উপায়ুক্তই।

### ডিব্ৰুগড়ত আজি পুনৰ ছজনৰ মৃত্যু ঃ আক্ৰান্ত চাৰি শতাধিক

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** এতিয়াও ডিব্ৰুগড়ত স্তিমিত হোৱা নাই অতিমাৰী ক'ভিড-১৯ৰ কালৰূপ। আজিৰ দিনটোত জিলাখনত ৪১৮ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰাৰ বিপৰীতে ছজন আক্ৰান্তই প্ৰাণ হেৰুৱায়। জিলাখনত এই পৰ্যন্ত ১২ হেজাৰ ৭৯১ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। সম্প্ৰতি ছহেজাৰ ১৬৮ জন সক্ৰিয় ৰোগী আছে। উল্লেখ্য যে বিগত ২৪ ঘণ্টাত জিলাখনত ছজন ৰোগীয়ে প্ৰাণ হেৰুৱায়। ফলত কৰ'নাৰ দ্বিতীয় সংক্ৰমণত ডিব্ৰুগড়ত মৃত্যু হোৱা লোকৰ সংখ্যা ১৬৬ জনলৈ বৃদ্ধি পালে।

### নাজিৰাত তিনি চৰকাৰী কৰ্মচাৰী-অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ মৃত্যু

**শিৱসাগৰৰ বিশেষ সংবাদদাতা/শিমলুগুৰিৰ অগ্ৰদূত বাৰ্তা ঃ** শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাত বিগত ২৪ ঘণ্টাত এজন চৰকাৰী কৰ্মচাৰী আৰু দুজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ ক'ভিডত মৃত্যু হয়। আজি মহকুমাটোৰ অন্তৰ্গত মেছাগড় বাম সন্দিকৈ গাঁৱৰ নিবাসী তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ললিত সন্দিকৈ (৬৭)ৰ মৃত্যু হয়। ক'ভিডত আক্ৰান্ত হৈ তেওঁ জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। আনহাতে, মহকুমাটোৰ শিমলুগুৰি নগৰৰ দুই নম্বৰ ৱাৰ্ডৰ নিবাসী তথা চৰকাৰী কৰ্মচাৰী থানেশ্বৰ ফুকনৰ যোৱা নিশা মৃত্যু হয়। কেন্দুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী ফুকনে শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰাত পৰিয়ালৰ লোকে মঙলবাৰে তেওঁক জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। আনহাতে, নাজিৰাৰ সমাজসেৱক তথা ধৰ্মপ্ৰাণ জ্যেষ্ঠ নাগৰিক লক্ষ্মীপ্ৰাণ দাসৰ আজি ৮৯ বছৰ বয়সত মৃত্যু হয়।

### নগাঁৱত বিগত ২৪ ঘণ্টাত চাৰিজনৰ মৃত্যু ঃ আক্ৰান্ত তিনি শতাধিক

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** নগাঁও জিলাত ক'ভিড পৰিস্থিতিৰ জটিলতা আজিও অপৰিৱৰ্তিত হৈ ৰয়। আজি জিলাখনত ছহেজাৰৰ অধিক লোকৰ কৰ'না পৰীক্ষা সম্পন্ন হৈছিল। ইয়াৰে ৩৫৮ জনৰ শৰীৰত কৰ'নাৰ উপস্থিতি চিনাক্ত হয়। যোৱা এপ্ৰিলৰ পৰা জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা নহেজাৰ ৮৮৮ জনলৈ বৃদ্ধি পালে। ইপিনে, বিগত ২৪ ঘণ্টাত জিলাখনত এজন অৱসৰপ্ৰাপ্ত আবকাৰী বিষয়াসহ চাৰিজন ৰোগীৰ মৃত্যুৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰে আজি দুজন ৰোগীৰ মৃত্যু হয়। জিলাখনৰ ৰহাৰ বামুণীজানৰ নিবাসী বাবুল দাস (৪৭)ৰ আজি নগাঁও চহৰৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত মৃত্যু হয়। আনহাতে, নগাঁও চহৰৰ মিলনপুৰৰ দীপজ্যোতি মেধি (৪৯)ৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। ইফালে, আজি পুৱতি নিশা আবকাৰী বিভাগৰ উপ-অধীক্ষকৰূপে অৱসৰ গ্ৰহণ কৰা তফাজ্জুল হুছেইন (৬৫)ৰ নগাঁও অসামৰিক চিকিৎসালয়ত মৃত্যু হয়। বিগত কিছুদিনৰ পূৰ্বে ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত হুছেইন চিকিৎসাধীন হৈ আছিল। তেওঁ পত্নীৰ লগতে এগৰাকী কন্যাক এৰি গৈছে। ইফালে, কালি আন এজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নগাঁও চহৰৰ পানীগাঁও ৰত্নপুৰ নিবাসী লক্ষী বৰা (৮০)ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বৰাই কিছুদিনৰ পূৰ্বে ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত উক্ত হাস্পতালত চিকিৎসাধীন হৈ আছিল। উল্লেখ্য যে বৰাৰ পত্নীও সম্প্ৰতি কৰ'নাত আক্ৰান্ত হৈ সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। বৰাই মৃত্যুৰ সময়ত দুই পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়। উল্লেখ্য যে জিলাখনত এই পৰ্যন্ত ৬০ জন ক'ভিড আক্ৰান্তৰ মৃত্যু হোৱা বুলি জিলা স্বাস্থ্য বিভাগৰ সূত্ৰই সদৰী কৰিছে। ইয়াৰ বিপৰীতে চৰকাৰীভাৱে পঞ্জীয়ন নোহোৱাকৈ বহু লোকৰ ক'ভিডত মৃত্যু হোৱা বুলিও সূত্ৰই সদৰী কৰে।

### ওদালগুৰিত এজনৰ মৃত্যু ঃ একাধিক চাহ বাগিচাত কৰ'নাৰ সংক্ৰমণ

**ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ** ওদালগুৰি জিলাত আজি এজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। অৱশ্যে মৃত ৰোগীজনৰ সঠিক তথ্য এতিয়াও পোহৰলৈ অহা নাই। আনহাতে, আজি জিলাখনত নতুনকৈ ৭০ জন লোকৰ শৰীৰত কৰ'না চিনাক্ত হয়। ফলত জিলাখনত সক্ৰিয় ৰোগীৰ সংখ্যা ৬৫৪ জনলৈ বৃদ্ধি পালে। আজিৰ দিনটোত জিলাখনত ৯৪ জন ৰোগী ক'ভিডমুক্ত হয়। উল্লেখ্য যে জিলাখনত এই পৰ্যন্ত ৪১ জন লোকৰ মৃত্যু হোৱা বুলি চৰকাৰীভাৱে জনাইছে। ইফালে, ওদালগুৰি জিলাত শেহতীয়াকৈ কে'বাখনো চাহ বাগিচাত গণ সংক্ৰমণৰ আশংকাই দেখা দিছে। যোৱা ১৯ মে'ৰ পৰা আজি পৰ্যন্ত একাধিক চাহ বাগিচা মিলাই ৯১ জন লোক সংক্ৰমিত হৈছে। মাজবাট ৰাজহ চক্ৰৰ অন্তৰ্গত ধনশ্ৰী, লামাবাৰী, বেতিবাৰী, মাজবাট আৰু বেতেলি চাহ বাগিচাত প্ৰায় প্ৰতিদিনে ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পায়। আজি বেতেলি চাহ বাগিচাত ১২ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ওদালগুৰিৰ চন্দনা চাহ বাগিচাতো ইতিমধ্যে ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছে। আজি মাজবাটৰ পাহাৰতলিৰ দুই নম্বৰ ধনশ্ৰী বাগানগাঁৱত ছজন লোক আক্ৰান্ত হোৱাত জিলা প্ৰশাসনে গাঁওখনক কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছে।

### বঙাইগাঁৱত বৃদ্ধাসহ দুজনৰ মৃত্যু ঃ ৫১জন আক্ৰান্ত

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁও জিলাত আজি ৬১ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা দুহেজাৰ ৭০২ জনলৈ বৃদ্ধি পালে। ইয়াৰে সক্ৰিয় ৰোগীৰ সংখ্যা ৩৬৩ জন। আনহাতে, আজি ৫২ জন ৰোগী ক'ভিডমুক্ত হয়। ইফালে, আজি এগৰাকী বৃদ্ধাসহ দুজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। মৃত বৃদ্ধাগৰাকী হৈছে ১৩ নম্বৰ ৱাৰ্ডৰ জ্যোতিনগৰৰ উষাৰাণী সাহা ৰায় (৭০)। আনজন মৃতকৰ তথ্য পোহৰলৈ অহা নাই।

### দৰঙত চাৰিজনৰ মৃত্যু ঃ আক্ৰান্ত শতাধিক

**মঙলদৈৰ বিশেষ সংবাদদাতা /ছিপাঝাৰ/দুমুনিচকীৰ অগ্ৰদূত বাৰ্তা ঃ** দৰং জিলাত আজি চাৰিজন ক'ভিড আক্ৰান্তৰ মৃত্যু হোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সদৰী কৰিছে। আনহাতে, আজিৰ দিনটোত জিলাখনত ১১৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জানুৱাৰীৰ পৰা আক্ৰান্ত লোকৰ সংখ্যা জিলাখনত পাঁচ হেজাৰ ২০২ জনলৈ বৃদ্ধি পালে। ইয়াৰে সক্ৰিয় ৰোগীৰ সংখ্যা এহেজাৰ ৪২১ জন। ২২২ জন ৰোগী সম্প্ৰতি বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। উল্লেখ্য যে জিলাখনৰ ছিপাঝাৰত কৰ'নাৰ দ্বিতীয় লহৰত এই পৰ্যন্ত এহেজাৰ ৭৩০ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ১১ জনৰ ইতিমধ্যে মৃত্যু হৈছে। ছিপাঝাৰ ৰাজহ চক্ৰ অন্তৰ্গত অঞ্চলত মৃত্যু হোৱা ৰোগীৰ সংখ্যা হৈছে ছজন। উল্লেখ্য যে ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ খলিহৈ বাজানা পথাৰত আজি ১৮৮ জনৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। ইয়াৰে ১০ জনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে বমন পথাৰ গাঁৱৰ কণ্টেইনমেণ্ট জ'নত থকা ৩৬ জনৰ পৰীক্ষা সম্পন্ন কৰাত পুনৰ দুজনৰ ফলাফল পজিটিভ আহে। সেইদৰে বাজানা পথাৰত আঠজন আক্ৰান্ত হয়।

### বৰমাত অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ মৃত্যু

**বৰমা ঃ** বাগ্‌সা জিলাৰ বৰমাত আজি এজন অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ ক'ভিডত মৃত্যু হয়। বৰমা কালঝাৰ নিবাসী অৱসৰপ্ৰাপ্ত উপ-আৰক্ষী পৰিদৰ্শক হৰগোবিন্দ পাঠক (৬৬)ৰ আজি পুৱা চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। যোৱা ১৪ মে'ত ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত পাঠকক প্ৰথমে নলবাৰীত চিকিৎসাধীন কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যায় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। যোৱা ২৫ মে'ত পাঠকৰ কৰ'না পৰীক্ষাৰ ফলাফল নিগেটিভ আহিছিল যদিও হৃৎপিণ্ড আৰু হাওঁফাওঁ গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ ফলত তেওঁ চিকিৎসাধীন হৈ আছিল।

### পাথৰিঘাটত এসপ্তাহৰ অন্তৰালত পিতা-পুত্ৰৰ ক'ভিডত মৃত্যু

**দুনীৰ অগ্ৰদূত বাৰ্তা ঃ** দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বৰমপুৰ গাঁৱৰ এহাল পিতা-পুত্ৰৰ এসপ্তাহৰ অন্তৰালত ক'ভিডত মৃত্যু হয়। যোৱা ২১ মে'ত গাঁওখনৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা একালৰ সুদক্ষ খেলুৱৈ আব্দুল ৰহমানৰ ক'ভিডত মৃত্যু হৈছিল। যোৱা নিশা তেওঁৰ পুত্ৰ তথা শিক্ষক আব্দুল কৰিম (৪৪)ৰ জিএনআৰচি হাস্পতালত মৃত্যু হয়। বিগত প্ৰায় ১৮টা দিন তেওঁ জিএনআৰচিত চিকিৎসাধীন হৈ আছিল। উল্লেখ্য যে ১৯৯৯ত অ'বিবি আঁচনিৰ অধীনত শিক্ষকৰ চাকৰিত মকৰল হোৱাৰ কিছু বছৰৰ পাছত বিতাড়িত হোৱা দৰঙৰ শিক্ষকসকলৰ অন্যতম আছিল কৰিম। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে তিনিগৰাকী কন্যাক এৰি গৈছে। কৰিমৰ মৃত্যুত অঞ্চলটোৰ বিভিন্নজনে শোক প্ৰকাশ কৰে।

### মৰিগাঁৱত দুজনৰ মৃত্যু ঃ দ্বিশতাধিক ক'ভিডমুক্ত

**মৰিগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** মৰিগাঁও জিলাত আজি দুজন ক'ভিড ৰোগীৰ মৃত্যু হোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে সদৰী কৰিছে। ইয়াৰে এজন হৈছে হাবিবৰঙাবাৰীৰ ভোলাৰাম নাথ (৬০)। আনজন মৃতকৰ তথ্য এতিয়াও পোহৰলৈ অহা নাই। উল্লেখ্য যে জিলাখনত এই পৰ্যন্ত পাঁচ হেজাৰ ১৬৩ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। ইয়াৰে দুহেজাৰ ৮৫০ জন ইতিমধ্যে সুস্থ হৈছে। আজিও জিলাখনৰ ২২৬ জন ৰোগী ক'ভিডমুক্ত হয়। মৰিগাঁৱত এই পৰ্যন্ত কৰ'না দ্বিতীয় লহৰত ১৯ জন ৰোগীৰ মৃত্যু হৈছে।

### কোকৰাঝাৰত দুজনৰ মৃত্যু ঃ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক আক্ৰান্ত

**গোসাঁইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত বিগত ২৪ ঘণ্টাত দুজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত ৰোগীদ্বয় হৈছে কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা গোসাঁইগাঁৱৰ নিৰঞ্জন ঘোষ (৭৭) আৰু বগৰীবাৰীৰ মানিকউদ্দিন (৪০)। ইফালে, আজি জিলাখনত নতুনকৈ ৬৫ জন ক'ভিড ৰোগী চিনাক্ত হয়। উল্লেখ্য যে কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ সুজিত দাসৰ শৰীৰতো ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছে। জ্বৰ আৰু চৰ্দিত আক্ৰান্ত হোৱা চিকিৎসকজনে আজি নিজ কৰ্মস্থলীতে ৰেপিড এণ্টিজেন পৰীক্ষা কৰাইছিল আৰু ফলাফল পজিটিভ আহে। সম্প্ৰতি ডাঃ দাস চিকিৎসালয় চৌহদত থকা আৱাসত আছুতীয়াকৈ আছে। উল্লেখ্য যে কোকৰাঝাৰ জিলাত সম্প্ৰতি ৪৫১ জন সক্ৰিয় ৰোগী আছে। ইতিমধ্যে জিলাখনৰ ৮১ জন ৰোগী ক'ভিডমুক্ত হৈছে।

### মৰাণত ৭৩ জনৰ শৰীৰত ক'ভিড

**মৰাণৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ অন্তৰ্গত বৃহত্তৰ মৰাণ অঞ্চলত আজি নতুনকৈ ৭৩ জন লোক ক'ভিডত আক্ৰান্ত হয়। ডিব্ৰুগড় জিলাৰ খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত ৬১ জন আৰু চৰাইদেউ জিলাৰ পাটসাঁকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত ১২ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত বৃহত্তৰ মৰাণ অঞ্চলত এই পৰ্যন্ত আক্ৰান্ত লোকৰ সংখ্যা দুহেজাৰ ৩৩৯ জনলৈ বৃদ্ধি পালে। উল্লেখ্য যে বৃহত্তৰ মৰাণ অঞ্চলত এই পৰ্যন্ত ২২ জন ক'ভিড আক্ৰান্ত মৃত্যু হৈছে।

### বোকাখাতত ৪২ জন আক্ৰান্ত

**বোকাখাতৰ অগ্ৰদূত বাৰ্তা ঃ** বোকাখাত মহকুমাত আজি ৪২ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে ১৩ জন আক্ৰান্তক বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বাকী ২৯ জনক নিজ গৃহত স্বাস্থ্য বিভাগৰ পৰ্যবেক্ষণত ৰখা হৈছে। এই পৰ্যন্ত কৰ'নাৰ দ্বিতীয় লহৰত মহকুমাটোত এহেজাৰ ২২৪ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। ইয়াৰে ১০ জন আক্ৰান্তৰ ইতিমধ্যে মৃত্যু হৈছে।

### নলবাৰীত ৯৪ জন আক্ৰান্ত ঃ দুজনৰ মৃত্যু

**নলবাৰী/বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত আজি নতুনকৈ ৯৪ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত কৰ'নাৰ দ্বিতীয় লহৰত আক্ৰান্ত লোকৰ সংখ্যা চাৰি হেজাৰ ৯৬৯ জনলৈ বৃদ্ধি পালে। আনহাতে, জিলাখনত আজি দুজন ৰোগীৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগে সদৰী কৰিছে যদিও তেওঁলোকৰ তথ্য পোহৰলৈ অহা নাই। উল্লেখ্য যে জিলাখনৰ বৰভাগ অঞ্চলত আজি তিনিজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে।

### গোৱালপাৰাত নতুনকৈ ১৯৮ জন আক্ৰান্ত

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** বিগত পাঁচটা দিনত গোৱালপাৰাত আক্ৰান্তৰ মুঠ সংখ্যা নিম্নগামী হৈছিল। অথচ আজি নতুনকৈ ১৯৮ জন লোক ক'ভিডত আক্ৰান্ত হয়। ইয়াৰ বিপৰীতে আজি ১২৩ জন লোক ক'ভিডমুক্ত হোৱা বুলি বিভাগীয় সূত্ৰই জনাইছে। সম্প্ৰতি জিলাখনত সক্ৰিয় ৰোগীৰ সংখ্যা হৈছে ৯৫৪ জন। ইয়াৰে ৬৫ জন ৰোগী বিভিন্ন হাস্পতালত চিকিৎসাধীন হৈ আছে।

### আজাৰাত ৪৭ জন আক্ৰান্ত

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজি ৪৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে ২১ জন আক্ৰান্তক বিভিন্ন ক'ভিড সেৱা কেন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছে। আন ২৬ জনক নিজ গৃহতে পৰ্যবেক্ষণত ৰখাৰ ব্যৱস্থা কৰিছে স্বাস্থ্য বিভাগে।

# ধিঙৰ টুকটুকী ৰৌমাৰীত ড্ৰাগছ সৰবৰাহকাৰী দম্পতীক আটক

অগ্ৰদূত বাৰ্তা

**ধিং, ২৮ মে’ ঃ** আজিৰ শিশু কাইলৈ দেশৰ সুনাগৰিক; কিন্তু এইসকল শিশুক এতিয়া সুশিক্ষাৰ এক পৰিৱেশ দিয়াৰ বিপৰীতে তুলি দিছে মৃত্যুদূত ৰূপী ড্ৰাগছ। আজি ধিং আৰু আহোম গাঁও আৰক্ষীৰ ড্ৰাগছ বিৰোধী যুটীয়া অভিযানত টুকটুকী ৰৌমাৰীত উন্মোচিত হয় এক ভয়ংকৰ ঘটনা। আহোম গাঁও উপ-আৰক্ষী চকীৰ পৰা নাতি দূৰত্বত অৱস্থিত টুকটুকী ৰৌমাৰীৰ নুৰুল হক নামৰ ড্ৰাগছ সৰবৰাহকাৰীজন ঘৰৰ পৰা কালি দুটাকৈ কণমানি শিশুৱে ড্ৰাগছ ক্ৰয় কৰি নিয়াৰ পাছতে ৰাইজে হাতে-লোটে ধৰাৰ লগতে দুটাকৈ কণ্টেইনাৰ জব্দ কৰে। ড্ৰাগছ ক্ৰয় কৰা কিশোৰ দুজন ক্ৰমে চতুৰ্থ আৰু ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত। বিগত কে’বা বছৰ ধৰি নুৰুল ইছলামৰ পৰিয়ালে ড্ৰাগছ সৰবৰাহ কামত লিপ্ত থকা বুলি স্থানীয় ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰে। নুৰুল ইছলামৰ লগতে তেওঁৰ পত্নী অনজুমা চুলতানা আৰু ১৬ বছৰীয়া পুত্ৰ সন্তানে এনে অসামাজিক কাৰ্যকলাপত লিপ্ত আছে বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। অনজুমা আৰু নুৰুল ক ৰাইজে আটক কৰি আৰক্ষীক গতাই দিয়ে যদিও তেওঁলোকৰ পুত্ৰই পলায়ন কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ড্ৰাগছ ক্ৰয় কৰা কিশোৰ দুজন বিগত কিছুদিনৰ পৰা সেৱন কৰি অহাক লৈ স্থানীয় ৰাইজে নিৰীক্ষণ কৰি আহিছিল। ড্ৰাগছ সেৱন কৰিবলৈ টকা নাপালে প্ৰায়ে চুৰিকাণ্ডৰ আশ্ৰয় লয়। স্মতৰ্ব্য যে বিগত বহুদিন ধৰি নগাঁও জিলাৰ বিভিন্ন স্থানত আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ সুযোগ গ্ৰহণ কৰি মদ, ভাং, জুৱা, তীৰৰ লগতে ড্ৰাগছ আদিৰ ৰমৰমীয়া ব্যৱসায় চলি আহিছে।

# প্ৰয়াত বিধায়ক নাৰ্জাৰীৰ গৃহত বিধানসভাৰ অধ্যক্ষ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/ফকিৰাগ্ৰাম/দোতমা ২৮ মে’ ঃ** কৰ’না আক্ৰান্ত হৈ অৱশেষত জীৱনযুদ্ধত পৰাভূত হৈ জিএমচিএইছৰ বিছনাত শেষ নিশ্বাস ত্যাগ কৰা বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ গৃহত কালি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালক সাক্ষাৎ কৰি গভীৰ শোক প্ৰকাশ কৰে। উল্লেখ্য যে ক’ভিড-১৯ৰ সংক্ৰমণ ঘটাত উন্নত চিকিৎসাৰ বাবে জিএমচি হাস্পতালত চিকিৎসাধীন হৈ থকা বিধায়ক নাৰ্জাৰীয়ে ক’ভিড-১৯ মুক্ত হৈ সাময়িকভাৱে সুস্থ হৈ উঠাত চিকিৎসকে চিকিৎসালয়ৰ পৰা আহিবলৈ দিছিল। কিন্তু সেই সুস্থতা বেছি পৰ নাথাকিল। এদিন পাছতে মগজুৰ ৰক্তক্ষৰণ হৈ অসুস্থ হোৱা বিধায়ক নাৰ্জাৰীক সংকটজনক অৱস্থাত পুনৰবাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও দ্বিতীয়বাৰৰ বাবে তেওঁ আৰু সুস্থ হৈ নুঠিল। বিভিন্ন বিশেষজ্ঞ চিকিৎসকৰ আপ্ৰাণ চেষ্টাৰ পাছতো জ্ঞান ঘূৰাই নোপোৱা বিধায়কজনে কালি পুৱা জিএমচিএইছৰ বিছনাত শেষ নিশ্বাস ত্যাগ কৰে। নাৰ্জাৰীৰ আকস্মিক বিয়োগত ম্ৰিয়মান হৈ পৰা গোসাঁইগাঁওবাসী ৰাইজে অশ্ৰুসিক্ত নয়নেৰে কালি শ্ৰদ্ধা জনাই চিৰ বিদায় দিয়ে। প্ৰয়াত বিধায়কজনৰ প্ৰতি শ্ৰদ্ধা আৰু পৰিয়ালক শোক-সমবেদনা জ্ঞাপন কৰাৰ বাবে আজি পুনৰ অসম বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে বাসগৃহত উপস্থিত হয়। তেওঁ প্ৰয়াত বিধায়কজনৰ শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে সমাধি স্থানত শ্ৰদ্ধাঞ্জলি প্ৰদানৰ উপৰি পৰিয়ালবৰ্গক গভীৰ সমবেদনা জনায়। বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে প্ৰয়াত বিধায়কৰ পত্নীসহ পৰিয়ালবৰ্গৰ স’তে সাক্ষাৎ হৈ আৱেগিক হৈ পৰা পৰিলক্ষিত হয়। প্ৰয়াত নাৰ্জাৰীৰ সততা, ভদ্ৰতা, জনপ্ৰিয়তা আৰু একনিষ্ঠতা আজিৰ দিনত বিৰল। তেওঁৰ জীৱনশৈলী আৰু স্বভাৱ চৰিত্ৰ অনুকৰণীয় বুলি কয় দৈমাৰীয়ে। তেওঁৰ অভাৱ অপূৰণীয় বুলিও উল্লেখ কৰে।

# গোৰৰ্দ্ধনাত ড্ৰাগছসহ ধৃত দুই



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৮ মে’ ঃ** ৰাজ্যজুৰি অসম আৰক্ষী আৰু প্ৰশাসনৰ লোকে সম্প্ৰতি নিষিদ্ধঘোষিত ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। অসম আৰক্ষীৰ শীৰ্ষ বিষয়াৰ নিৰ্দেশ মৰ্মেই জিলাই জিলাই এই ক্ষেত্ৰত সক্ৰিয় হৈ পৰিছে আৰক্ষী প্ৰশাসন। বাগ্‌সা জিলাৰ শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্যৰ নেতৃত্বত সমগ্ৰ শালবাৰী মহকুমাতেই জোৰদাৰ কৰি তোলা হৈছে ড্ৰাগছ বিৰোধী অভিযান। অভিযানত বিগত দুটা দিনত তিনিজনকৈ যুৱকক আটক কৰাৰ লগতে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে নিষিদ্ধ ঘোষিত ড্ৰাগছসহ বহু আপত্তিজনক সামগ্ৰী। আৰক্ষী বিষয়া বৈশ্যই পৰহি সদৰী কৰা মতে নিষিদ্ধঘোষিত ড্ৰাগছৰ ব্যৱসায়ত জড়িত মহকুমাটোৰ গোৰৰ্ধনা আৰক্ষী থানাৰ অন্তৰ্গত পোৱাভৰালৰ পৰা যোৱা ২৪ মে’ত আবুল হুছেইন (২৩) নামৰ এজন যুৱকক আটক কৰাৰ লগতে যুৱকজনৰ পৰা ৭.৬৬ গ্ৰাম ব্ৰাউন ছুগাৰ, লাইটাৰ, এপেকেট এলুমিনিয়াম, তৰ্জু, নগদ ১৪১৬০ টকা, দুশ খালী কনটেইনাৰ, এএছ-১৫এম-৮৮৭৪ নম্বৰৰ এখন মটৰচাইকেল, ম’বাইল ফোনসহ বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে। যুৱকজনৰ স্বীকাৰোক্তিৰ ভিত্তিত যোৱা ২৫ মে’ৰ নিশা একে গাঁৱৰে ড্ৰাগছৰ ব্যৱসায়ত জড়িত বিল্লাল হুছেইন (২৪) আৰু মোহম্মদ আলী (২২) নামৰ আন দুই যুৱককো অভিযান চলাই আটক কৰা হয়। ধৃত যুৱকদ্বয়ৰ পৰা ৮.২৬ গ্ৰাম ব্ৰাউন ছুগাৰসহ ৩০টা কনটেইনাৰ জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। গোৰৰ্ধনা থানাৰ আৰক্ষী বিষয়া আৰু শিমলাগুৰি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সহযোগত ড্ৰাগছ ব্যৱসায়ৰ স’তে জড়িত যুৱক তিনিজনক আটক কৰা হয়।

# ধৰ্মপ্ৰাণ ব্যক্তি ৰতন ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দুনী, ২৮ মে’ ঃ** পশ্চিম দৰঙৰ হাতীমাৰা গাঁও নিবাসী ধৰ্মপ্ৰাণ সামাজিক ব্যক্তি ৰতন ডেকা (৯২)ৰ যোৱা ২৬ মে’ৰ নিশা নিজ বাসগৃহত মৃত্যু হয়। যোৱা ১৬ মে’ত তেওঁৰ ক’ভিড পজিটিভ হোৱাৰ পাছত চিকিৎসাধীন হৈ ২২ মে’ত নিগেটিভ অহাত ঘৰলৈ আহিছিল। উল্লেখ্য যে ডেকাৰ ঘৰৰ পাঁচগৰাকী সদস্য ক’ভিডত আক্ৰান্ত হৈছিল যদিও আজি ক’ভিড পৰীক্ষাত সকলোৰে নিগেটিভ আহিছে। মৃত্যুৰ সময়ত তেওঁ তিনি পুত্ৰ আৰু এগৰাকী কন্যাসহ আত্মীয়ক ইহ সংসাত ৰৈ যায়।

# মালিবাৰীত নিশা চোৰাং কাঠভৰ্তি ট্ৰাক-ট্ৰেক্টৰ জব্দ

অগ্ৰদূত বাৰ্তা

**বকো/আলোপতি, ২৮ মে’ ঃ** বকো সমষ্টিৰ বিভিন্ন প্ৰান্তত দীৰ্ঘদিন ধৰি চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ মাজতে যোৱা ২৬ মে’ৰ নিশা মালিবাৰীত বন বিভাগে অভিযান চলাই জব্দ কৰে এখন ট্ৰাকসহ বৃহৎ পৰিমাণৰ চোৰাং শাল কাঠ। নিশা পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া আব্দুৰ ৰৌফ আহমেদৰ নেতৃত্বত চলা অভিযানত প্ৰায় ডেৰ লক্ষাধিক টকাৰ শালকাঠৰ কুণ্ডাসহ এ এছ-০২ এ চি ৬২১৪ নম্বৰৰ এখন ট্ৰাকো জব্দ কৰে। কালি পুৱাই শিংৰা বনাঞ্চলিক কাৰ্যালয়লৈ নিয়া হয় জব্দকৃত ট্ৰাকসহ কাঠখিনি। শালকাঠৰ কুণ্ডাসমূহ চুবুৰীয়া মেঘালয়ৰ পৰা চোৰাং ব্যৱসায়ীয়ে ক্ৰয় কৰি অনাৰ সন্দেহ ব্যক্ত কৰিছে বন বিভাগে। অভিযানকাৰী বন বিভাগৰ দলে এখন ট্ৰেক্টৰো জব্দ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বকো সমষ্টিৰ বিভিন্ন প্ৰান্তত চোৰাং কাঠ, শিল-বালি আদিৰ বৃহৎ অবৈধ ব্যৱসায় চলি থকাৰ পাছতো বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে ৰহস্যজনক ভূমিকা গ্ৰহণ কৰি আহিছে যদিও পশ্চিম কামৰূপ বন সংমণ্ডলত ৰঞ্জিত কোঁৱৰ ডি এফ অ’ হিচাপে যোগদান কৰিয়েই এনে চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হৈছে।

# পাটাছাৰকুছিত ডেৰ বছৰীয়া শিশুৰ মৃত্যু

**পাটাছাৰকুছি, ২৮ মে’ ঃ** পাটাছাৰকুছিৰ সমীপৰ টঙাৰকুৰৰ নিৱাসী বাপন গোস্বামী আৰু অঞ্জু গোস্বামীৰ কণমানি পুত্ৰ সন্তান দ্বীপজ্যোতি গোস্বামীৰ যোৱা ২৩ মে’ত জি এম চি এইছত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মাত্ৰ ডেৰ বছৰীয়া শিশুটি ষ্ট্ৰোকত আক্ৰান্ত হৈ জি এম চি এইছত চিকিৎসাধীন হৈ আছিল।

# মানকাচৰত চোৰাং গৰুসহ ধৃত এক

**মানকাচৰ, ২৮ মে’ ঃ** মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী চৰ কুকুৰমাৰাত পৰহি আৰক্ষীয়ে সাতটা গৰুসহ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। নিশা মানকাচৰৰ পৰা ১৫ কিলোমিটাৰ নিলগৰ চৰ কুকুৰমাৰা সীমান্তৰ কাঁইটীয়া তাঁৰৰ বেৰা কাটি বাংলাদেশ সীমান্তয়েদি গৰু পাৰ কৰাৰ বাবে যো-জা কৰাৰ সময়তে আৰক্ষীয়ে আৰমান আলী নামৰ লোক এজনক সাতটা গৰুসহ আটক কৰে। সম্প্ৰতি মানকাচৰ আৰক্ষীয়ে লোকজনক মাৰাথন জেৰা অব্যাহত ৰাখিছে।

# মঙলদৈত আৰক্ষীৰ জালত গাঞ্জা সৰবৰাহকাৰী

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৮ মে’ ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী খাটনিয়াপাৰাত কালি আৰক্ষীয়ে অভিযান চলাই গাঞ্জাসহ এজন ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। জিলাখনৰ উপ-আৰক্ষী অধীক্ষক (সদৰ) মামণি হাজৰিকাৰ নেতৃত্বত আৰু ধূলা আৰক্ষী চকীৰ সহযোগত এক বিশেষ সূত্ৰৰ পম খেদি চলোৱা অভিযানত খাটনিয়াপাৰাৰ মহম্মদ আলী (৪৮)ক ৪.৫ কিলোগ্ৰাম গাঞ্জাৰ স’তে নিজা গৃহৰ পৰা আটক কৰে।

# নলবাৰীত কৃষি বিভাগত কৃষকক বঞ্চনাৰ অভিযোগ

## নিম্নমানৰ কলৰ বীজ যোগান

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৮ মে’ ঃ** ৰাজ্যৰ উপান্ত কৃষক সমাজক প্ৰতিটো দিশতে চৰকাৰ, কৃষি বিভাগে প্ৰৱঞ্চনা কৰাৰ অভিযোগ উঠিছে। কিছুদিন পূৰ্বে ৰাজ্যখনৰ লগতে নলবাৰীতো কৃষি বিভাগত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনি, মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত যোগান ধৰা ট্ৰেক্টৰৰ নামত ব্যাপক দুৰ্নীতি-কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগে কৃষকৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। অভিযোগ অনুসৰি নেতা-পালিনেতাৰ ঘনিষ্ঠ বা অকৃষকে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ধন আৰু ট্ৰেক্টৰ লাভ কৰিছিল।

শেহতীয়াকৈ ৰাজ্যৰ লগতে নলবাৰীত কৃষি বিভাগৰ অধীনৰ উদ্যান শস্য শাখাই কৃষকৰ উন্নয়নৰ বাবে উন্নত জাতৰ কলপুলি বিতৰণৰ নামত চৰম ভেঁকোভাওনা পতা বুলি কৃষকৰ মাজত চৰ্চা হৈছে। অভিযোগ অনুসৰি কৃষি বিভাগে কৃষকক অতি নিম্ন মানৰ কলৰ মধুনা যোগান ধৰাৰ লগতে বিতৰণ প্ৰক্ৰিয়াটো অনিময় হৈছে। ফলত পাব লগা কৃষকে নাপাই অকৃষকে পোৱাৰ অভিযোগ উত্থাপিত হৈছে। কৃষি বিভাগৰ উদ্যান শস্য শাখাই কৃষকক যোগান ধৰা উন্নত মানৰ ‘অমৃত সাগৰ’ কলৰ জাতৰ নামত কোনো কোনো ঠাইত শুকাই যোৱা কলৰ মধুনা বিতৰণ কৰা দেখি কৃষকৰ চকু কপালত উঠিছে। অভিযোগ অনুসৰি নলবাৰী জিলা কৃষি বিষয়াৰ কাৰ্যালয়ে জিলাখনৰ কৃষকসকলৰ এই সমস্যাৰ বিষয়ত কোনো গুৰুত্ব দিয়া নাই। ইফালে ৰাইজৰ মাজত প্ৰশ্ন উত্থাপিত হৈছে যে জিলাখনৰ একমাত্ৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক জয়ন্ত মল্ল বৰুৱা, দিগন্ত বৰ্মনে বিহিত ব্যৱস্থা লবনে? সম্প্ৰতি নলবাৰী জিলা কৃষক পৰিষদৰ সভাপতি কৰুণা কলিতা, সম্পাদক ৰবীন মিশ্ৰ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ৰাজ্যিক প্ৰচাৰ সম্পাদক ব্ৰজেন চৌধুৰী, জিলা সভাপতি পাৰ্থ প্ৰতিম শৰ্মা, সাধাৰণ সম্পাদক কৌশিক বৰ্মনে কৃষকক কৃষি বিভাগে কৰা এনে প্ৰৱঞ্চনাৰ ক্ষেত্ৰত চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু জিলা প্ৰশাসনৰ ওচৰত উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে।

# ৰাণীত ড্ৰাগছসহ গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৮ মে’ ঃ** বিগত কিছুদিন ধৰি ৰাজ্যৰ চুকে-কোণে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে গোপন অভিযান চলাই ড্ৰাগছৰ ঘাটি উৎখাত কৰাৰ লগতে দুৰ্ধৰ্ষ ড্ৰাগছ মাফিয়াকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে। সমান্তৰালভাৱে ৰাণী আৰক্ষী চকীৰ অন্তৰ্গত বৃহত্তৰ ৰাণীত বিগত বহুদিন ধৰি সংযোপনে একাংশ যুৱক-যুৱতীয়ে এই মাৰাত্মক ড্ৰাগছ সেৱন কৰাৰ লগতে গোপনে বেহা কৰি আহিছিল। এই সন্দৰ্ভত ৰাণী আৰক্ষী আৰু পলাশবাৰী আৰক্ষীয়ে যুটীয়াভাৱে আনকি অবিৰতভাৱে মাৰাথন জেৰা অব্যাহত ৰাখি আহিছিল। যাৰ ফলশ্ৰুতিত পৰহি সন্ধিয়া ৰাণী-বঙৰাৰ ইছলামপুৰত ড্ৰাগছ সেৱন কৰি থকা অৱস্থাত মুঠ চাৰিজন যুৱকক আৰক্ষীয়ে আটক কৰে। পলাশবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সত্যেন্দ্ৰ সিং হাজাৰী আৰু ৰাণী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া টুগুল বড়োৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে এ এছ-২৫ চি-৯২৫৯ নম্বৰৰ চাংসাৰী এফচিআই এচেনচিয়েল ডিউটীৰ ফলক লিখা থকা ট্ৰাকৰ কেবিনৰ ভিতৰত ড্ৰাগছ সেৱন কৰি থকা অৱস্থাত মূল অভিযুক্ত, ড্ৰাগছ সৰবৰাহকাৰী, ট্ৰাকচালক মনিৰ আলী (২৪), চেমছুল আলী (২৩), আমজেদ আলী (৩৫) আৰু আইনুল আলী (৩০)ক হাতে-লোটে ধৰিবলৈ সক্ষম হয়। ঘটনাস্থলীৰ পৰা প্ৰায় ২০ হেজাৰ মূল্যৰ ২০টা কণ্টেইনাৰ আৰু ২.৫০০ গ্ৰাম ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। পেছাত ট্ৰাকচালক মনিৰ আলীয়ে দিয়া স্বীকাৰোক্তি মতে, আৰক্ষীয়ে সদৰী কৰা মতে দীৰ্ঘদিনে বঙৰা, ইছলামপুৰ, ৰাণী, ভিআইপি, ৰাণীগেট, মিৰ্জা, বৰকুছি, আজাৰা, গাড়ীগাঁও আদি ঠাইত মনিৰ আলীয়ে বহু যুৱক-যুৱতীক এই নিষিদ্ধ ড্ৰাগছ যোগান ধৰি আহিছিল। সহজ ধন উপাৰ্জনৰ বাবে লোভ দেখুৱাই এচাম লোকক সৰবৰাহ কৰা কাৰ্যতো লিপ্ত কৰাই আহিছিল।

# হাটশিঙিমাৰীত কিশোৰীৰ মৃতদেহ উদ্ধাৰ

**মানকাচৰ, ২৮ মে’ ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সুখচৰ থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী বৰাইৰ আলগাত লুইতৰ পাৰত কালি কিশোৰী এগৰাকীৰ অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। উল্লেখ্য যে লুইতৰে মৃতদেহ ভাহি বাংলাদেশৰ দিশে গৈ থকা অৱস্থাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি সুখচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সুদীপ চৌধুৰীক অৱগত কৰে। আৰক্ষী বিষয়াজনৰ লগতে আৰক্ষী দল এটাই দিনৰ প্ৰায় এক বজাত ঘটনাস্থলীত উপস্থিত হৈ কোনোমতে মৃতদেহটো উদ্ধাৰ কৰে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, অৰ্ধগলিত মৃতদেহটো ১২ বছৰীয়া কিশোৰী। কোনোবাই হত্যা কৰি নদীত পেলাই দিলে নে আন কিবা ৰহস্য আছে সেয়া এতিয়ালৈ স্পষ্ট হোৱা নাই যদিও সুখচৰ আৰক্ষীয়ে অনুসন্ধান চলাই আছে। মৰণোত্তৰ পৰীক্ষাৰ বাবে কাইলৈ মৃতদেহ ধুবুৰীলৈ প্ৰেৰণ কৰা হ’ব।

# অবৈধভাৱে স্থাপন কৰিবলৈ লোৱা ভাটা নিৰ্মাণ বন্ধ কৰিবলৈ দৰং জিলা প্ৰশাসনক আহ্বান

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৮ মে’ ঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কুঁৱৰীগাঁৱত অবৈধভাৱে ইটাভাটা নিৰ্মাণৰ কাম চলি থকাৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত কুঁৱৰীগাঁৱৰ সচেতন ৰাইজে ইতিমধ্যে দৰং প্ৰশাসনক অভিযোগপত্ৰ দাখিল কৰিছে। এই অভিযোগৰ ভিত্তিত কে’বাখনো কাকতত বাতৰি প্ৰকাশিত হোৱাৰ পাছত ৬৯০১৪২২৮৩৯ নম্বৰ ম’বাইলেৰে বাতৰি পৰিৱেশন কৰা সংবাদকৰ্মী এজনক ভাবুকি প্ৰদান কৰে প্ৰদীপ দাস নামৰ এজন অসাধু ব্যৱসায়ীৰ কোনো অজ্ঞাত দালালে। দাসৰ ছত্ৰছায়াত বিভাগীয় কোনো নিয়ম অনুসৰণ নকৰাকৈ ক’ভিড পৰিস্থিতিৰ মাজতো ইটাভাটা স্থাপনৰ কাম চলি থকাত সাধাৰণতে অসন্তোষ প্ৰকাশ কৰিছে কুঁৱৰীগাঁৱৰ একাংশ কৃষক ৰাইজে। দাসে আনকি সংৰক্ষিত বনাঞ্চলৰ মাজেৰে ভাটাৰ পথ স্থাপন কৰিছে বুলি অভিযোগ উঠিছে। অভিযোগটোত ৰঙামাটি খনন কৰি ভাটাৰ পথ নিৰ্মাণকে ধৰি অবৈধভাৱে ভাটাৰ কাম কৰি থকাৰ অভিযোগ তুলি কাম বন্ধ কৰাৰ দাবী তুলিছে একাংশ কৃষক ৰাইজে। বুবুল বড়ো, বলীন ৰাজবংশীকে ধৰি আন কেইজনমান কৃষকে আকৌ এই ইটা উদ্যোগসমূহৰ বাবে অঞ্চলটোৰ স্কুলীয়া ছাত্ৰই পঢ়াশালি এৰি ইটাৰ ভাটাত নিয়োজিত হোৱাৰো স্পষ্ট অভিযোগ তুলিছে। অঞ্চলটোৰ একাংশ ছাত্ৰক শিক্ষাৰ পৰা আঁতৰাই দাসে শ্ৰমিক হিচাপে নিয়োগ কৰা বুলিও উল্লেখ কৰিছে। অভিযোগটোৰ শেষত কেইগৰাকীমান দালালৰ সহযোগত শালিধানৰ খেতি পথাৰত দাসে অবৈধভাৱে স্থাপন কৰিবলৈ লোৱা ভাটাটো নিৰ্মাণৰ কাম শীঘ্ৰে বন্ধ কৰি দিবলৈ দৰং জিলা প্ৰশাসনক অনুৰোধ জনাইছে একাংশ কৃষকে। বিশেষকৈ এই ক’ভিড নিয়মৰ সময়ত সকলো নীতি-নিয়ম ভৰিৰে মোহাৰি অসাধু চক্ৰটোৱে কাৰ সাহসত নথিপত্ৰ বিহীনভাৱে নতুন ভাটা স্থাপনৰ কাম অব্যাহত ৰাখিছে বুলিও সৰ্বত্ৰে প্ৰশ্ন উত্থাপিত হৈছে। উল্লেখ্য যে বিভাগীয় নীতি অনুসৰি, দুটা ভাটাৰ চিমনিৰ মাজত অতি কমেও পাঁচশ মিটাৰৰ ব্যৱধান থাকিব লাগে। কিন্তু কুঁৱৰীগাঁৱত পূৰ্বৰে পৰা থকা ভাটাৰ চিমনিৰ পৰা মাত্ৰ দুশ মিটাৰমান ব্যৱধানত অবৈধভাৱে নিৰ্মাণ কৰি থকা হৈছে নতুন ভাটাৰ চিমনি।

# ১৮ বছৰে পৰিত্যক্ত বাসুগাঁৱৰ ৩০খন বিছনাযুক্ত চিকিৎসালয়

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৮ মে’ ঃ** চিৰাং জিলাৰ বাসুগাঁৱৰ পৰিত্যক্ত চিকিৎসালয়খন যোৱা ২৬ মে’ত পৰিদৰ্শন কৰে চিদলীৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে। বাসুগাঁৱত ২০০৪তে বিটিচি গঠনৰ পাছত ৩০খন বিছনাৰ চিকিৎসালয় নিৰ্মাণ কৰিছিল বাসুগাঁও পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ডৰ খাগ্ৰাবাৰীত। চিকিৎসালয়খনৰ সকলো সুন্দৰভাৱেই নিৰ্মাণ হৈছিল। চিকিৎসকসকলৰ বাবে আৱাসিক গৃহও নিৰ্মাণ কৰিছিল চৰকাৰৰ কে’বা কোটি টকা খৰচ কৰি, কিন্তু আটক ধুনীয়াকৈ নিৰ্মাণ কৰা চিকিৎসালয়খনৰ নিৰ্মাণৰ পাছতো মুকলি নহ’ল বিগত ১৮ টা বছৰে। বৰ্তমান উক্ত চিকিৎসালয়ত গৰু-ছাগলীৰ জিৰণি চ’ৰাত পৰিণত হৈছে। একাংশ লোকৰ জুৱা খেলৰ আড্ডা তথা মদ্যপানৰ আড্ডাত পৰিণত হৈছে চিকিৎসালয়খন। চাৰিওদিশে জংঘলৰে আৱৰি পৰিছে। জহি-খহি যাব ধৰিছে চিকিৎসালয়খন। এই সন্দৰ্ভত সংবাদ মাধ্যমত বাতৰি পৰিবেশন হৈছিল, কিন্তু বিটিচি প্ৰশাসন বা অসম চৰকাৰে কোনো গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাছিল। বিগত বিধানসভা নিৰ্বাচনত চিদলী সমষ্টিৰ বিধায়ক নিৰ্বাচিত প্ৰাক্তন ছাত্ৰ নেতা জয়ন্ত বসুমতাৰীয়ে বিধায়কৰূপে শপতগ্ৰহণ কৰি সমষ্টিলৈ আহিয়ে জনাইছিল উক্ত চিকিৎসালয়খনৰ কথা। কথা মতেই বিধায়কজনে দলে-বলে গৈ চিকিৎসালয়খন ভ্ৰমণ কৰি বুজ লয় আৰু মুখ্যমন্ত্ৰীৰে আলোচনা কৰি চিকিৎসালয়খন কাৰ্যক্ষম কৰি তোলাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয় যে এয়া অতিকে দুৰ্ভাগ্যজনক কথা। ক’ভিডৰ এই সময়ত চিকিৎসালয়ৰ অভাৱ। সেই সময়ত চিকিৎসালয়খনৰ এই অৱস্থা। চিদলী সমষ্টিৰ একমাত্ৰ পৌৰসভা বাসুগাঁও। ইয়াত সৰু এখন মাত্ৰ প্ৰাথমিক চিকিৎসালয় আছে। তাৰ পাছতো এইখন ৩০ বিছনাৰ চিকিৎসালয় পৰিত্যক্ত হৈ আছে। সেয়ে যিকোনো প্ৰকাৰে ইয়াক সোনকালে কাৰ্যক্ষম কৰি তুলিব লাগিব।

# চমুৱাপাৰাত কণ্টেইনমেণ্ট জ’নৰ বেৰ ভাঙিলে যুৱকে

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৮ মে’ ঃ** দৰং জিলাৰ দুমুনিচকী নিকটৱৰ্তী চমুৱাপাৰা গাঁৱত কণ্টেইনমেণ্ট জ’নত যুৱকে সংঘটিত কৰিলে ভয়ংকৰ কাণ্ড। গাঁওখনৰ গাঁওবুঢ়া বিজয় কুমাৰ দাসে অৱগত কৰা মতে, ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চমুৱাপাৰা গাঁৱত অলপতে ৫২টা পৰিয়ালক কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰা হৈছিল আৰু তাত দিয়া হৈছিল বাঁহৰ বেৰ; কিন্তু যোৱা ২৬ মে’ৰ নিশা একে গাঁৱৰে ৰঞ্জিত দাসে বেৰখন ভাঙি দিয়ে আৰু গাঁওবুঢ়া বিজয় কুমাৰ দাসৰ লগত তৰ্ক-বিতৰ্কত লিপ্ত হয়। যাৰ বাবে কালি একাংশ পুৰুষ-মহিলা ওলাই আহি ৰঞ্জিত দাসৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। এই ক্ষেত্ৰত গাঁওখনৰ গাঁওবুঢ়া আৰু ভিডিপিয়ে প্ৰশাসনক উচিত তদন্ত কৰিবলৈ আহ্বান জনায়।

# চেঁচা চাহ বাগিচাত দুৰ্ঘটনাত মটৰ চাইকেল আৰোহী নিহত

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৮ মে’ ঃ** ৰঙাপৰা চেঁচা চাহ বাগিচাত কালি সংঘটিত দুৰ্ঘটনাত থিতাতে নিহত হয় এজন মটৰ চাইকেল আৰোহী। বিয়লি চালনিবাৰি আৰক্ষী থানাৰ অন্তৰ্গত চেঁচা চাহ বাগিচাৰ ফেক্টৰীৰ কাষত সংঘটিত দুৰ্ঘটনাত নিহত মইনুদ্দিন আহমেদ (২৮)বুলি চিনাক্ত কৰা হৈছে। গুৱাহাটী ছয়মাইল নিৱাসী চলিমুদ্দিন আহমেদৰ পুত্ৰ মইনুদ্দিনে কালি আন্তঃজিলা যাতায়াত বন্ধ থকা বাবে ৰঙাপৰা অগ্নিনিৰ্বাপক বাহিনীত কৰ্মৰত ভিনিহিয়েক আখতাৰ হুছেইনক এ এছ-০১ ই জি ৩৫৪৫ নম্বৰ মটৰ চাইকেলেৰে ৰঙাপৰাত থৈ তেওঁ গুৱাহাটী অভিমুখে অকলে যাত্ৰা কৰা সময়ত ৰঙাপৰা চেঁচা চাহ বাগিচাৰ ফেক্টৰীৰ সমীপত দুৰ্ঘটনা সংঘটিত হয়।

# দৰঙৰ স্বাধীনতা সংগ্ৰামীৰ বোৱাৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৮ মে’ ঃ** দৰঙৰ স্বাধীনতা সংগ্ৰামী প্ৰয়াত পানীৰাম দাসৰ দ্বিতীয় বোৱাৰী তথা জাগীৰোডৰ কাগজ নগৰ নিৱাসী সৰবৰহী মহিলা বনলতা দাস ওৰফে উৰ্মিলা দাস (৫৪)ৰ কালি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। ২০ দিন পূৰ্বে বনলতা দাস, স্বামী জাগীৰোডৰ হিন্দুস্থান কাগজ কলৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰমেন দাস আৰু দুয়োগৰাকী জীয়ৰী ক’ভিড পৰীক্ষাত পজিটিভ হোৱাৰ ফলত পতি আৰু পত্নী দুয়োকে গুৱাহাটীৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসাধীন পতি আৰু পত্নী দুয়ো পিছৰ পৰীক্ষাত নিগেটিভ হৈছিল যদিও বনলতা দাসৰ হাওঁফাওঁ ক’ভিডৰ দ্বাৰা গুৰুতৰভাৱে সংক্ৰমণ হোৱাত চিকিৎসাধীন হৈ থাকিবলগীয়া হৈছিল। মৃত্যুৰ সময়ত তেওঁ স্বামীৰ উপৰি দুগৰাকী কন্যা সন্তান এৰি যায়।

# গৌৰীপুৰত জব্দ বৃহৎ পৰিমাণৰ ড্ৰাগছ

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ২৮ মে’ ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰ চহৰৰ চাৰি নম্বৰ ৱাৰ্ডৰ এজন লোকৰ ঘৰত কালি দুপৰীয়া আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাজাতীয় ঔষধ জব্দ কৰে। দুপৰীয়া প্ৰায় ১২-৩০ বজাত গৌৰীপুৰ থানাৰ টাউন পৰিদৰ্শক ত্ৰিলোচন দাসৰ নেতৃত্বত আৰক্ষীৰ এটি দলে এক বিশেষ সূত্ৰৰ ভিত্তিত উক্ত অঞ্চলৰ ছপিকুল হুছেইন ওৰফে বাবলুৰ ঘৰত অভিযান চলাই ৩৯টা কফ চিৰাপ, ২৪০টা পাইভন স্পাছ প্লাছ টেবলেট, ৩০টা নিট্ৰাজিপাম টেবলেট জব্দ কৰে।

# বৰপেটাৰোডত ধৃত চাৰি ডকাইত ঃ জব্দ দুখন বাহন, নগদ ধন



অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ২৮ মে’ ঃ** ডকাইতিৰ পৰিকল্পনাৰে এঠাইত সমবেত হোৱা চাৰিজনীয়া এটি ডকাইতিৰ দলক যোৱা ২৬ মে’ত নিশা বৰপেটাৰোড আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত ডকাইতকেইজন হ’ল বৰপেটাৰোড থানাৰ বালাভিঠা জামতলৰ আব্দুল মজিদৰ পুত্ৰ মফিজুদ্দিন (৩০), চেঙেলীয়াৰ তাৰাপ আলীৰ পুত্ৰ আবু তাহেৰ আলী (৩১), হাউলীৰ ঘিলাঝাৰীৰ আব্দুল গণিৰ পুত্ৰ আবুল কাশেম (৩৩) আৰু কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও থানাৰ শিমলুটাপুৰ তৌফজ উদ্দিনৰ পুত্ৰ আহচান হাবিব (২২)। উল্লেখ্য যে বৰপেটাৰোড অঞ্চলত ডকাইতিৰ পৰিকল্পনাৰে পাঁচ-ছজনীয়া এটি ডকাইতৰ দলে পৰহি নিশা বৰপেটাৰোড চহৰৰ সমীপৰ বালাভিঠা জামতলৰ আব্দুল মজিদৰ পুত্ৰ মফিজুদ্দিনৰ ঘৰত সমবেত হৈছিল। পৰহি নিশাও বহিঃজিলাৰ পৰাও ডকাইতৰ দল এটাৰ লগতে স্থানীয় অঞ্চলৰো ডকাইতকেইজনমানে মফিজুদ্দিনৰ ঘৰত সোমাই বৰপেটাৰোড অঞ্চলত ডকাইতিৰ পৰিকল্পনা যুগুত কৰি আছিল। কিন্তু বৰপেটাৰোড আৰক্ষীয়ে এই খবৰ লাভ কৰাৰ পাছতে নিশাতে বৰপেটাৰোড আৰক্ষী চক্ৰ বিষয়া মণ্টু দাস আৰু বৰপেটাৰোড থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চন্দন গোস্বামীৰ নেতৃত্বত আৰক্ষীৰ এটি বৃহৎ দল লৈ মফিজুদ্দিনৰ ঘৰত অভিযান চলায়। অৱশ্যে আৰক্ষীৰ উপস্থিতিৰ উমান পাই সেই স্থানৰ পৰা তিনি-চাৰিজন ডকাইতে পলায়ন কৰে। ইয়াৰ মাজতে আৰক্ষীৰ অভিযানত মফিজুদ্দিন, আবু তাহেৰ আলী, আবুল কাশেম আৰু আহচান হবিব আৰক্ষীৰ জালত পৰে। একেদৰে এই অভিযানত ডকাইতৰ দলটোৱে ব্যৱহাৰ কৰা এ এছ-১৯ পি-০৫৫১ আৰু এছ-১৫ আৰ-৬৩৭৭ নম্বৰৰ দুখন চাৰিচকীয়া বাহন জব্দ কৰে। আনহাতে ধৃত ডকাইতকেইজনক বৰপেটাৰোড আৰক্ষী থানলৈ অনাৰ পাছত চলোৱা জেৰাৰ সময়ত ডকাইতৰ দলটোৱে কে’বাখনো চুৰি মটৰ চাইকেলৰ তথ্য সদৰী কৰে। সেই অনুসৰি আৰক্ষীয়ে এ এছ-১৪ জি-৮৬২১ নম্বৰৰ মটৰ চাইকেল এখন, এ এছ-২২-৬২১৩ নম্বৰৰ মটৰ চাইকেল এখন আৰু নম্বৰবিহীন বুলেট এখন উদ্ধাৰ কৰে। তদুপৰি ডকাইতৰ দলটোৰ পৰা আৰক্ষীয়ে নগদ ১৮,৮৯০ টকা, কে’বাটিও ম’বাইল ফোন জব্দ কৰে। লক্ষ্যণীয় বিষয় যে আৰক্ষীয়ে ধৃত এই ডকাইতকেইটাৰ পৰা ষ্টপ ক্ৰাইম নামৰ বেচৰকাৰী সংস্থাৰ দুখন পৰিচয় পত্ৰও জব্দ কৰে। কালি বৰপেটাৰোড আৰক্ষীয়ে অভিযুক্ত ডকাইতকেইজনক বৰপেটা আদালতত হাজিৰ কৰায় আৰু পুনৰ তিনিদিনৰ বাবে জিম্মাত আনে।

# আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ উদ্যোগত মাস্ক-ছেনিটাইজাৰ-খাদ্য সামগ্ৰী বিতৰণ



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৮ মে’ ঃ** আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদ অসম প্ৰদেশ সমিতিৰ তত্বাৱধানত কালি নলবাৰী জিলাৰ বিভিন্ন অঞ্চলৰ ৩৫ গৰাকী দিন মজুৰি কৰা লোকৰ মাজত মাস্ক, ছেনিটাইজাৰৰ লগতে দৈনন্দিন ব্যৱহৃত খাদ্য-সামগ্ৰী, চাবোন আদি বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত পৰিষদৰ ৰাজ্যিক সভাপতি কিশোৰ ডেকা, ৰাজ্যিক সদস্য প্ৰমোদ হালৈ, জয়শ্ৰী কলিতা উপস্থিত থকাৰ লগতে গ্ৰীণ গ্ল’বল সভাপতি বিশ্বজিৎ শৰ্মা, বি এম জৈন নেচনেল একাডেমীৰ সঞ্চালক আলোক জৈন, ঘনশ্যাম পাটোৱাৰী আৰু শিল্পী জিনেন্দ্ৰ জৈন, অনুপম ডেকাই সহায়ৰ হাত আগবঢ়ায়। আনহাতে, পৰিষদৰ তৰফৰ পৰা ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ ক’ভিড ৱাৰ্ডত থকা ৩৭ গৰাকী ব্যক্তিলৈ পি আই পি জিঅ’ ৪.৫ ইনজেকচন প্ৰদান কৰি সহযোগিতা আগবঢ়ায়।

# সদৌ বিটিআৰ কেন্দ্ৰীয় টে’ট উত্তীৰ্ণ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৮ মে’ ঃ** সদৌ বিটিআৰ কেন্দ্ৰীয় টে’ট উত্তীৰ্ণসকলক লৈ ইতিমধ্যে এখন আহ্বানক সমিতি গঠন কৰা হৈছিল। উক্ত আহ্বায়ক সমিতিখনে অনলাইনযোগে অলপতে এখন ভাৰ্চুৱেল সভা অনুষ্ঠিত কৰি বিভিন্ন দিশত হোৱা আলোচনাৰ অন্তত সভাৰ যোগেদি সদৌ বিটিআৰ কেন্দ্ৰীয় টে’ট উত্তীৰ্ণ সমিতি নামেৰে এখন সমিতি গঠন কৰি লয়। সভাপতিৰূপে তাৰমিন্দ্ৰ বসুমতাৰী, উপ-সভাপতি গৌতম কুমাৰ দাস, সম্পাদক মনোৰঞ্জন বসুমতাৰী, সহকাৰী সম্পাদিকা ৰিয়া ঘোষ, উপদেষ্টা লক্ষ্যধৰ বড়ো, ৰূপান্তৰ বড়ো, ৰাজেশ বিশ্বাস আৰু কোষাধ্যক্ষৰূপে শংকৰ দাস, শ্বহৰ আলীক নিৰ্বাচিত কৰি মুঠ ২৬ জনীয়া সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে এনচিটিইৰ নিয়ম মতে সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত কেন্দ্ৰীয় টে’ট (চি টে’ট)ত প্ৰথম ভাষা অসমীয়া হিচাপে লৈ উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলক আগন্তুক শিক্ষক নিযুক্তি প্ৰক্ৰিয়াত আবেদনৰ সুবিধা দিবলৈ সমিতিৰ বিষয়ববীয়াসকলে এক বিবৃতিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ৰণোজ পেগু আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক আহ্বান জনায়।



# মজুত সামগ্ৰীৰ পৰিমাণ, মূল্য দোকানৰ বাহিৰত লিখি ৰখাটো বাধ্যতামূলক

## ধুবুৰীত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ তৎপৰতা জিলা উপায়ুক্তৰ

**ধুবুৰী, ২৮ মে’ ঃ** ধুবুৰী জিলাত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ বাবে কে’বাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে জিলা প্ৰশাসনে। কোনো অসাধু ব্যৱসায়ীয়ে অত্যাৱশ্যকীয় সামগ্ৰীৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি যাতে মূল্যবৃদ্ধি ঘটাব নোৱাৰে তাৰ প্ৰতি বিশেষ সতৰ্কতা অৱলম্বন কৰিছে প্ৰশাসনে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ সন্দৰ্ভত আলোচনা কৰাৰ বাবে জিলা উপায়ুক্ত অন্বামুথন এম পিৰ অধ্যক্ষতাত কালি জিলাখনৰ পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীৰ প্ৰতিনিধিৰ স’তে জিলা প্ৰশাসন এখন বৈঠক অনুষ্ঠিত হয়। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ পৰামৰ্শ মৰ্মে অনুষ্ঠিত বৈঠকখনক ধুবুৰী জিলা উপায়ুক্ত অন্বামুথন এম পিয়ে সকলো পাইকাৰী আৰু খুচুৰা সামগ্ৰীৰ দোকানত মজুত ৰখা অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিমাণ আৰু মূল্য দোকানৰ সন্মুখত গ্ৰাহকে দেখাকৈ লিখি ৰাখিবলৈ নিৰ্দেশ দিয়ে আৰু নিৰ্দেশ অমান্য কৰা ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল’ব বুলি স্পষ্ট কৰি দিয়ে। অত্যাৱশ্যকীয় সামগ্ৰীৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰা বা অবৈধভাৱে সামগ্ৰী মজুত ৰখা বা অত্যাৱশ্যকীয় সামগ্ৰীৰ ক’লা ব্যৱসায় চলোৱা ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ চলোৱা হ’ব বুলিও কয় জিলা উপায়ুক্তই। ক’ভিড সংকটৰ অন্ত নপৰা পৰ্যন্ত কোনো কাৰণতে ধুবুৰীত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য যাতে পুনৰ বৃদ্ধি নহয় সেই সন্দৰ্ভত বৈঠকত সিদ্ধান্ত লোৱা হয়। পাইকাৰী ব্যৱসায়ীয়ে শতাংশৰ পৰা ২.৫ শতাংশ লাভ্যাংশত খুচুৰা ব্যৱসায়ী সামগ্ৰী বিক্ৰী কৰিবলৈ আৰু খুচুৰা ব্যৱসায়ীয়ে গ্ৰাহকৰ পৰা ছয় শতাংশৰ অধিক লাভ নলবলৈ চেম্বাৰ্ছ অৱ্ কমাৰ্ছৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত সিদ্ধান্ত লোৱা হয়। আনহাতে, খুচুৰা ব্যৱসায়ীক বিক্ৰী কৰা সামগ্ৰীৰ বাবদ পাইকাৰী ব্যৱসায়ীয়ে কেচ মেমো বা ক্ৰেডিট মেমো বা কেচ ভাউছাৰ দিয়াটো বাধ্যতামূলক কৰা হয়। বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তবোৰ বাস্তৱ ক্ষেত্ৰত কাৰ্যকৰী হৈছে নে নাই তাক অহৰহ নিৰীক্ষণ কৰিবলৈ আৰু মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ লবলৈ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে জিলা উপায়ুক্তই।

# বৰপেটা-বজালী জিলা হাইস্কুল টে’ট উত্তীৰ্ণ সন্থাৰ টে’ট উত্তীৰ্ণক নিযুক্তিৰ দাবী

অগ্ৰদূত বাৰ্তা
**ভৱানীপুৰ, ২৮ মে’ ঃ** অসমত চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত খালী হৈ থকা শিক্ষক পদত আঠ হেজাৰ হাইস্কুল টে’ট উত্তীৰ্ণক শীঘ্ৰে নিযুক্তি দিয়াৰ বাবে দাবী জনাইছে বৰপেটা-বজালী জিলা হাইস্কুল টে’ট উত্তীৰ্ণ সন্থাই। কালি সৰুপেটাত অনুষ্ঠিত এখন সংবাদমেলত বৰপেটা জিলা হাইস্কুল টে’ট উত্তীৰ্ণ সন্থাৰ উপদেষ্টা বনজিৎ বৈশ্যই কয় যে ২০২০ত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানে হাইস্কুল শিক্ষকৰ টে’ট অনুষ্ঠিত কৰাত অসমত ১২০৩২ গৰাকী প্ৰাৰ্থীয়ে উত্তীৰ্ণ হয়। এই প্ৰাৰ্থীসকলক নিযুক্তি দিয়াৰ বাবে ২০২০ৰ ১১ ছেপ্টেম্বৰত ৫৭৪৬ টা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰে আৰু ইয়াৰে ৪১৯০ পদত চলিত বৰ্ষৰ পাঁচ ফেব্ৰুৱাৰীত চৰকাৰে নিযুক্তি দিয়ে। উল্লেখ্য যে এই নিযুক্তি প্ৰক্ৰিয়াত ১৫৫৬ টা পদত অনুসূচিত জাতিৰ আৰু জনজাতিৰ প্ৰাৰ্থী নথকা বাবে পদসমূহ পূৰণ কৰিব পৰা নগ’ল। ফলত ৩৫০০ গৰাকী হাইস্কুল টে’ট উত্তীৰ্ণইহে শিক্ষকৰূপে অসমৰ বিভিন্ন স্থানত যোগদান কৰিছে। সংবাদমেলত বৈশ্যই কয়, ‘অসম চৰকাৰে যিহেতু এক লাখ নিবনুৱাক সংস্থাপিত কৰাৰ সিদ্ধান্ত লৈছে, তাত যেন হাইস্কুল টে’ট উত্তীৰ্ণক শিক্ষক পদত নিযুক্তিৰ ব্যৱস্থা কৰক।’তেওঁ বিগত সময়ছোৱাত স্নাতক শিক্ষক নিযুক্তি প্ৰক্ৰিয়াত অনুসূচিত জাতি-জনজাতিৰ প্ৰাৰ্থী নথকাৰ বাবে বৃহৎ সংখ্যক পদ খালী হৈ ৰৈ যোৱা বাবে আগন্তুক দিনত স্নাতক শিক্ষকৰ বিজ্ঞাপনত আঠহেজাৰ পদৰ লগতে সাধাৰণ আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে বৃহৎ সংখ্যক পদ মুকলি কৰি দিয়াৰ বাবেও চৰকাৰলৈ দাবী জনায়। আনহাতে, টে’ট শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত পূৰ্বৰ ত্ৰুটিপূৰ্ণ প্ৰক্ৰিয়া পৰিহাৰ কৰি শৃংখলিতভাৱে টে’ট শিক্ষক নিযুক্তিৰ বাবেও দাবী জনোৱা হয়। নিযুক্তিৰ সময়ত তথ্য পৰীক্ষণ প্ৰক্ৰিয়া একে দিনতে হোৱাৰ বাবে প্ৰাৰ্থীসকল যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। আগন্তুক দিনত নিযুক্তিৰ ক্ষেত্ৰত অনলাইন অথবা বিভিন্ন জিলাৰ বাবে সামগ্ৰিকভাৱে একে স্থানতে তথ্য পৰীক্ষণ কৰিবলৈ সন্থাই চৰকাৰলৈ দাবী জনায়। তদুপৰি যিসকল শিক্ষকে নিযুক্তি পত্ৰ পোৱাৰ পাছতো গৃহ জিলাত বা মনে বিচৰা ঠাইত বিদ্যালয়খন নোপোৱাৰ বাবে চাকৰিত যোগদান নকৰিলে, যাৰ ফলশ্ৰুতিত বিদ্যালয়ৰ শিক্ষকৰ সমস্যা পূৰ্বৰ দৰে বাহাল থাকিল তেনে ক্ষেত্ৰত এইসকল শিক্ষকৰ ওপৰত শিক্ষামন্ত্ৰীয়ে দৃষ্টি নিক্ষেপ কৰিবলৈয়ো দাবী উত্থাপন কৰে। উক্ত সংবাদমেলত বৰপেটা-বজালী জিলা হাইস্কুল টে’ট উত্তীৰ্ণ সন্থাৰ বিষয়ববীয়া ক্ৰমে মহিবুল ইছলাম, মৌচুমী কলিতা, ৰীণা তালুকদাৰ উপস্থিত থাকে।



*গহপুৰত ক’ভিড প্ৰতিষেধকৰ বাবে অপেক্ষা, শুকুৰবাৰে।*

# ড্ৰাগছৰ ব্যৱসায়ত জড়িত বিধায়কৰ সম্পৰ্কীয় ভ্ৰাতৃ

## সৰুক্ষেত্ৰীত চাৰি ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা
**বৰপেটা, ২৮ মে’ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ শাসনভাৰ হাতত লৈয়ে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে অসম আৰক্ষীক কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়াত ক্ৰমাৎ অভিযান তীব্ৰতৰ কৰি তোলাৰ লগতে বিৰোধী দলৰ এজন বিধায়কৰ সম্বন্ধীয় ভ্ৰাতৃয়ে ড্ৰাগছ সৰবৰাহৰ ঘটনাত আটক হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ সাৰোগত কৰি বৰপেটা আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই আজি সৰুক্ষেত্ৰী সমষ্টি বুঢ়ীখামাৰ গাঁৱৰ পৰা দুজন ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। ব্যৱসায়ী দুজন নবজেছ খান আৰু আমিৰুল খান। মন কৰিবলগীয়া যে ইয়াৰে এজন ড্ৰাগছ ব্যৱসায়ী নবজেছ খান সমষ্টিটোৰ কংগ্ৰেছ বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ ভ্ৰাতৃ। ড্ৰাগছ ব্যৱসায়ী নবজেছ বিধায়ক জাকিৰ হুছেইনৰ মোমায়েকৰ পুত্ৰ। আনহাতে, যোৱা নিশা সৰুক্ষেত্ৰী সমষ্টিৰ দুজন ড্ৰাগছ সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰে। সৰ্থেবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বালাপৰা আৰক্ষী চকীৰ আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পমখেদি সৰুক্ষেত্ৰীৰ বুঢ়ীখামাৰ আৰু জালকৰা গাঁৱৰ পৰা জাকিৰ হুছেইন আৰু চমেজ আলীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে যোৱা মঙলবাৰে নিশাও কুকাৰপাৰত অভিযান চলাই আৰক্ষীয়ে চৰিফুদ্দিন আৰু ফৰিদুল আলী নামৰ দুই ড্ৰাগছ ব্যৱসায়ীক আটক কৰিছিল।

# পশ্চিম ডাবলঙত ড্ৰাগছ জব্দ

অগ্ৰদূত বাৰ্তা
**লংকা, ২৮ মে’ ঃ** যোৱা নিশা লংকা আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি লংকা থানাৰ পশ্চিম ডাবলঙৰ এঘৰৰ চৌহদৰ পৰা বুজন পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। নিশা লংকা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিশ্বজ্যোতি শৰ্মাৰ নেতৃত্বত এটা আৰক্ষীৰ দলে এক বিশেষ সূত্ৰৰ পমখেদি পশ্চিম ডাবলং গাঁৱৰ চামছুল হক নামৰ এজন লোকৰ ঘৰত চালাচী চলায়। আৰক্ষী দলটোৱে চামচুলৰ ঘৰৰ এটা খেৰৰ মেজিৰ পৰা ২৪টা ব্ৰাউন ছুগাৰ ভৰ্তি প্লাষ্টিকৰ বটল উদ্ধাৰ কৰে। তাৰ পাছতে ঘৰত তালাচী চলাই ৭৪টা খালী প্লাষ্টিকৰ বটল উদ্ধাৰ কৰে। চামচুল হক ডকাইতিকে ধৰি বহু অসামাজিক কামৰ লগত জড়িত। লংকা আৰু হোজাই থানাত চামচুলৰ বিৰুদ্ধে ভালেকেইটা গোচৰ পঞ্জীয়ন হৈ আছে। এন্ধাৰৰ সুযোগ লৈ অভিযুক্ত চামচুল হক পলাই যায় যদিও মাতৃক আটক কৰে।

# ৩০ মাহৰ বেজী ৩০ দিনতে দিলে শ্ৰমিকক ঃ বালিপৰাৰ বাগিচাত উদ্বেগজনক কাণ্ড

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ২৮ মে’ ঃ** শোণিতপুৰৰ বালিপৰাৰ বামগাঁও চাহ বাগিচাৰ চিকিৎসালয়ত এজন ৰোগীক এমাহৰ বিৰতিত এটাকৈ দিবলগীয়া ৩০ বেজী এমাহৰ ভিতৰতে ৩০টা দিয়াত ৰোগী শাৰীৰিক সমস্যাৰ সন্মুখীন হোৱাৰ লগতে বাগিচাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই উদ্বেগজনক ঘটনা সন্দৰ্ভত ৰোগীৰ আত্মীয়ৰ লগতে একাধিক চাহ শ্ৰমিক সংগঠনে প্ৰকাশ কৰে যে চিকিৎসালয়খনৰ দুগৰাকী নাৰ্ছে চাহ বাগিচাখনৰ সঞ্জু কন্ধ নামৰ এজন শ্ৰমিকক এমাহৰ বিৰতিত এটাকৈ মুঠ ৩০ মাহ দিবলগীয়া বেজী দি শেষ কৰিলে ৩০ দিনতে। উল্লেখ্য যে শ্ৰমিকজনে তেওঁৰ ৰোগৰ চিকিৎসাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসা কৰাই আছিল। সম্প্ৰতি ৰোগীজন কিছু আৰোগ্য হৈ উঠাত চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা ৰোগীক নিজ গৃহলৈ প্ৰেৰণ কৰিছিল যদিও তেওঁক চিকিৎসকে ৩০ মাহলৈ প্ৰতি মাহে এটাকৈ ৩০টা বেজী ল’বলৈ পৰামৰ্শ দিছিল। শ্ৰমিকজনে চিকিৎসকৰ পৰামৰ্শ অনুসৰি, চাহ বাগিচাখনৰ চিকিৎসালয়খনত বেজী লোৱাৰ বাবে উপস্থিত হয় আৰু যোৱা এমাহত বাগিচাৰ চিকিৎসালয়খনত থকা দুগৰাকী নাৰ্ছে শ্ৰমিকজনক প্ৰত্যেক মাহত এটাকৈ বেজী দিয়াৰ বিপৰীতে এদিনতে এটাকৈ বেজী দি শেষ কৰিলে। এনেদৰে সুদীৰ্ঘ আঢ়ৈ বছৰৰ বেজীৰ কৰ্ছ এমাহতে শেষ হোৱাৰ পাছৰে পৰা শ্ৰমিকজন শাৰীৰিকভাৱে অতি দুৰ্বল তথা অসুস্থ হৈ পৰাতহে এই ঘটনা পোহৰলৈ আহে। এতিয়া সমগ্ৰ ঘটনাক লৈ চাহ বাগিচাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এই ঘটনাত ক্ষোভিত শ্ৰমিক তথা দল-সংগঠনে উচিত তদন্ত কৰিবৰ বাবে বাগিচা কৰ্তৃপক্ষক দাবী জনাইছে। ইপিনে, এই ঘটনাৰ সত্যতা স্বীকাৰ কৰি অভিযুক্ত নাৰ্ছ দুগৰাকীয়ে কয় যে ৰোগীজনৰ পিতৃয়ে তেওঁলোকক এদিনত এটাকৈ বেজী দিব লাগে বুলি কোৱাৰ বাবেই এনে হৈছিল। কিন্তু বাগিচাখনৰ অভিজ্ঞ ষ্টাফ নাৰ্ছ দুগৰাকীয়ে চিকিৎসকে দিয়া নিদানপত্ৰ নোচোৱাকৈ এনেদৰে বেজী দিয়া ঘটনাক ভুল আখ্যা দি এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি মন্তব্য কৰিছে কৰ্তৃপক্ষই।

# গোসাঁইগাঁৱত ক’ভিড-১৯, প্ৰাকৃতিক দুৰ্যোগৰ বাবে নিয়ন্ত্ৰণ কক্ষ স্থাপন

অগ্ৰদূত বাৰ্তা
**দোতমা/ফকিৰাগ্ৰাম, ২৮ মে’ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ হাৰুবিলস্থিত মহকুমাধিপতিৰ কাৰ্যালয়ত ক’ভিড-১৯, বানপানী আৰু যিকোনো প্ৰাকৃতিক দুৰ্যোগৰ বাবে নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হয়। এই নিয়ন্ত্ৰণ কক্ষটো ২৪ ঘণ্টাই ৰাইজৰ বাবে সেৱা আগবঢ়াব বুলি মহকুমাধিপতিয়ে কয়। উক্ত নিয়ন্ত্ৰণ কক্ষটোত ক’ভিড-১৯, বানপানী আৰু যিকোনো প্ৰাকৃতিক দুৰ্যোগ সম্বন্ধীয় সহায়ৰ লগতে অভাৱ-অভিযোগৰ বাবে পোনপটীয়াকৈ ৰাইজক ৮৩৯১৮৪০৩০৫ নম্বৰত যোগাযোগ কৰিবলৈ মহকুমাধিপতিয়ে আহ্বান জনায়।

# মুক্তিযোদ্ধা-বৈষ্ণৱ সংস্কৃতিৰ সেৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**টীয়ক, ২৮ মে’ ঃ** টীয়ক বনাই ন পমুৱা গাঁও নিবাসী বৈষ্ণৱ সংস্কৃতিৰ একান্ত সেৱক তথা মুক্তিযোদ্ধা চন্দ্ৰকান্ত শইকীয়াৰ (৯৮)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ১৯২৩ত জন্মগ্ৰহণ কৰা শইকীয়াই স্বাধীনতা আন্দোলনৰ সেনানী আছিল। কমলাবাৰী সত্ৰৰ একান্ত সেৱক চন্দ্ৰকান্ত শইকীয়াক ২০১৭ত কমলাবাৰী সংগীত মহাবিদ্যালয়ে সত্ৰজ্যোতি সন্মান প্ৰদান কৰিছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, চাৰিগৰাকী কন্যা এৰি যায়।

# ওদালগুৰিত ড্ৰাগছসহ এজনক আটক

বিশেষ সংবাদদাতা
**ওদালগুৰি, ২৮ মে’ ঃ** ওদালগুৰি আৰক্ষীৰ জালত পৰিছে ড্ৰাগছসহ এজন সৰবৰাহকাৰী। যোৱা ২৬ মে’ত বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত ওদালগুৰি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অসীম বৰাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে চলোৱা অভিযানত ওদালগুৰি চহৰৰ সমীপৱৰ্তী হৰপুৰৰ পৰা ড্ৰাগছসহ এজনক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা লোকজনৰ নাম ভৱানী ছেত্ৰী। সৰবৰাহকাৰীজনৰ পৰা আৰক্ষীয়ে নটা কণ্টেইনাৰসহ ২৪ গ্ৰাম ড্ৰাগছ উদ্ধাৰ কৰে।

# চিৰাঙৰ ৰুণিখাতা ওদালগুৰিৰ বনাঞ্চলত ২৫ অবৈধ বেদখলকাৰীৰ ঘৰ উচ্ছেদ



অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ২৮ মে’ ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ ওদালগুৰিত কালি বন বিভাগে উচ্ছেদ চলায়। ৰুণিখাতা বনাঞ্চলৰ মানাস টাইগাৰ প্ৰজেক্টৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলত অবৈধভাৱে বেদখল কৰা ২৫ টা ঘৰ উচ্ছেদ কৰে বন বিভাগে। বন বিভাগৰ বৃহৎ দল এটাই সীমান্তৰ দলকলা ব্লকত এই উচ্ছেদ অভিযান চলায়। ৰুণিখাতা বনাঞ্চলক বিষয়া জশমানিক মুছাহাৰীয়ে জনায় যে পূৰ্বতেও এইসকল লোকক বহুবাৰ জাননী দিয়া হৈছিল আৰু উচ্ছেদ কৰা হৈছিল যদিও আকৌ আহি অবৈধভাৱে বসবাস কৰিবলৈ লোৱাত কালি ২৫ টা ঘৰ উচ্ছেদ চলোৱা হয়। এই সকল লোক বেংতলৰ টুক্ৰাঝাৰ আৰু বালাঝাৰৰ পৰা আহি অবৈধভাৱে বনাঞ্চল ধ্বংস কৰি জীৱ-জন্তুৰ আৱাস ধ্বংস কৰিছে। এইবাৰেই শেষ উচ্ছেদ ইয়াৰ পাছতো যদি কোনো লোকে বনাঞ্চল বেদখল কৰিব বিচাৰে তেন্তে বেদখলকাৰীসকলক বনাঞ্চল ধ্বংসৰ অপৰাধত সাত বছৰ কাৰাদণ্ড দিয়া হ’ব বুলিও কঠোৰ সকীয়নি দিয়ে ৰুণিখাতা বনাঞ্চলিক বিষয়া মুছাহাৰীয়ে। উল্লেখ্য যে চলিত মাহৰ ২০ তাৰিখে দেউশ্ৰীৰ এক নম্বৰ কৰাইবাৰীৰ বনাঞ্চলৰ পৰা ২৯ টা ঘৰ উচ্ছেদ কৰিছিল বন বিভাগে।

# ধুলাত গাঞ্জাসহ আটক এক

অগ্ৰদূত বাৰ্তা
**দলগাঁও, ২৮ মে’ ঃ** দৰং আৰক্ষীয়ে অবৈধ ড্ৰাগছ, ভাং আদি নিচাজাতীয় সামগ্ৰীৰ সৰবৰাহৰ বিৰুদ্ধে তৎপৰতাৰে অভিযান আৰম্ভ কৰিছে। যোৱা ২৬ মে’ৰ নিশা জিলাখনৰ ধূলা থানাৰ আৰক্ষীৰ দল এটাই অভিযান চলাই ধূলা থানাৰ অন্তৰ্গত খাটনীয়াপাৰা গাঁৱৰ মহম্মদ আলী নামৰ ব্যক্তি এজনৰ ঘৰৰ পৰা তিনিটা টোপোলাত সৰ্বমুঠ ৪.৫ কিলোগ্ৰাম ওজনৰ নিষিদ্ধ গাঞ্জা জব্দ কৰাৰ লগতে লোকজনক আটক কৰে। পাছত ধূলা আৰক্ষীয়ে এই সন্দৰ্ভত ১৪৮/২১ নম্বৰত এন ডি পি এছ ২২ (বি) ধাৰাত এক গোচৰ ৰুজু কৰি অভিযুক্ত মহম্মদ আলীক মঙলদৈ জেললৈ প্ৰেৰণ কৰে।

# ৰেলপথত যুৱকৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**হোজাই, ২৮ মে’ ঃ** হোজাই ৰেলপথত আজি এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। যুৱকজন ৰেলৰ খুন্দাত নিহত হোৱাৰ সন্দেহ কৰা হৈছে। হোজাইৰ এক নম্বৰ ৰেলগেটৰ পৰা প্ৰায় পাঁচশ মিটাৰ দূৰত্বত উদ্ধাৰ হয় মৃতদেহটো। মৃত যুৱকজন হোজাইৰ সুভাষ নগৰৰ ৰফিক আহমেদ বুলি চিনাক্ত কৰা হৈছে। ঘটনাস্থলীত হোজাই ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# মঙলদৈৰ সৰবৰহী মহিলা ৰাহিদা আহমেদৰ ক’ভিডত মৃত্যু



বিশেষ সংবাদদাতা
**মঙলদৈ, ২৮ মে’ ঃ** দৰং জিলাৰ জটিল ক’ভিড পৰিস্থিতিৰ মাজতে ক’ভিডত আক্ৰান্ত হৈ যোৱা নিশা চিকিৎসাধীন অৱস্থাতে মৃত্যু হয় মঙলদৈ নগৰৰ এগৰাকী মহিলাৰ। মঙলদৈ নগৰৰ দুই নম্বৰ ৱাৰ্ড, খাজা নগৰৰ বাসিন্দা তথা জনাৰামচৌকাৰ প্ৰয়াত অৱসৰপ্ৰাপ্ত ফাৰ্মাচিষ্ট হাজী হুছেইন আলীৰ কন্যা আৰু প্ৰয়াত ৰইছুদ্দিন আহমেদৰ পত্নী তথা সৰবৰহী মহিলা ৰাহিদা আহমেদ (৫৪) কিছুদিন পূৰ্বে ক’ভিডত আক্ৰান্ত হোৱাৰ পাছত তেওঁক গুৱাহাটীৰ দিছপুৰ হাস্পতালত চিকিৎসাধীন হৈ আছিল। কিন্তু চিকিৎসাধীন অৱস্থাতেই যোৱা নিশা ১০-০৫ বজাত মহিলাগৰাকীৰ মৃত্যুত হয়। মৃত্যুৰ পূৰ্বে মহিলাগৰাকী ক’ভিড নিগেটিভ হৈছিল যদিও হাওঁফাওঁত অধিক সংক্ৰমণ ঘটি স্বাস্থ্যৰ অধিক অৱনতি ঘটে আৰু অৱশেষত মৃত্যুক সাবটি ল’বলগীয়া হয়। মৃত্যুৰ সময়ত মহিলাগৰাকীয়ে একমাত্ৰ পুত্ৰ দুগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত মঙলদৈৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মঙলদৈ খাজা নগৰ মছজিদ পৰিচালনা সমিতি, মঙলদৈ গেৰিমাৰী নিউ টাউন জামে মছজিদ পৰিচালনা সমিতি, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, সভাৰ প্ৰাক্তন মুখপাত্ৰ চহিৰ ভূঞা, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ দৰং জিলা সমিতিৰ সভাপতি আনোৱাৰ হুছেইন প্ৰমুখ্যে বিভিন্ন বিশিষ্ট ব্যক্তি, দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# নলবাৰীৰ প্ৰতিষ্ঠিত জ্যোতিষী বিনয় শৰ্মাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২৮ মে’ ঃ** নলবাৰী জিলাৰ বনভাগ মৌজাৰ অন্তৰ্গত চিলিং গাঁও নিবাসী তথা জ্যোতিষী বিনয় শৰ্মা (৬৮)ৰ আজি পুৱা সাত বজাত উচ্চ ৰক্তচাপত নিজ গৃহত মৃত্যু হয়। জ্যোতিষীজনৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। সুদীৰ্ঘ কাল ধৰি জ্যোতিষ শাস্ত্ৰ চৰ্চা কৰি অহা প্ৰয়াত বিনয় শৰ্মাই জন্ম কোষ্ঠী প্ৰস্তুত কৰা, বিভিন্ন গ্ৰহ পূজা কৰি পূব নলবাৰী অঞ্চলৰ প্ৰিয় ভাজন আছিল। বিভিন্ন সামাজিক সংগঠনৰ লগত জড়িত বিনয় শৰ্মা চিলিং গাঁৱৰ নৱগ্ৰহ মন্দিৰ স্থাপন কৰাৰ ক্ষেত্ৰত আগভাগ লৈছিল। তেওঁৰ মৃত্যুত বিভিন্ন দল- সংগঠনৰ উপৰি বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, সম্পাদক শ্যামন্ত শৰ্মা, পঞ্চায়ত সভাপতি ৰাতুল শৰ্মা, চিলিং গাঁও উন্নয়ন সমিতি, ঐতিহ্যমণ্ডিত নিমুৱা বুঢ়াগোহাঁই থান পৰিচালনা সমিতি, নৱগ্ৰহ মন্দিৰ পৰিচালনা সমিতি আদিয়ে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ একমাত্ৰ পুত্ৰক এৰি যায়।

# সৰুপেটাত গাড়ীসহ চোৰাং চাউল জব্দ ঃ তিনিজনক গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা
**সৰুপেটা, ২৮ মে’ ঃ** মহামাৰী কৰ’নাৰ আতংকৰ বাবে চলি থকা সান্ধ্য আইনৰ মাজতে একাংশ অসাধু ব্যৱসায়ীয়ে চলাই আছে চোৰাং চাউলৰ বেহা। আজি সৰুপেটাস্থিত হস্তিনাপুৰ সমবায় সমিতিৰ ৩০ কুইণ্টল চাউল চোৰাংকৈ কলা বজাৰলৈ বিক্ৰীৰ বাবে নিয়া অৱস্থাতে আৰক্ষীয়ে জব্দ কৰাৰ লগতে তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে দুখীয়া ৰাইজৰ বাবে চৰকাৰে সমবায় সমিতিৰ জৰিয়তে যোগান ধৰা চাউলখিনি বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসৰ নেতৃত্বত আৰক্ষীৰ দল এটাই বিয়লি পুঠিমাৰীত গাড়ীসহ তিনিজনক গ্ৰেপ্তাৰ কৰে। সৰুপেটাৰ সমীপৰ বৰভিঠাৰ সুলভ মূল্যৰ দোকানী কামাল হুছেইনে এখন বলেৰ পিকআপ ভানত চাউলখিনি আনি চালক তথা চাউল বেপাৰী হিমাংশু তালুকদাৰৰ প্ৰতি কুইণ্টলত ১৩০০ টকাকৈ বিক্ৰী কৰিছিল। এনে সময়তে আৰক্ষীয়ে এ এছ-০১-এল চি ৫৯৯২ নম্বৰৰ বাহনসহ ৬০ বেগ চাউল জব্দ কৰে। অভিযানকাৰী আৰক্ষীৰ দলটিয়ে বৰভিঠাৰ সুলভ মূল্যৰ দোকানী তথা এজেণ্ট কামাল হুছেইন, বেলশৰ থানাৰ অন্তৰ্গত নাপ্তিপাৰাৰ হিমাংশু তালুকদাৰ আৰু গাড়ীখনৰ হেণ্ডিমেন পৰাগ বৰ্মনক গ্ৰেপ্তাৰ কৰে।

# হোম কোৱাৰেণ্টাইনত থকা লোকক খাদ্য সামগ্ৰী বিতৰণ আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২৮ মে’ ঃ** বাগ্‌সাৰ লাৱদাংগুৰি উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পলাশ প্ৰতীম গগৈৰ নেতৃত্বত অঞ্চলটোৰ হোম কোৱাৰেণ্টাইন আৰু বিদ্যালয় গৃহত থকা কে’বাটাও পৰিয়ালক আগবঢ়োৱা হয় সহায়ৰ হাত। অঞ্চলটোৰ কৰ’না পজিটিভ কে’বাটাও পৰিয়াল আছে হোম কোৱাৰেণ্টাইনত। সেই বাবে আৰক্ষীয়ে প্ৰয়োজনীয় খাদ্য সামগ্ৰী এই পৰিয়ালসমূহক আগবঢ়াইছে।

# বাগ্‌সাৰ লাৱদাংগুৰি পথাৰত বন্যহস্তীৰ উপদ্ৰৱ

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২৮ মে’ ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া তথা বাগ্‌সাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত লাৱদাংগুৰি পথাৰত যোৱা নিশা মানাহৰ পৰা ওলাই অহা এটি বন্যহস্তীয়ে তাণ্ডৱ চলায়। খাদ্যৰ সন্ধানত ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা ওলাই অহা বন্যহস্তীটোৱে লাৱদাংগুৰি গাঁৱৰ কৃষিভূমিত বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে এটা পৰিয়ালৰ বাসগৃহতো আক্ৰমণ কৰে। অঞ্চলটোৰ কৃষকসকলে কপালৰ ঘাম মাটিত পেলাই বহু অৰ্থৰ বিনিময়ত নদনবদন কৰি গঢ়ি তোলা ভিন্ন শস্য-পাচলিৰ খেতিডৰাত তাণ্ডৱ চলোৱাত বাৰুকৈয়ে ভাঙি পৰে কৃষকসকল। পৰৱৰ্তী সময়ত নিশাই ৰাইজৰ তৎপৰতাত বন্যহস্তীটো মানাহৰ বনাঞ্চললৈ খেদি পঠিয়াবলৈ সক্ষম হয়। উল্লেখ্য যে বৃহত্তৰ খাৰিজা বিজনী, লাৱদাংগুৰি অঞ্চলত মানাহৰ বন্যহস্তীৰ উপদ্ৰৱ নিত্য নৈমিত্তিক ঘটনাত পৰিণত যদিও বন্যহস্তীৰ অবাধ বিচৰণ আৰু উপদ্ৰৱ আজি পৰ্যন্ত বন বিভাগে ৰোধ কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। বন বিভাগৰ ওপৰত ক্ষোভ উজাৰি ভুক্তভোগীয়ে এই সংক্ৰান্তৰ সংবাদ মাধ্যমৰ আগত কয় যে লাৱদাংগুৰিৰ সমীপতে আছে মানাহৰ কাহিতামা বীট অফিচ। বীট অফিচাৰ ৰাজেন্দ্ৰ নাথ দাসক বাৰম্বাৰ ফোন কৰিলেও তেওঁ ফোন ৰিচিভ নকৰে বা পৰৱৰ্তী সময়তো কোনো ধৰণৰ যোগাযোগ নাৰাখে।

# কৰ’নাৰ মাধমাৰত টেম্প’চালকৰ তীব্ৰ আৰ্থিক সংকট ঘগ্ৰাপাৰত

## এমাহে ঘৰৰ বাহিৰ কৰিব পৰা নাই বাহন

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৮ মে’ ঃ** তলাবন্ধৰ সময়ছোৱাত বিভিন্ন ক্ষেত্ৰৰ দৈনিক উপাৰ্জনকাৰীসকলৰ আলাই-আথানি নোহোৱাৰ সমান্তৰালকৈ নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ প্ৰায় দুই শতাধিক টেম্প’চালকো তীব্ৰ আৰ্থিক সংকটত পৰিছে। দৈনিক টেম্প’ চলাই পৰিয়ালৰ পোহপাল দি অহা এইসকল স্বনিৰ্ভৰশীল ব্যক্তিয়ে সম্প্ৰতি এটকাৰ বাবে হাহাকাৰ কৰিব লগা অৱস্থা হৈছে। কৰ’না ভাইৰাছ প্ৰতিৰোধৰ বাবে ৰাজ্যত চলি থকা তলাবন্ধৰ বাবে টেম্প’চালকসকলে বিগত প্ৰায় এমাহে তেওঁলোকৰ বাহন চলোৱাটো দূৰৈৰ কথা নিজ নিজ টেম্প’ ঘৰৰ বাহিৰলৈ উলিয়াব পৰা নাই। তলাবন্ধৰ সময়ছোৱাত যান-বাহন চলোৱাৰ ক্ষেত্ৰত কিছু শিথিলতা মাত্ৰ দুগৰাকী যাত্ৰীহে উঠিব পাৰে। ফলত এই বিধি অনুসৰি এগৰাকী চালকে নিৰ্দিষ্ট স্থানলৈ যাত্ৰী কঢ়িয়াই তেওঁ আয় কৰাতকৈ হাতৰ পৰাহে মূলধন ওলাই যাব বুলি চালকসকলে ব্যক্ত কৰিছে। উল্লেখ্য যে বৰ্তমান ঘগ্ৰাপাৰৰ চাৰিটাকৈ টেম্প’ আস্থানত প্ৰায় দুই শতাধিক নিবনুৱা যুৱকে বেংকত ঋণ অথবা পৈতৃৰ সম্পত্তি বিক্ৰী কৰি একোখন টেম্প’ লৈ জীৱন নিৰ্বাহ কৰি আছে। ঘগ্ৰাপাৰ-নলবাৰী, ঘগ্ৰাপাৰ-ৰঙিয়া, ঘগ্ৰাপাৰ, তামুলপুৰ আৰু ঘগ্ৰাপাৰ পাণ্ডুলালৈ যাতায়াত কৰা চাৰিটা টেম্প’ আস্থান আছে। এই আস্থানকেইটাৰ পৰা নিজৰ টেম্প’ চলাই এইসকলে আত্মনিৰ্ভৰশীল হোৱাৰ লগতে পৰিয়ালক ভৰণ-পোষণ দি অহাৰ সময়তে তলাবন্ধই তেওঁলোকৰ সপোন চুৰমাৰ কৰি দিলে। দুখৰ বিষয় যে তলাবন্ধৰ পূৰ্বে বছৰ বছৰ ধৰি এই টেম্পচালকসকলে কোনো ধৰণৰ চৰকাৰী সাহায্য লাভ নকৰাৰ পাছত এই সময়ছোৱাতো আত্মনিৰ্ভৰশীল যুৱকসকলে চৰকাৰী সাহায্য আঁচনিৰ আওতাত নপৰিল বুলি অভিযোগ উত্থাপিত হৈছে। বিগত বৰ্ষৰ লেখীয়া এইবেলিও তলাবন্ধৰ সময়ত তীব্ৰ আৰ্থিক সংকটত পৰা টেম্প’চালকসকলে সুকীয়াকৈ তেওঁলোকক তালিকাভুক্ত কৰি আৰ্থিক সকাহ দিবলৈ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতি আৰু ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাই।

# নগাঁৱত ড্ৰাগছৰ বিৰুদ্ধে নগাঁও আৰক্ষীৰ অভিযান অব্যাহত

বিশেষ সংবাদদাতা
**নগাঁও, ২৮ মে’ ঃ** নগাঁও জিলাৰ আৰক্ষী অধীক্ষকৰূপে আনন্দ মিশ্ৰই যোগদান কৰাৰ পাছৰে পৰা আৰক্ষীয়ে জিলাখনৰ সৰ্বত্ৰতে ড্ৰাগছৰ বিৰুদ্ধে আৰু অপৰাধমূলক কাম-কাজৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। সমান্তৰালভাৱে আৰক্ষীয়ে এনেবোৰ কাম-কাজৰ বিৰুদ্ধে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে। আৰক্ষীৰ সমান্তৰালভাৱে ৰাইজেও ড্ৰাগছৰ বিৰুদ্ধে সতৰ্ক দৃষ্টি ৰাখিছে। আজি নগাঁও চহৰৰ চকীটোপ অঞ্চলত ড্ৰাগছ সৰবৰাহ কৰিবলৈ যোৱা এজন যুৱকক ৰাইজে কৰায়ত্ত কৰে। ইয়াক কেন্দ্ৰ কৰি চকীটোপ অঞ্চলত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পাছত ৰাইজে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ যুৱকজনক আটক কৰি নগাঁও সদৰ থানালৈ লৈ আহে। ইপিনে, নগাঁও আৰক্ষীয়ে অভিযান চলাই জিলাখনৰ বিভিন্ন স্থানৰ পৰা বুজন পৰিমাণ ড্ৰাগছসহ ১০ জনৰো অধিক ড্ৰাগছ সৰবৰাহকাৰী আৰু ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। নগাঁও আৰক্ষী অধীক্ষকৰূপে মিশ্ৰই ১৭ মে’ত যোগদান কৰাৰ পাছৰে পৰা ড্ৰাগছ আৰু নিচাযুক্ত ওষধৰ বিৰুদ্ধে তৎপৰ হৈ পৰে। আৰক্ষী অধীক্ষকজনৰ নিৰ্দেশত নগাঁও জিলা আৰক্ষীয়ে ড্ৰাগছ বিৰোধী স্কোৱাড আৰু অপৰাধ নিয়ন্ত্ৰণৰ বাবে ৰাইডাৰ স্কোৱাড গঠন কৰি অভিযান অব্যাহত ৰাখিছে। জিলাখনৰ ৰূপহীহাট, জুৰীয়া, ধিং, কচুৱা, ৰহা, চামগুৰি, বটদ্ৰৱা, কামপুৰ, আদি আৰক্ষী থানাই আজি ১১ দিনে অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগছ, ৬০ জনৰো অধিক ড্ৰাগছ সৰবৰাহকাৰী আৰু ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। আজি নগাঁও সদৰ থানাই গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী কেইজন ক্ৰমে মিনাৰা বেগম, আৰিফুল হক, বাহাৰুল ইছলাম, মিৰাজুল হক, পংকজ বৰা, দিদাৰুল হক, ছাদ্দাম হুছেইন। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীকেইজনক জেৰা অব্যাহত ৰাখিছে। নগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে যে জিলাখনত ড্ৰাগৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব। আমি নগাঁও জিলাক ড্ৰাগছমুক্ত জিলাৰূপে গঢ়ি তোলাৰ প্ৰয়াস কৰিছো।

অসম দাপোণ
দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৯ মে', শনিবাৰ, ২০২১ পৃষ্ঠা ১২

## চিৰাঙত এন এল এফবিৰ সদস্য গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৮ মে' ঃ** চিৰাঙত নতুনকৈ গঠিত উগ্ৰপন্থী সংগঠন এন এল এফ বিৰ সদস্য এজনক গ্ৰেপ্তাৰ কৰিছে চিৰাং আৰক্ষীয়ে। কালি চিৰাং জিলাৰ আৰক্ষী অধীক্ষক গৌৰৱ উপাধ্যায়ে সদৰী কৰা মতে, এন এল এফ বি নামৰ সংগঠন এটাৰ জন্মৰ তথ্য লাভ কৰিয়ে জিলাখনৰ ৰুণিখাতা থানাত ২১/২০২১ নম্বৰত গোচৰ পঞ্জীয়ন কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছিল। এই তদন্ত কালত যোৱা ২৫ মে'ত এন এল এফ বিৰ এজন সদস্য গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা সদস্যজন ৰুণিখাতাৰ শালবাৰী গাঁৱৰ বাসিন্দা চন্দন বৰগয়াৰী ওৰফে গেন্দ্ৰা। সদস্যজন পূৰ্বতে ২০০৮ত এন ডি এফ বিৰ সংযোগকাৰী ৰূপে কাম কৰিছিল আৰু পিছলৈ ২০১১ত এন ডি এফ বি(ছা)ত যোগদান কৰিছিল। ২০১৬ত আত্মসমৰ্পনো কৰিছিল। যোৱা তিনমাহৰ পৰা পলাতক আছিল এন এল এফ বিত যোগদান কৰাৰ বাবে।

## মজুৰিক কেন্দ্ৰ কৰি কলিয়াবৰৰ শালনা চাহ বাগিচাত উত্তপ্ত পৰিস্থিতি

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৮ মে' ঃ** ক'ভিড আক্ৰান্তৰ মাজতে প্ৰাপ্য মজুৰিক কেন্দ্ৰ কৰি আজি উত্তপ্ত হৈ পৰে কলিয়াবৰৰ শালনা চাহ বাগিচা। সাপ্তাহিক দৰমহা আদায়ৰ পাছত পুৱাই চাহ শ্ৰমিকসকলে বাগিচাখনৰ কাৰ্যালয় ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰী শ্ৰমিকসকলে কৰা অভিযোগ অনুসৰি সপ্তাহৰ মজুৰি সপ্তাহতে আদায়ৰ দাবীৰে আজি কে'বা শতাধিক শ্ৰমিকে পুৱাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অভিযোগ মতে, শালনা চাহ বাগিচাৰ পৰিচালকে চাহ শ্ৰমিকসকলক সপ্তাহৰ বিপৰীতে ১৫ দিনৰ অন্তত মজুৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণৰ পাছতে শ্ৰমিকসকলে আজি এই পৰিস্থিতিৰ সৃষ্টি কৰে।



ইফালে, চৰকাৰে বান্ধি দিয়া ক'ভিড প্ৰট'কলৰ বাবে চাহ শ্ৰমিকসকলে দিনৰ ১১ বজাৰ লগে লগে কাম বন্ধ কৰাত পৰিয়াল চলাবলৈ বাৰুকৈয়ে অসুবিধাৰ সন্মুখীন হৈছে শ্ৰমিকসকলে। এই ক'ভিড নীতি বলৱৎ থকাৰ সময়তে সপ্তাহৰ মজুৰি ১৫ দিনৰ অন্ততহে দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে বাগিচাখনৰ পৰিচালকে। ক'ভিডৰ প্ৰট'কলৰ বাবে ১১ বজাতে কাম বন্ধ কৰি আৰ্থিকভাৱে জুৰুলা হৈ পৰা শ্ৰমিকসকলৰ সপ্তাহৰ মজুৰি পযেকীয়া কৰাত বাৰুকৈয়ে অসুবিধাৰ সন্মুখীন হোৱাৰ লগতে ক্ষুব্ধ হৈ পৰে চাহ শ্ৰমিকসকলে। অৱশ্যে প্ৰতিবাদৰ সময়তে অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ এটা দলে উপস্থিত হৈ শ্ৰমিকসকলক শান্ত কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতে ছাত্ৰ সংগঠনটোৰ নগাঁও জিলা সমিতিয়ে বাগানখনৰ শ্ৰমিকসকলৰ বিভিন্ন সমস্যা পূৰণ কৰিবৰ বাবে মুখ্য পৰিচালকলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## নিৰ্মাণৰ এমাহ পাছতেই খহিল কোটি টকীয়া পকী দলঙৰ এপ্ৰোছ

**আলোপতি, ২৮ মে' ঃ** ৰাজ্যৰ লোক নিৰ্মাণ বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ বাবেই এচাম ঠিকাদাৰে পকী পথ, দলং নিৰ্মাণ কাৰ্যত ব্যাপক দুৰ্নীৰ্তি-অনিয়ম সংঘটিত কৰি চৰকাৰী ধনৰ শৰাধ পাতিছে। সম্প্ৰতি এনে এক অভিযোগ উত্থাপন কৰিছে কামৰূপ জিলাৰ বকো সমষ্টিৰ টুপামাৰী-বদলা অঞ্চলৰ একাংশ সচেতন নাগৰিকে। লোক নিৰ্মাণ বিভাগৰ বকো উপ-সংমণ্ডৰ অন্তৰ্গত টুপামাৰী-বদলা সংযোগী পথৰ ওপৰত নিৰ্মাণ কৰা কোটি টকীয়া পকী দলঙৰ এপ্ৰোছ নিৰ্মাণত ঠিকাদাৰে দুৰ্নীতি অনিয়ম সংঘটিত কৰাৰ বাবেই নিৰ্মাণ কাৰ্য সমাপন কৰাৰ এমাহ পাছতেই খহি পৰিছে দলঙৰ পকী এপ্ৰোছ। পকী দলঙৰ নিৰ্মাণ কৰা এপ্ৰোছৰ মাটি খহি পৰাত এপ্ৰোছৰ দুয়োপাৰে থকা পকী খুঁটাসমূহ খহি পৰাৰ লগতে এপ্ৰোছত বহুওৱা চিমেন্টৰ ব্লকসমূহো খহি পৰিছে। স্থানীয় একাংশ লোকে অভিযোগ কৰা মতে পকী দলঙৰ এপ্ৰোছ নিৰ্মাণত পেলোৱা মাটি পৰ্যাপ্ত পানী ব্যৱহাৰ নকৰাৰ লগতে সঠিকভাৱে ৰোলিং নকৰাৰ বাবে খহি পৰিছে এপ্ৰোছৰ মাটি।



তদুপৰি এপ্ৰোছৰ মাটি যাতে তলফালে খহি পৰিব নোৱাৰে তাৰ কোনো বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলশ্ৰুতিতেই নিৰ্মাণৰ এমাহৰ পাছতেই দলঙখনৰ এপ্ৰোছ খহি পৰিছে বুলি একাংশই অভিযোগ উত্থাপন কৰিছে। বাৰিষাৰ পূৰ্বেই দলঙখনৰ এপ্ৰোছৰ কাম সঠিক আৰু বিজ্ঞানসন্মতভাৱে নকৰিলে ব্ৰহ্মপুত্ৰৰ সুঁতিৰ কৰাল সোঁতে উটুৱাই নিয়াৰ সম্ভাৱনা ব্যক্ত কৰিছে স্থানীয় ৰাইজে। সমগ্ৰ ঘটনাৰ তদন্ত সাপেক্ষে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে।

## গোসাঁইগাঁৱৰ সাতবিলত জলসিঞ্চন আঁচনি বিকল

### শ শ কৃষকৰ দুৰ্ভোগ

অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ২৮ মে' ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোসাঁইগাঁৱতো জলসিঞ্চন আঁচনি বিকল হৈ আছে। গোসাঁইগাঁৱৰ সাতবিল দ্বিতীয় খণ্ড গাঁৱত জলসিঞ্চন আঁচনি দীৰ্ঘদিনৰ পৰা বিকল হৈ আছে। ৩০ বছৰ ধৰি বিকল হৈ পৰা এই জলসিঞ্চন আঁচনিখন এতিয়া ঘাঁহ-বননিৰে আৱৰি ধৰি ভূত-বাংলালৈ পৰ্যবসিত হৈছে। ফলত ৰাইজে এই আঁচনিৰ পৰা কোনো ধৰণৰ উপকৃত হোৱা নাই। ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। কৃষকসকলে বৰষুণৰ পানীৰ ওপৰত ভিত্তি কৰি বছৰটোত এবাৰ খেতি কৰি নিজৰ পৰিয়াল পোহপাল দিয়াত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। এই আঁচনিখন পুনঃকাৰ্যক্ৰম হ'লে কৃষকসকল শস্য উৎপাদন কৰিব পাৰিব। অতি সোনকালে এই জলসিঞ্চন আঁচনিখন কাৰ্যক্ষম কৰিবলৈ ৰাইজে চৰকাৰক আহ্বান জনাইছে।

## যোৰহাটত ব্যক্তিগত চিকিৎসালয়ত ক'ভিড ৰোগীৰ পৰা অত্যধিক মাচুল সংগ্ৰহ

### মুখ্যমন্ত্ৰী-স্বাস্থ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

ষ্টাৰ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৮ মে' ঃ** ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবদ লাখ লাখ টকা আদায় কৰি অহা কাৰ্য শীঘ্ৰে বন্ধ কৰাৰ দাবীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতিয়ে কালি এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। জিলা স্বাস্থ্য যুটীয়া সঞ্চালকৰ কাৰ্যালয়ৰ সন্মুখত সম্পূৰ্ণ ক'ভিড নীতি-নিয়ম মানি সদস্যসকলে হাত হাতে প্লেকাৰ্ড লৈ 'ব্যক্তিগত চিকিৎসালয়ত ক'ভিড ৰোগীৰ চিকিৎসা ব্যয় হ্ৰাস কৰক, ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ৰ বাবে চৰকাৰী নিৰ্দেশনা বলৱৎ কৰক, ব্যক্তিগত নাৰ্ছিংহোমক নিয়ন্ত্ৰণ কৰক' আদি শ্ল'গানে পৰিৱেশ উত্তাল কৰি তোলে। এক বিবৃতিত পৰিষদৰ যোৰহাট জিলা সমিতিৰ সভাপতি প্ৰণৱজ্যোতি শইকীয়া আৰু সাধাৰণ সম্পাদক বাবু দত্তই কয় যে জেইল ৰোডত অৱস্থিত 'বৰুৱা ছাৰ্জিকেল চেণ্টাৰ' নামৰ ব্যক্তিগত চিকিৎসালয়খনে ক'ভিড ৰোগ চিকিৎসাৰ বাবদ ৰোগীৰ পৰা ন-১০ দিনৰ চিকিৎসা মাচুল হিচাপে আদায় কৰি আহিছে লাখ লাখ টকা। উল্লেখ্য যে চিকিৎসালয়খনত যোৱা১৫ মে'ত ভৰ্তি হৈ ২৪ মে'ত ৰিলিজ লোৱা এজন ক'ভিড ৰোগীৰ বিল হয় দুই লাখ ৯২ হেজাৰ ৮১০ টকা। মাত্ৰ ন দিনত ইমান বৃহৎ পৰিমাণৰ বিল কিদৰে হ'ল বুলি নেতাদ্বয়ে প্ৰশ্ন উত্থাপন কৰিছে। আনহাতে, ক'ভিড ৰোগ পৰীক্ষাৰ বাবদ ব্যক্তিগত পৰীক্ষাগাৰত অত্যধিক মাচুল আদায় কৰি আহিছে বুলিও অভিযোগ কৰি ধৰ্ণাস্থলীৰ পৰা মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীলৈ ছয় দফীয়া স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## গ্ৰীণ অৰ্চিড গ্ৰুপ কোম্পানীয়ে আৰোগ্য নিধিলৈ আগবঢ়ালে পাঁচলাখ টকা

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৮ মে' ঃ** অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ জনসাধাৰণক ক'ভিডৰ বিৰুদ্ধে চলি থকা যুঁজখনত সহায়ক হোৱাকৈ সাধ্যানুসৰি সাহায্য আগবঢ়াবলৈ আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীৰ সেই আহ্বানৰ প্ৰতি সঁহাৰি দি বিগত দিনকেইটাত ৰাজ্যৰ বহুলোকে অসম আৰোগ্য নিধিৰ লগতে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ দান-বৰঙণি আগবঢ়োৱা পৰিলক্ষিত হৈছে। আনহাতে, এই আহ্বানৰ প্ৰতি সঁহাৰি দি ক'ভিডৰ বিৰুদ্ধে চলি থকা যুঁজখনত কিঞ্চিত হ'লেও সহায়ক হোৱাকৈ ৰাজ্য চৰকাৰে গঠন কৰা অসম আৰোগ্য নিধিলৈ পাঁচলাখ টকাৰ বৰঙণি আহবঢ়াইছে দক্ষিণ কামৰূপৰ গ্ৰীণ অৰ্চিড গ্ৰুপ অফ কোম্পানীৰ সঞ্চালক তথা সমাজসেৱী তথা যুৱ উদ্যোগী মিৰ্জাৰ সমীপৰ বৰকুছিৰ তপন মালী আৰু কোম্পানীটোৰ পৰিচালক পদ্মজিৎ ডেকাই। যোৱা ২৬ মে'ত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি পাঁচলাখ টকাৰ চেক প্ৰদান কৰে।

## হাউলীত পিষ্টলসহ গ্ৰেপ্তাৰ দুই



**হাউলী, ২৮ মে' ঃ** হাউলী আৰক্ষীয়ে কালি পুৱতি নিশা এক অভিযান চলাই এটা হস্তনিৰ্মিত পিষ্টল জব্দ কৰাৰ লগতে দুজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে সদৰী কৰা মতে, হাউলীৰ বৰবালা গাঁৱৰ আব্বাছ আলী নামৰ এজন মটৰ চাইকেল চোৰৰ ঘৰত অভিযান চলাই উদ্ধাৰ কৰিছে হস্তনিৰ্মিত পিষ্টলটো। প্ৰথম অৱস্থাত হাউলী আৰক্ষীয়ে কলগাছিয়াৰ মিজানুৰ ৰহমান নামৰ এজন মটৰ চাইকেল চোৰক হাউলীৰ পৰা গ্ৰেপ্তাৰ কৰাৰ পাছতে সমগ্ৰ ঘটনা পোহৰলৈ আহে। পাছত মিজানুৰৰ স্বীকাৰোক্তিৰ ভিত্তিত হাউলী আৰক্ষীয়ে আব্বাছ আলীক গ্ৰেপ্তাৰ কৰে। ইয়াৰ পাছত আব্বাছ আলীৰ বৰবালাৰ নিজ বাসভৱনৰ পৰা হস্তনিৰ্মিত পিষ্টলটো উদ্ধাৰ কৰে। আব্বাচৰ ঘৰত অভিযান চলাই উদ্ধাৰ কৰা হস্তনিৰ্মিত পিষ্টলটো চুৰি কাৰ্যত ব্যৱহাৰ কৰি আহিছে বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। ইতিমধ্যে হাউলী আৰক্ষীয়ে দুয়োজনক জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

## আজি বটদ্ৰৱা থানৰ 'বটদ্ৰৱা প্ৰকল্পস্থলী' পৰিদৰ্শন কৰিব মুখ্যমন্ত্ৰী ডঃ শৰ্মাই

অগ্ৰদূত বাৰ্তা

**বটদ্ৰৱা, ২৮ মে' ঃ** নিৰ্বাচনত জয়লাভ কৰি মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণৰ পাছত প্ৰথমবাৰৰ বাবে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাত কাইলৈ পুৱা উপস্থিত হ'ব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। পুৱাৰ ভাগতে গুৰুজনাৰ জন্মস্থান পূণ্যভূমি বটদ্ৰৱা থানত উপস্থিত হৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা জাতীয় জীৱনৰ মাৰ্গদৰ্শক জগত গুৰুজনাৰ জন্মস্থান পূণ্যভূমি বৈকুণ্ঠ দূতয় স্বৰূপ বটদ্ৰৱা থানৰ বৃহৎ প্ৰকল্পভাগৰ নিৰ্মাণ কাৰ্যৰ বুজ ল'ব। এই সন্দৰ্ভত আজি বিয়লিৰ ভাগত নগাঁও জিলাৰ উপায়ুক্ত কবিতা পদ্মনাভনে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিষয়ববীয়াৰে এক বৈঠকত মিলিত হয়। বৃহত্তৰ বটদ্ৰৱা অঞ্চলটোৰ ভৱিষ্যদৰ্শন সদৃশ 'বটদ্ৰৱা প্ৰকল্প'ৰ নিৰ্মাণস্থলীত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ হৈ পাঁচজন লোক উপস্থিত থাকি মুখ্যমন্ত্ৰীক আদৰণি জনাব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ বটদ্ৰৱা আগমনৰ খবৰ লাভ কৰি বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে স্বাগতম জনাইছে। ক'ভিড পৰিস্থিতিৰ বাবে বটদ্ৰৱা থানত সেৱা জনোৱাৰ পৰা বিৰত থাকিব মুখ্যমন্ত্ৰী ডঃ শৰ্মাই।

## বঙৰাত ক'ভিড-১৯ৰ সজাগতা অভিযান

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৮ মে' ঃ** পলাশবাৰীৰ বঙৰা আই. টি. পাৰ্কৰ সমীপতে যোগ গুৰুকুল, অসমৰ বি বি ক্ৰিয়েছনৰ সৌজন্যত ক'ভিড-১৯ৰ সজাগতা অভিযান অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰ প্ৰচাৰক উল্লাস কুলকাৰ্ণীয়ে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান আৰম্ভ কৰে। লগতে বি বি ক্ৰিয়েছনৰ সচিব বসন্ত কুমাৰ বৰুৱা কৌতুক অভিনেতা মৃন্মথ বৰুৱা আৰু সমাজকৰ্মী ৰাজেন নাথক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত যোগ গুৰুকুলৰ উপাচাৰ্য, সচিব ডাঃ হিমাংশু বুজৰবৰুৱাই বিনামূলীয়াকৈ ক'ভিডৰ প্ৰতিৰোধৰ বাবে যোগাসন আৰু প্ৰাণায়ামৰ উপকাৰিতাৰে ৰাইজক সজাগ কৰে। অনুষ্ঠানত ৫৫জন লোকক চিকিৎসা প্ৰদান কৰা হয়। যোগ গুৰুকুল, অসমৰ সাধাৰণ সম্পাদক দিলীপ গোস্বামীয়ে শান্তি মন্ত্ৰ দিয়ে। অনুষ্ঠানৰ লগত সংগতি ৰাখি বি বি ক্ৰিয়েছনে প্ৰায় ৫০টা পৰিয়ালক খাদ্য সামগ্ৰী বিতৰণ কৰে। সজাগতা অভিযানত দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰ, বিজেপিৰ অনুসূচিত জাতি পৰিষদৰ উপ-সভাপতি কুশলজ্যোতি মালাকৰ, ৰাজ্যিক কাৰ্যনিৰ্বাহক অনুপ মেধী, পলাশবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সৈতেন্দ্ৰ সিং হাজাৰীৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## বাগ্‌সাত মানাহৰ খহনীয়া পৰিদৰ্শন বাগ্‌সাৰ উপায়ুক্তৰ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৮ মে' ঃ** বাগ্‌সা জিলাৰ নৱনিযুক্ত উপায়ুক্ত আয়ুস গাৰ্গে কালি আবেলি জিলাখনৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জত উপস্থিত হৈ নাৰায়ণগুৰিত বেঁকী নৈৰ দুয়ো পাৰৰ খহনীয়া পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ইয়াৰ পূৰ্বে উপায়ুক্তই বাঁহবাৰী বন সংমণ্ডলৰ অতিথিশালাত নৱনিযুক্ত জিলা আৰক্ষী অধীক্ষক ৰাজেন সিং, বাগ্‌সা জিলাৰ বন বিষয়া দীপক বৰ্মন, শালবাৰী মহকুমাধিপতি নিত্য বিনোদ ওৱাৰী, শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্য, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক অমল কুমাৰ শৰ্মা, বাঁহবাৰী বন সংমণ্ডলৰ বন বিষয়া বাবুল ব্ৰহ্ম সমন্বিতে উচ্চ পদস্থ বিষয়াসকলৰ লগত এক আলোচনাত মিলিত হয়। আলোচনাত ৰাষ্ট্ৰীয় উদ্যান খনৰ মাজেৰে বৈ যোৱা বেঁকী নৈৰ খহনীয়া কেনে ধৰণে ৰোধ কৰিব পাৰি লগতে উদ্যানখনৰ জীৱ-জন্তুক কেনেদৰে সুৰক্ষা দিব পৰা যাব তাক লৈও আলোচনা কৰা হয়। উপায়ুক্তই সংবাদ মাধ্যমৰ আগত কয় যে জিলাখনত সক্ৰিয় হৈ থকা ড্ৰাগছ সৰবৰাহকাৰী বা ব্যৱসায়ী সকলৰ বিৰুদ্ধে অভিযান পূৰ্বতকৈও তীব্ৰ কৰি তোলা হ'ব। এই বিষয়ে জিলা আৰক্ষী অধীক্ষকৰ লগতে মহকুমা আৰক্ষী বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে মানাহৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰাৰ পূৰ্বে উপায়ুক্ত আৰু জিলা আৰক্ষী অধীক্ষকে শালবাৰী মডেল হাস্পতালত থকা ক'ভিড কেয়াৰ চেণ্টাৰো পৰিদৰ্শন কৰি চিকিৎসাকৰ্মীসকলৰ লগত মত বিনিময় কৰে।

## পিপিই কিট পৰিধান কৰি ভালুকীত মৃতকৰ শেষকৃত্য সম্পন্ন

**পাটাছাৰকুছি, ২৮ মে' ঃ** সাম্প্ৰতিক পৰিস্থিতিত সজাগতাৰ চানেকি দাঙি ধৰি ভালুকীত কালি মৃতকৰ শেষকৃত্য সম্পন্ন কৰা হ'ল পিপিই কিট পৰিধান কৰি। উল্লেখ্য যে বিগত কে'বাদিন ধৰি ভালুকী নিবাসী শম্ভু নাথ শৰ্মা (৭২)ই জ্বৰ কাহ, পেটৰ অসুখ আদি ৰোগত ভোগাৰ অন্তত যোৱা ২৬ মে'ৰ নিশা মৃত্যু হয়। লক্ষণসমূহ কৰ'না মহামাৰীৰ লগত মিল থকা বাবে স্থানীয় ৰাইজে বিষয়টো সহজভাৱে নলৈ বজালী জিলা প্ৰশাসনৰ ওচৰ চাপে। লোকজনৰ ক'ভিডত পৰীক্ষা কৰা হোৱা নাছিল যদিও প্ৰশাসনে সম্পূৰ্ণ ক'ভিড প্ৰট'কল অনুসৰি পিপিই কিট পৰিধান কৰি ১০জন লোকৰ উপস্থিতিৰে শেষকৃত্য সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে, শৰ্মাই অসম আৰক্ষীৰ চাকৰিৰ পৰা অৱসৰ লৈছিল। মৃত্যুৰ সময়ত পত্নীসহ পুত্ৰ-বোৱাৰী আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি যায়।

## শক্তি আশ্ৰম পালপাৰাৰ মৃৎ শিল্পীৰ দুৰৱস্থা ঃ চৰকাৰলৈ সহায়ৰ আহ্বান ভুক্তভোগী শিল্পীৰ

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ২৮ মে' ঃ** ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে জাৰি কৰা এছ অ' পিৰ ফলত বিশেষ ক্ষতিৰ সন্মুখীন হৈছে কোকৰাঝাৰ জিলাৰ শক্তি আশ্ৰম পালপাৰাৰ মৃৎ শিল্পীসকল। সম্প্ৰতি দেশ তথা ৰাজ্যৰ চৌদিশে মাৰণ কৰ'না নিয়মৰ বাবে সৰ্বসাধাৰণৰ লগতে মৃৎ শিল্পীসকলকো কোঙা কৰিছে। পালপাৰা গাঁৱৰ মৃৎ শিল্পীসকলে বজাৰৰ অভাৱত তৈয়াৰ কৰা সা-সজুলিসমূহ বিক্ৰী কৰিব নোৱাৰি আৰ্থিকভাৱে জুৰুলা হৈছে। এনে পৰিস্থিতিত কাল অমানিশা নামি আহিছে ৰাজ্যৰ মৃৎ শিল্পীসকললৈ। বজাৰ সমাৰ সকলো বন্ধ হোৱাৰ ফলত মৃৎ শিল্পীসকলে তেওঁলোকে নিৰ্মাণ কৰা সামগ্ৰীসমূহ বিক্ৰী কৰিব পৰা নাই। উল্লেখ্য যে পালপাৰা গাঁওবাসীয়ে বছৰ বছৰ ধৰি মাটিৰ বিভিন্ন বাচন-বৰ্তন নিজৰ ঘৰতে নিৰ্মাণ কৰি জিলাখনৰ বিভিন্ন বজাৰত বিক্ৰী কৰি আহিছিল যদিও বহু দিন ধৰি বজাৰ-ঘাট নথকাৰ ফলত এইসকল মৃৎ শিল্পীসকলে পৰিয়ালক পোহ-পাল দিয়াত ভীষণ অসুবিধাৰ সন্মুখীন হৈছে। উল্লেখ্য যে এইসকল শিল্পীৰ খেতি বুলিবলৈ একোৱেই নাই। একমাত্ৰ মৃৎ শিল্পৰ ওপৰত ভৰসা কৰিয়ে গাঁওবাসীয়ে জীৱন-নিৰ্বাহ কৰি আছে। সেয়ে মৃৎ শিল্পীসকলে চৰকাৰক সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

## গোসাঁইগাঁৱৰ ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৮ মে' ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত হাউৰীয়াপেট বজাৰত যোৱা নিশা দুখন দোকানত চুৰি কাৰ্য সংঘটিত হয়। উল্লেখ্য যে আজিজুল হক আৰু চান মিঞা নামৰ দুজন ব্যৱসায়ীয়ে কালি দিনৰ ১১-৩০ বজাত দোকান বন্ধ কৰি ঘৰলৈ গৈছিল আৰু আজি পুৱা ছয় বজাত দোকান খুলিবলৈ আহি চোৰে লুটপাট চলোৱাৰ কথা জানিব পাৰে।

## পাটাছাৰকুছি বেজকুছিত বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ সজাগতা অনুষ্ঠান

**পাটাছাৰকুছি, ২৮ মে' ঃ** অহা এক জুনত উদ্‌যাপিত হ'বলগীয়া বিশ্ব দুগ্ধ দিৱসৰ লগত সংগতি ৰাখি ভাৰততো সপ্তাহজোৰা কাৰ্যসূচীৰে 'ভাৰত কা অমৰুত মহোৎসৱ'ৰ জৰিয়তে সজাগতা সৃষ্টি কৰি এই ক্ষেত্ৰত দুগ্ধ উৎপাদকসকলক সজাগ কৰি অধিক উৎপাদনমুখী কৰাৰ সমান্তৰালকৈ আৰ্থিকভাৱে সৱল কৰাৰ লক্ষ্যৰে যোৱা ২৫ মে'ৰ পৰা আৰম্ভ হোৱা কাৰ্যসূচীৰ অংশ হিচাপে বেজকুছিত এক সজাগতা অনুষ্ঠান সম্পন্ন হয়। বেজকুছিৰ দুগ্ধ উৎপাদক সমবায় সমিতিৰ কাৰ্যালয়ত বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত সজাগতা অনুষ্ঠানত সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সীমিত সংখ্যক গো-পালকৰ উপস্থিতিত সম্পন্ন কৰা হয়। বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ 'প্ৰগ্ৰাম এছিষ্টেণ্ট' ডঃ দিলীপ কুমাৰ দেৱচৌধুৰীয়ে এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। গো-পালকসকলে পৰম্পৰা ভিত্তিক নীতি-নিয়মৰ উপৰি শেহতীয়া গৱেষণাৰ উপলব্ধ বিভিন্ন ধৰণৰ জ্ঞানৰ সহায়ত কেনেদৰে অধিক দুগ্ধ উৎপাদন কৰি লাভবান হ'ব পাৰে সেই বিষয়ে বহলাই কয়। পশুৰ নিয়মীয়া ছিটাকৰণ, পশু স্বাস্থ্য, উন্নতমানৰ গাখীৰ আদিৰ বিষয়ে ল'ব লগা যতনৰ বিষয়ে সদায় কৃষি বিজ্ঞান কেন্দ্ৰৰ লগত যোগাযোগ ৰাখি গো-পালকসকলক উপকৃত হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত অঞ্চলটোৰ এগৰাকী জ্যেষ্ঠ গো-পালক তথা অঞ্চলটোত দুগ্ধ বিপ্লৱত অৰিহণা যোগোৱা ব্যক্তি শ্ৰীপদ চৌধুৰীয়ে গো-পালকসকলক আধুনিক নীতি-নিয়ম অৱলম্বন কৰি লাভবান হোৱাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

## ছাগলীয়াত ১২২ খনকৈ ট্ৰাক জব্দ ধুবুৰী আৰক্ষীৰ

## ৰাজহ ফাঁকি-অতিৰিক্ত বোজাইৰে বাংলাদেশলৈ শিল প্ৰেৰণ

### মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ছাগলীয়া ভ্ৰমণৰ পাছতে তৎপৰতা ধুবুৰী আৰক্ষী

**ধুবুৰী, ২৮ মে' ঃ** ৰাজহ ফাঁকি আৰু অতিৰিক্ত বোজাই কঢ়িওৱা অসম-বংগ সীমান্তৰ ছাগলীয়া হৈ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশলৈ যোৱা ১২২ খনকৈ ট্ৰাক জব্দ কৰে ধুবুৰী জিলা আৰক্ষীয়ে। নামনি অসমৰ জিলাখনত দীৰ্ঘদিনৰ পৰা সোণাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ হৈ বাংলাদেশত প্ৰৱেশ কৰি আহিছে। বাংলাদেশলৈ শিল প্ৰেৰণ কৰা ছিণ্ডিকেট চক্ৰই বিভিন্ন জালিয়াতিৰে কোটি কোটি টকা ৰাজহ ফাঁকি দি আহিছিল যদিও আৰক্ষী, বন বিভাগ আৰু ধুবুৰী পৰিবহণ বিভাগৰ ভূমিকা আছিল ৰহস্যজনক। নিতৌ ছাগলীয়া আৰক্ষী চকী, হালাকুৰা আৰক্ষী চকী, আগমনি আৰু গোলকগঞ্জ থানাৰ সন্মুখেদি শ শ অতিৰিক্ত বোজাইবাহী ট্ৰাক বাংলাদেশলৈ প্ৰৱেশ কৰি আহিছিল। অভিযোগ অনুসৰি আৰক্ষী, বন বিভাগ আৰু পৰিবহণ বিভাগৰ একাংশ বিষয়াই প্ৰতিখন শিলভৰ্তি ট্ৰাকৰ পৰা অবৈধভাৱে আঠ হেজাৰ টকাকৈ সংগ্ৰহ কৰি ছিণ্ডিকেট চক্ৰটোক সহায় কৰি আহিছে। কিন্তু কিছুদিন পূৰ্বে ৰাজ্যৰ শাসনভাৰৰ দায়িত্ব লোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছাগলীয়া ভ্ৰমণৰ সময়তে আৰক্ষীক অবৈধ সৰবৰাহৰ বিৰুদ্ধে পদক্ষেপ ল'বলৈ নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ পাছতে জিলাখনত নতুনকৈ যোগদান কৰা আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপে ছিণ্ডিকেট চক্ৰৰ বিৰুদ্ধে কঠোৰ হৈ পৰে। কালি ছাগলীয়াত আৰক্ষী অধীক্ষকজনৰ নেতৃত্বত অভিযান চলাই ১২২ খনকৈ অতিৰিক্ত বোজাইবাহী ট্ৰাক জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা ট্ৰাকসমূহ প্ৰাথমিক তদন্ত কৰি ধুবুৰী পৰিবহণ বিভাগক গতাই দিয়ে। পৰিবহণ বিভাগে ট্ৰাকসমূহ চমজি লৈ প্ৰতিখন ট্ৰাক ওজন কৰি জৰিমনা বিহি যাবলৈ দিয়ে। ইপিনে, দীৰ্ঘদিনৰ পৰা এইদৰে শ শ ট্ৰাক শিল কঢ়িয়াই নিয়াৰ পাছতো পৰিবহণ বিভাগে কিয় জব্দ কৰা নাছিল বুলি কৰা প্ৰশ্নৰ উত্তৰত জিলাখনৰ এনফৰ্চমেণ্ট বিষয়া আৰিফুল ইছলামে নিশা এনফৰ্চমেণ্টৰ দায়িত্ব নাথাকে বুলি দায়সৰা মন্তব্য কৰে। আনহাতে, অতি কম সংখ্যক বিষয়া-কৰ্মচাৰীৰে জিলা পৰিবহণ বিভাগটো চলি আছে বুলি সদৰী কৰাৰ লগতে ইয়াৰ বাবে বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা বুলি কয়। ইফালে, নতুনকৈ দায়িত্ব লোৱা জিলা আৰক্ষী অধীক্ষকে ট্ৰাকসমূহ জব্দ কৰি চমক দিয়াৰ চেষ্টা কৰিছে নে পৰৱৰ্তী সময়ত এই অভিযান অব্যাহত থাকিব তাকে লৈ সচেতন মহলৰ মাজত চৰ্চা চলিছে।

## মুছলপুৰ চিকিৎসালয়ত অক্সিজেন কনচেনট্ৰেটৰ স্থাপন



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৮ মে' ঃ** যিটো সময়ত সমগ্ৰ দেশৰ লগতে বাগ্‌সা জিলাতো ক'ভিড-১৯ ৰোগে সংহাৰী ৰূপ লৈছে তেনে এক মুহূৰ্তত বাগ্‌সা জিলা প্ৰশাসনৰ তৎপৰতাত আৰু জিলা স্বাস্থ্য বিভাগৰ সহযোগত মুছলপুৰস্থ ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত ২০খনকৈ আইচিইউ বিছনা প্ৰায় সাজু কৰা হৈছে। ইয়াৰ মাজতে আজি পিৰামল স্বাস্থ্যই জিলাখনৰ ৰোগীসকলৰ সকাহ হোৱাকৈ সাতটা অক্সিজেন কনচেনট্ৰেটৰ আৰু ৮০টা অক্সিমিটাৰ যোগান ধৰিছে বুলি জানিব দিয়ে বাগ্‌সা জিলা স্বাস্থ্য বিভাগৰ ডিএমই প্ৰশান্ত কুমাৰ দত্তই। উক্ত সামগ্ৰীৰ যোগানৰ জৰিয়তে স্বাস্থ্যৰ অৱনতি ঘটা কিছুমান ৰোগীক সকাহ দিয়া হ'ব। ইয়াৰ আগতে চিকিৎসালয়ত ভৰ্তি হোৱা ৰোগীৰ উশাহ-নিশাহত কষ্ট হ'লে ইয়াত তেনে কোনো ব্যৱস্থা নথকা বাবে গুৱাহাটী বা বৰপেটালৈ প্ৰেৰণ কৰিব লগা হৈছিল। এতিয়াৰে পৰা তেনে সমস্যা পাৰ্যমানে মুছলপুৰ অসামৰিক চিকিৎসালয়তে চিকিৎসা কৰা হ'ব। উল্লেখ্য যে এতিয়ালৈকে জিলাখনত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা ৯৪৯জন। ইয়াৰে বিভিন্ন চিকিৎসালয়ত ৮৫গৰাকী আৰু হোম আইছ'লেছনত ৮৬৩জন ৰোগী আছে। অৱশ্যে ইয়াৰ মাজতে ক'ভিড-১৯ৰ দ্বিতীয় ঢৌত ২৩জন লোকৰ মৃত্যু হৈছে।






## আজি চেম্পিয়নছ লীগৰ ফাইনেল ঃ তৃতীয়বাৰলৈ মুখামুখি ইংলণ্ডৰ ক্লাব

# খিতাপৰ যুঁজত চেলছি-মানচেষ্টাৰ চিটী



**লিছবন, ২৮ মে' ঃ** চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন কাইলৈ পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হ'ব। উল্লেখ্য যে এইবাৰৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন দুটা ইংলণ্ডৰ ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। চেম্পিয়নছ লীগৰ খিতাপৰ বাবে চেলছিয়ে খেলিব মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে। ইয়াৰপূৰ্বে দুবাৰ দুটা ইংলণ্ডৰ দলে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে খেলিছিল। 2008 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত চেলছিয়ে খেলিছিল মানচেষ্টাৰ ইউনাইটেডৰ বিৰুদ্ধে। আনহাতে, 2012 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত লিভাৰপুলে খেলিছিল ট'টেনহামৰ বিৰুদ্ধে। উল্লেখ্য যে ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীয়ে ইতিহাস গঢ়ি পোন প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথম ছেমিফাইনেলত চিটীয়ে ফ্ৰান্সৰ ক্লাব পি এছ জিক পৰাস্ত কৰি এই গৌৰৱময় সফলতা অৰ্জন কৰে। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটী মুখামুখি হয় পি এছ জিৰ। মেচখনত মানচেষ্টাৰ চিটীয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ফ্ৰান্সৰ ক্লাব পি এছ জিক। অৱশ্যে মানচেষ্টাৰ চিটীৰ সামগ্ৰিক জয়ৰ ব্যৱধান হ'ল 4-1। ইয়াৰপূৰ্বে পেৰিছত অনুষ্ঠিত হোৱা প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক। আনহাতে, চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মুখামুখি হয় ইংলণ্ডৰ ক্লাব চেলছি আৰু স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। মেচখনত চেলছি 2-0 গ'লৰ ব্যৱধানত জয়লাভ কৰি চেম্পিয়নছ লীগ ফুটবলৰ খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে চেলছিয়ে সামগ্ৰিকভাৱে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। ইয়াৰপূৰ্বে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচখনত উভয় দলে 1-1 গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল।



## এছিয়ান বক্সিঙৰ ফাইনেলত শিৱ

**গুৱাহাটী, ২৮ মে' ঃ** অসমৰ শিৱ থাপাই চলিত এছিয়ান বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত শিৱৰ প্ৰতিদ্বন্দ্বী আছিল তাজাকিস্তানৰ বাখ'দুৰ উছম'ন'ভ। বিগত বৰ্ষৰ 64 কেজি শাখাৰ চেম্পিয়নজনক শিৱই বিধ্বস্ত কৰি 4-0 ব্যৱধানত পৰাস্ত কৰে। শিৱৰ পইণ্টৰ ব্যৱধান হ'ল 30-27, 28-28, 29-28, 29-28, 30-27¼ অহা দেওবাৰে ফাইনেল খেলিব শিৱই। উল্লেখ্য যে শিৱই কোৱাৰ্টাৰ ফাইনেলত মুখামুখি হৈছিল কুৱেটৰ নাডিৰ অ'ডাহৰ বিৰুদ্ধে। মেচখনত 5-0 ব্যৱধানত জয়ী হৈ পদক নিশ্চিত কৰে শিৱই। শিৱৰ পইণ্টৰ ব্যৱধান আছিল 30-26, 30-27, 30-27, 30-27, 30-26¼ আনহাতে, প্ৰতিযোগিতাৰ প্ৰথমদিনা অনুষ্ঠিত হোৱা প্ৰথম ৰাউণ্ডৰ মেচত শিৱ থাপাই 5-0 ব্যৱধানত পৰাস্ত কৰিছিল কাজাখস্তানৰ ডমিইৰি পুচিনক। এই জয়ৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল শিৱ। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা বক্সাৰ শিৱ থাপাই এছিয়ান বক্সিঙত 2013 ত সোণসহ এতিয়ালৈকে চাৰিটা পদক লাভ কৰিছিল। এইবাৰ পঞ্চমটো পদক জয় নিশ্চিত কৰিলে শিৱই। ইয়াৰপূৰ্বে শিৱই 2013 ত সোণ, 2017 ত ৰূপ আৰু 2015 তথা 2019 ত ব্ৰঞ্জ লাভ কৰিছিল। চলিত প্ৰতিযোগিতাত শিৱই ৰূপ পোৱাটো নিশ্চিত হৈছে যদিও লক্ষ্য সোণ।

## লিছবন ষ্টেডিয়ামত থাকিব ৫০ শতাংশ ফুটবলপ্ৰেমী

**লিছবন, ২৮ মে' ঃ** চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন কাইলৈ পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হ'ব। এই মেচত উপস্থিত থাকিব 50 শতাংশ দৰ্শক। উল্লেখ্য যে চেম্পিয়নছ লীগৰ ফাইনেলৰ দিন নিশ্চিত হৈছিল যদিও মেচৰ স্থান নিশ্চিত হোৱা নাছিল। প্ৰথমে এই মেচখন ইষ্টানবুলত অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু পাছত সেয়া বাতিল কৰা হৈছে। কৰ'নাৰ বাবে ইষ্টানবুলত অনুষ্ঠিত নহয় চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল। তাৰপাছত ফাইনেল মেচখন লণ্ডনৰ ৱেম্বলি ষ্টেডিয়ামত আয়োজন কৰাৰ বিষয়ে ভবা হৈছিল যদিও সেয়াও বাতিল কৰা হয়। কাৰণ এইবাৰৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন দুটা ইংলণ্ডৰ ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। চেম্পিয়নছ লীগৰ খিতাপৰ বাবে চেলছিয়ে খেলিব মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে। সকলো আলোচনাৰ পাছত পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হ'ব চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল। ইফালে, ফাইনেল মেচৰ বাবে লিছবনে



আদৰণি জনাইছে ইংলিছ ফুটবপ্ৰেমীক। যিহেতু দুটা ইংলিছ ক্লাবে ফাইনেল খেলিব সেয়ে ষ্টেডিয়ামৰ গেলেৰী ইংলণ্ডৰ ফুটবলপ্ৰেমীৰ বাবে মুকলি কৰা হ'ব বুলি জনায়। ষ্টেডিয়ামত ইংলণ্ডৰ যোল্ল হেজাৰ পাঁচশ দৰ্শকক প্ৰৱেশৰ অনুমতি দিয়া হৈছে। উল্লেখ্য যে ইয়াৰপূৰ্বে দুবাৰ দুটা ইংলণ্ডৰ দলে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে খেলিছিল। 2008 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত চেলছিয়ে খেলিছিল মানচেষ্টাৰ ইউনাইটেডৰ বিৰুদ্ধে। আনহাতে, 2012 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত লিভাৰপুলে খেলিছিল ট'টেনহামৰ বিৰুদ্ধে।

## প্ৰথম সুযোগতে খিতাপ দখলৰ লক্ষ্য ই পি এলৰ চেম্পিয়ন চিটীৰ

**লণ্ডন, ২৮ মে' ঃ** ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীয়ে ইতিহাস গঢ়ি পোন প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে এইবাৰ লীগ সমাপ্তিৰ পূৰ্বে ই পি এলৰ খিতাপ লাভ কৰা চিটীৰ লক্ষ্য চেলছিক হৰুৱাই প্ৰথমবাৰ চেম্পিয়নছ লীগৰ ফাইনেলতে খিতাপ দখল কৰা। অৱশ্যে ই পি এল আৰু এফ এ কাপৰ মেচত চিটী পৰাস্ত হৈছে চেলছিৰ বিৰুদ্ধে। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটী মুখামুখি হৈছিল পি এছ জিৰ। মেচখনত মানচেষ্টাৰ চিটীয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ফ্ৰান্সৰ ক্লাব পি এছ জিক। অৱশ্যে মানচেষ্টাৰ চিটীৰ সামগ্ৰিক জয়ৰ ব্যৱধান হ'ল 4-1। ইয়াৰপূৰ্বে পেৰিছত অনুষ্ঠিত হোৱা প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক। উল্লেখ্য যে প্ৰথম লেগৰ মেচত জয়লাভ কৰি সুবিধাজনক স্থিতিত আছিল মানচেষ্টাৰ চিটী। ফৰ্মত আছে দলৰ ষ্ট্ৰাইকাৰ ৰিয়াদ মেহৰাজ। দ্বিতীয় লেগৰ মেচত মেহৰাজে দুটা গ'ল দি চিটীৰ বিজয় নিশ্চিত কৰিছিল। ইয়াৰপূৰ্বে প্ৰথম লেগৰ মেচতো চিটীৰ হৈ বিজয়সুচক গ'লটো কৰিছিল মেহৰাজে।



## অলিম্পিকৰ পূৰ্বে আশা কৰা সফলতা নাপালে লাভলীনাই

### এছিয়ান বক্সিঙৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদক অৰ্জন

**গুৱাহাটী, ২৮ মে' ঃ** চলিত এছিয়ান বক্সিং প্ৰতিযোগিতাত অসমৰ লাভলীনা বৰগোহাইয়ে পোনে পোনে ছেমিফাইনেল খেলাৰ সুযোগ লাভ কৰিছিল যদিও ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকে বক্সাৰগৰাকী। উল্লেখ্য যে কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত এয়া হৈছে লাভলীনাৰ প্ৰথম প্ৰতিযোগিতা। যোৱানিশাৰ মহিলাৰ 69 কেজি শাখাৰ ছেমিফাইনেলত লাভলীনাক 2-3 ৰ ব্যৱধানত পৰাস্ত কৰে উজবেকিস্তানৰ নভবখৰ খামিড'ভে। অলিম্পিকৰ পূৰ্বে লাভলীনাৰ বাবে এয়া মুঠেও সুখৰ খবৰ নহয়। উল্লেখ্য যে চলিত এছিয়ান বক্সিং প্ৰতিযোগিতাত মহিলাৰ 69 কেজি শাখাত প্ৰতিদ্বন্দ্বীতা কৰিছিল মাত্ৰ চাৰিগৰাকী বক্সাৰে। সেয়ে পোনে পোনে ছেমিফাইনেল খেলাৰ সুযোগ লাভ কৰি ৰিঙত নমাৰ পূৰ্বে পদক জয় নিশ্চিত আছিল লাভলীনাৰ লগতে আন চাৰি বক্সাৰৰ। এছিয়ান বক্সিং প্ৰতিযোগিতাত এয়া লাভলীনাৰ দ্বিতীয়টো পদক। উল্লেখ্য যে অসমৰ প্ৰথম মহিলাৰূপে অলিম্পিকলৈ যোগ্যতা অৰ্জনৰ গৌৰৱ লাভ কৰা লাভলীনাই 2017 ৰ এছিয়ান বক্সিঙতো ব্ৰঞ্জ লাভ কৰিছিল। ইফালে, বিশ্ব বক্সিঙতো ক্ৰমাগত দুবছৰৰ দুটা ব্ৰঞ্জ লাভ কৰিছে অসম কন্যাই।



### অংশ ল'ব পাঁচখন টি-২০ মেচত

## আগষ্টত বাংলাদেশলৈ অষ্ট্ৰেলিয়া

**মেলবৰ্ণ, ২৮ মে' ঃ** অষ্ট্ৰেলিয়া ক্ৰিকেট দলে বাংলাদেশৰ বিৰুদ্ধে এটা টি-20 মেচৰ শৃংখলা খেলিব। অহা আগষ্টত হ'ব পাৰে এই টি-20 মেচৰ শৃংখলাটো। আজি অষ্ট্ৰেলিয়া ক্ৰিকেট ব'ৰ্ডে এই বিষয়ে অৱগত কৰিছে। কিন্তু প্ৰস্তাৱিত টি-20 মেচৰ শৃংখলাটোৰ দিন বা সূচী এতিয়াও প্ৰস্তুত কৰা হোৱা নাই। কিন্তু এই বিষয়ে অৱগত কৰি অষ্ট্ৰেলিয়া ক্ৰিকেট ব'ৰ্ডে কয় যে দেশৰ জাতীয় দলটো বাংলাদেশ ভ্ৰমণ কৰিব আৰু এই ভ্ৰমণত অষ্ট্ৰেলিয়া আৰু বাংলাদেশে এটা পাঁচখনীয়া টি-20 মেচৰ শৃংখলাত অংশ ল'ব। আসন্ন ভাৰতত হ'বলগা আই চি চি টি-20 বিশ্বকাপৰ প্ৰস্তুতিৰ বাবেই এই শৃংখলাত অংশ ল'ব অষ্ট্ৰেলিয়া আৰু বাংলাদেশে। উল্লেখ্য যে অষ্ট্ৰেলিয়াই তিনিখন এদিনীয়া আৰু পাঁচখন টি-20 মেচ খেলিব ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। ন পৰা 24 জুলাইলৈ চলিব অষ্ট্ৰেলিয়া-ৱেষ্ট ইণ্ডিজৰ ক্ৰিকেট শৃংখলা। ৱেষ্ট ইণ্ডিজ শৃংখলাৰ পাছতে কেংগাৰু বাহিনী যাব বাংলাদেশলৈ।

## এফ এ কাপ চেম্পিয়ন ট্ৰফী হাতৰ পৰা ওলাই যোৱাৰ পাছত আজি আত্মবিশ্বাসী চেলছি

**লণ্ডন, ২৮ মে' ঃ** 2008 আৰু 2012 ৰ পাছত তৃতীয়বাৰৰ বাবে পুনৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে চেলছি। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মুখামুখি হয় ইংলণ্ডৰ ক্লাব চেলছি আৰু স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। মেচখনত চেলছি 2-0 গ'লৰ ব্যৱধানত জয়লাভ কৰি চেম্পিয়নছ লীগ ফুটবলৰ খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে চেলছিয়ে সামগ্ৰিকভাৱে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। ইয়াৰপূৰ্বে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচখনত উভয় দলে 1-1 গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল। কিন্তু দ্বিতীয় লেগৰ মেচত চমক দিয়ে ইংলিছ ক্লাব চেলছিয়ে। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত চেলছি পৰাস্ত হৈছিল যদিও ছেমিফাইনেলত



প্ৰৱেশ কৰাৰ সফলতা লাভ কৰিছিল। কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত পৰ্তুগালৰ ক্লাব এফ চি প'ৰ্টো বিৰুদ্ধে একমাত্ৰ গ'ল পৰাস্ত হয় চেলছি। কিন্তু ইয়াৰপূৰ্বে হোৱা কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত চেলছিয়ে জয়লাভ কৰিছিল। একপক্ষীয় মেচখনত এফ চি প'ৰ্টোক ইংলণ্ডৰ ক্লাব চেলছিয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল। সেয়ে চেলছিয়ে সামগ্ৰিকভাৱে 2-1 গ'লৰ ব্যৱধানত অগ্ৰগতি লাভ কৰি চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ সফলতা লাভ কৰে। উল্লেখ্য যে চেম্পিয়নছ লীগৰ ফাইনেলত প্ৰৱেশ কৰা চেলছিয়ে এফ এ কাপৰ খিতাপৰ যুঁজলৈও অগ্ৰসৰ হৈছিল যদিও চেম্পিয়ন ট্ৰফী হাতত ল'ব নোৱাৰিলে। এফ এ কাপৰ ফাইনেলত চেলছিক পৰাস্ত কৰে লেইচেষ্টাৰ চিটীয়ে।



ফ্ৰেন্স অপেনলৈ অনুশীলন বাৰ্টিৰ

## মেৰী কমসহ ফাইনেলত চাৰি

**নতুন দিল্লী, ২৮ মে' ঃ** এম চি মেৰীকমসহ ডুবাইত চলি থকা এছিয়ান বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ চাৰি মহিলা বক্সাৰ। মেৰীৰ লগতে ফাইনেলত প্ৰৱেশ কৰা অন্য তিনিগৰাকী মহিলা বক্সাৰ হ'ল লালবুৰাটছাইহি (64 কেজি), পূজা ৰাণী (75 কেজি), আৰু অনুপমা (81 কেজি উৰ্ধ্ব)। কাইলৈ প্ৰতিযোগিতাৰ জিৰণি দিন। ফাইনেল অনুষ্ঠিত হ'ব দেওবাৰে। উল্লেখ্য যে যোৱানিশা অনুষ্ঠিত হোৱা ছেমিফাইনেলত মেকীকমে 4-1 ৰ ব্যৱধানত পৰাস্ত কৰে মংগোলিয়াৰ লুটছাইখানক। ৰূপৰ পদক নিশ্চিত কৰা মেৰীকমে ফাইনেল খেলিব কাজাখস্তানৰ নাজিম কিজাইবিৰ বিৰুদ্ধে। উল্লেখ্য যে চলিত এছিয়ান বক্সিং প্ৰতিযোগিতাত অংশ লোৱা ভাৰতৰ মহিলা দলৰ প্ৰতিগৰাকী সদস্যাই পদক জয় কৰাটো পূৰ্বেই নিশ্চিত হৈছিল। কাৰণ ভাৰতৰ 10 গৰাকী মহিলা বক্সাৰে প্ৰতিযোগিতাৰ ছেমিফাইনেল খেলি পদক নিশ্চিত কৰে। অৱশ্যে ছেমিফাইনেলত এম চি মেৰীকম (51 কেজি), লালবুৰাটছাইহি (64 কেজি), পূজা ৰাণী (75 কেজি), আৰু অনুপমা (81 কেজি উৰ্ধ্ব) ই জয়লাভ কৰাৰ বিপৰীতে যোৱানিশা পৰাস্ত হয় ম'নিকা (48 কেজি), সাক্ষী (54 কেজি), জেছমিন (57 কেজি), সিমৰণজিত কৌড় (60 কেজি), লাভলীনা বৰগোহাই (69 কেজি), আৰু স্বতি (81 কেজি)। এই ছয় বক্সাৰে ব্ৰঞ্জ লাভ কৰিব।



### ইউৰো কাপ ফুটবল

## লেৱানডাউস্কি পোলেণ্ডৰ ভৰষা

**মিউনিখ, ২৮ মে' ঃ** ৰবাৰ্ট লেৱাড'স্কিৰ ভৰষাতে ইউৰো কাপ জয়ৰ সপোন দেখিছে পোলেণ্ডে। যদি মাৰাডোনাই একক প্ৰচেষ্টাৰে আৰ্জেণ্টিনাক বিশ্ব চেম্পিয়ন কৰাব পাৰে তেন্তে ৰবাৰ্টে পোলেণ্ডক কিয় ইউৰো কাপ দিব নোৱাৰিব। উল্লেখ্য যে যোৱাবৰ্ষৰ ফিফাৰ বৰ্ষশ্ৰেষ্ঠ ফুটবলাৰ ৰবাৰ্ট লেৱাড'স্কি এইবাৰো দুৰন্ত ছিজন যাত্ৰা অব্যাহত ৰাখিছে। বেয়াৰ্ণ মিউনিখৰ ষ্টাইকাৰ ৰবাৰ্ট লেৱাড'স্কিয়ে এইবাৰ জাৰ্মান লীগত 49 বছৰীয়া এক অভিলেখ ভংগ কৰিছে। এটা ছিজনত সৰ্বাধিক গ'ল কৰাৰ অভিলেখ গঢ়িছে পোলেণ্ডৰ ৰবাৰ্ট লেৱাড'স্কিয়ে। যোৱা সপ্তাহতে এই সফলতা লাভ কৰে পোলেণ্ডৰ ষ্ট্ৰাইকাৰগৰাকীয়ে। জাৰ্মান লীগত বেয়াৰ্ণ মিউনিখ অন্তিম মেচত 5-2 গ'লত জয়ী হয়। মেচৰ অন্তিম ক্ষণত গ'ল কৰি জাৰ্মান লীগত 49 বছৰীয়া এক অভিলেখ ভংগ কৰে বেয়াৰ্ণ মিউনিখৰ ষ্টাইকাৰ ৰবাৰ্ট লেৱাড'স্কিয়ে। উল্লেখ্য যে জাৰ্মান লীগত ৰবাৰ্ট লেৱাড'স্কিয়ে এতিয়ালৈ 29 খন মেচত মুঠ 41 টা গ'ল কৰিছে। জাৰ্মান লীগত ইয়াৰপূৰ্বে 1972 ত গ্ৰেড মুলাৰে এটা ছিজনত 40 টা গ'ল কৰিছিল। আনহাতে, 2015-16 ত বাৰ্চিলোনাত থকা অৱস্থাত লুইছ ছুৱাৰেজে এটা ছিজনত 40 টা গ'ল কৰিছিল। তাৰপাছত এইবাৰ ইউৰোপৰ লীগত নতুন গৌৰৱ লাভ কৰিলে বেয়াৰ্ণ মিউনিখৰ ষ্টাইকাৰ ৰবাৰ্ট লেৱাড'স্কিয়ে। অহা 11 জুনৰ পৰা আৰম্ভ হ'ব ইউৰো কাপ ফুটবল।



## সোণৰ যুঁজলৈ অগ্ৰসৰ অমিত পাংগাল

**নতুন দিল্লী, ২৮ মে' ঃ** চলিত এছিয়ান বক্সিং প্ৰতিযোগিতাত পদক জয়ৰ নতুন অভিলেখ গঢ়িছে ভাৰতে আজিও আশাপ্ৰদ আৰম্ভণি কৰে। উল্লেখ্য যে আজি অনুষ্ঠিত হয় পুৰুষ শাখাৰ ছেমিফাইনেল। পুৰুষ শাখাত ভাৰতৰ শিৱ থাপা (64 কেজি), সঞ্জীত (91 কেজি), অমিত পাংগল (52 কেজি), বৰীন্দৰ (60 কেজি) আৰু বিকাশ কিষানে ((69 কেজি) ছেমিফাইনেল মেচত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। উল্লেখ্য যে ছেমিত প্ৰৱেশ কৰি পাঁচোগৰাকী ভাৰতীয় বক্সাৰে ইতিমধ্যে পদক জয় নিশ্চিত কৰিছিল। আজি প্ৰথম ছেমিফাইনেলত অমিতে 5-0 ত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ডুবাই চলি থকা প্ৰতিযোগিতাখনত ভাৰতীয় দলে মুঠ 15 টা পদক লাভ কৰাটো নিশ্চিত হৈছে। কেৱল পদকৰ ৰূপ কি হ'ব সেয়া নিশ্চিত হোৱা নাই। উল্লেখ্য যে ভাৰতৰ 15 গৰাকী বক্সাৰে ছেমিফাইনেলত প্ৰৱেশ কৰি দেশৰ হৈ 15 টা পদক জয় নিশ্চিত কৰিছে। ইয়াৰে 10 বক্সাৰ মহিলা আৰু পাঁচ বক্সাৰ পুৰুষ। ইতিমধ্যে মহিলাৰ চাৰিগৰাকী ফাইনেলত প্ৰৱেশ



কৰাৰ লগতে ছয়গৰাকীয়ে ব্ৰঞ্জত সন্তুষ্ট থাকে। স্মৰ্তব্য যে এছিয়ান বক্সিং প্ৰতিযোগিতাত পদক জয়ৰ দৃষ্টিৰে এয়াই ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰপূৰ্বে ভাৰতে 2019 ত থাইলেণ্ডত হোৱা এছিয়ান বক্সিং প্ৰতিযোগিতাত 13 টা পদক লাভ কৰিছিল। উল্লেখ্য যে ভাৰতীয় বক্সিং সন্থা আৰু ইউ এ ই বক্সিং সন্থাৰ যুটীয়া উদ্যোগত যোৱা 24 মে'ৰ পৰা ডুবাইত অনুষ্ঠিত হৈছে এছিয়ান বক্সিং প্ৰতিযোগিতা। অলিম্পিকৰ পূৰ্বে ভাৰতীয় বক্সাৰৰ বাবে এই প্ৰতিযোগিতা অতি গুৰুত্বপূৰ্ণ। ভাৰতীয় দলৰ হৈ প্ৰতিযোগিতাত খেলিছে আসন্ন টকিঅ' অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰা ভাৰতৰ আটাইকেইজন পুৰুষ-মহিলা বক্সাৰে।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023


## বিল্যসনন্দন চ'ৰা



# বন্ধ তলাৰ ৰহস্য

**এইবাৰ** কেৱল এচামিজ পিপ'লেই নহয়, ইণ্ডিয়ান মানুহখিনিয়েও তিলতিলকৈ ফিল কৰিছে যে কিবা এটা নাই! সকলোৰে এটাই দুখ— নহ'ল, এইবাৰ নহ'ল। যোৱাবাৰ যি হৈছিল, এইবাৰো তেনে কিবা হ'ব বুলি সৰেই গভীৰভাৱে আশা কৰি আছিল। ৰাতি আঠ বাজিলেই সকলোৰে টিভিৰ সন্মুখত বহি গৈছিল— আজি ওলাব! আজি ওলাব! ঠিক আগৰ দিনৰ চিত্ৰহাৰ প্ৰগ্ৰামটোৰ দৰে। ছুপাৰহিট গানটো আজি দিব দিব বুলি যে ল'ৰা-ছোৱালীবোৰ পঢ়া-শুনাক গুলি মাৰি টিভিৰ আগত বহি থাকিছিল! গানটো নবজালে যে বৰ দুখ লাগিছিল! ঠিক তেনেকৈ এইবাৰো সকলোৰে আশা কৰিছিল ৰাতি আঠ বজাত হিন্দী চিনেমাৰ গান বাজি উঠাৰ দৰে হিৰোমাফিক ইন্ট্ৰ'ডাকচনেৰে আৱিৰ্ভাৱ ঘটিব দিল্লীৰ বাদশ্বাহৰ আৰু ভাইয়ো ঔৰ বেহনোসকলক উদ্দেশি ঘোষণা কৰিব তলাবন্ধ। পিছে নাই, দিনবোৰ পাৰ হৈ গ'ল, ঘড়ীৰ কাঁটাডালে সদায়ে আঠটা বজাই থাকিল। দিল্লীৰ বাদশ্বাহ যি নোলাল, নোলালেই আৰু! তাকে দেখি ষ্টেটবোৰৰ কৰতলীয়া ৰজা-মহাৰজাসকলে নিজেই তলাটো বন্ধ কৰি দিবলৈ বাধ্য হ'ল, বাদশ্বাহৰ তলাটো কিন্তু বন্ধ নহ'ল। তাকে লৈ আমাৰ মানুহবোৰৰ মনবোৰ বজাৰৰ পৰা আনি ফ্ৰীজত ভৰাওতে দেৰি হোৱা বাবে গলি গলি এগিলাছ বৰফ পানীত পৰিণত হোৱা আইচক্ৰীমৰ দৰে একেবাৰে পনীয়া হৈ গৈছে। মানুহবোৰে কোৱাকুইও কৰিছে 'ধ্যুৰ এইবাৰ একেবাৰে এণ্টাৰটেইনমেণ্ট নহ'ল। যোৱাবাৰ তলাবন্ধত আমি কম তামাচা কৰিছিলো নেকি? পাকঘৰত গাখীৰ চুৰ কৰিবলৈ অহা মেকুৰীটোক 'হেই হেই' বুলি চাপৰি বজাই বজাই খেদাৰ দৰে ভাইৰাছ খেদিবলৈও আমি কম চাপৰি বজাইছিলো নে? দিল্লীৰ বাদশ্বাহে ক'লে তালি বাজাও। বজাই দিলো। বজাওতে বজাওতে হাতৰ পতা গৰম হৈ গ'ল। ভাইৰাছ নগ'ল। কিন্তু টাইম পাছ হৈ গ'ল। গাঁৱত মহ খেদিবলৈ যেনেকৈ জুই জ্বলাইছিলো, ভাইৰাছ খেদিবলৈ বাদশ্বাহে চাকি জ্বলাবলৈ হুকুম দিলে। জ্বলালো। ভাইৰাছ নগ'ল। কিন্তু টাইমখিনি ভালকৈয়ে পাছ হৈ গ'ল। এনেয়েও আমাৰ বাদশ্বাহে কামবোৰত ফেইল মাৰিলেও টাইম পাছ কৰি কিন্তু বৰ মজা পায়। মজা আমিও পাইছো দিয়কচোন।'



লগৰবোৰেও ফুল ছাপোৰ্ট কৰিলে—'ঠিক কথা কৈছে। সেইবোৰহে আছিল তলাবন্ধ। শ্ৰীমতীয়ে বিধে বিধে খানা বনাইছিল, আমি গোগ্ৰাসে খাইছিলো। আমাৰ ব'ডীৰ ৱেইট দিনক দিনে বাঢ়ি গ'ল, কিন্তু কি হ'ল জানো আমাৰ বাদশ্বাহৰ কথাৰ ৱেইট দেখোন দিনক দিনে কমি গ'ল।'

বাদশ্বাহে এইবাৰ তলাবন্ধ নকৰা কাৰণে মানুহবোৰে দুখ কৰিছে হয়, কিন্তু বাদশ্বাহৰ দুখৰ কথাতো কোনেও বুজা নাই। আচল কথাটো য'তে-ত'তে কৰিশ্মা দেখুৱাই ভাল পোৱা কৰিশ্মা শ্বাহেহে জানে। কৰিশ্মা শ্বাহে বাদশ্বাহৰ তলাটোৰ কাহিনী বহুতকে কৈছেও বোলে! তেও কোৱা কাহিনী মতে, বাদশ্বাহৰ তলাটো বাদশ্বাহৰ হুকুম মৰ্মে কৰিশ্মা শ্বাহে বেংগললৈ লৈ গৈছিল। বাদশ্বাহৰ তলাটো কিমান বঢ়িয়াকৈ বন্ধ হয়, সেয়া যোৱাবাৰ সকলোৱে দেখিছে। গতিকে এইবাৰ সেই তলাটোক দিদিৰ ঘৰৰ গেটত মাৰিম বুলি কৰিশ্মা শ্বাহে লৈ গ'ল। লগত গ'ল বাদশ্বাহো। দুয়োজন শ্বাহে দিদিৰ গেটত তলাটো ওলমাই চাবিপাত ঠিকেই পকালে, কিন্তু অহাৰ সময়ত তলাটোৰ পৰা চাবিপাত আনিবলৈ পাহৰি থাকিল। আচলতে অ'ভাৰ কনফিডেন্স নামৰ বেমাৰটোৰ কাৰণেই এনে হ'ল। কেইদিনমান পাছত দিদিয়ে আহি সেই তলাটোকে বাদশ্বাহৰ মুখত মাৰি থৈ চাবিপাত লৈ গুচি গ'ল। মুখত তলা, হাতত নাই চাবি। আঠ বজাত ওলাই কি ক'ব, কেনেকৈ ক'ব তলাবন্ধ মুখখনেদি যে আজিৰে পৰা তলাবন্ধ?

কথাখিনি কওতে কৰিশ্মা শ্বাহৰ চকুপানীত গোটেই মুখখন তিতি গ'ল। শ্বাহে ক'লে— নাই, ঘামত তিতিছে!

# ‘য়াছ’ৰ মোকাবিলাত ক্ষতিগ্ৰস্ত তিনি ৰাজ্যলৈ এহেজাৰ কোটিৰ পেকেজ প্ৰধানমন্ত্ৰীৰ

# কৰ'নাৰ বাবে মহাঘূৰ্ণীৰ ক্ষতিপূৰণ নিবিচাৰিলে ওড়িছাৰ মুখ্যমন্ত্ৰীয়ে

## ■ মোদীক সাক্ষাৎ কৰিলেও পৰ্যালোচনা বৈঠকত অনুপস্থিত মমতা বেনাৰ্জী ■ মহাঘূৰ্ণীত ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন প্ৰধানমন্ত্ৰী মোদীৰ



**নিউজ ব্যুৰ'**
**কলকাতা/ভুৱনেশ্বৰ, ২৮ মে' ঃ** মহাঘূৰ্ণী ‘য়াছ’ৰ কবলত পৰা পশ্চিমবংগ, ওড়িছা আৰু ঝাৰখণ্ডৰ বিস্তীৰ্ণ অঞ্চল পৰিদৰ্শন কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ইয়াৰ পাছতে তিনিওখন ৰাজ্যলৈ এহেজাৰ কোটি টকাৰ পেকেজ প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। প্ৰধানমন্ত্ৰীয়ে আজি ওড়িছা আৰু পশ্চিমবংগত ক্ষয়ক্ষতিৰ সন্দৰ্ভত দুখন পৰ্যালোচনা বৈঠকতো অংশ লয়। ইয়াৰ পাছতে নতুন দিল্লীলৈ উভতি গৈ তেওঁ পেকেজৰ কথা ঘোষণা কৰে। উল্লেখ্য যে এই পৰ্যালোচনা বৈঠকত উপস্থিত নাথাকিল পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী।

উল্লেখ্য যে যোৱা ২৬ মে'ত বংগোপসাগৰত সৃষ্টি হোৱা মহাঘূৰ্ণী বতাহ ‘য়াছ’ আহি পশ্চিমবংগ আৰু ওড়িছাৰ উপকূলত এছাৰ খাই পৰিছিল। ফলত উক্ত দুই ৰাজ্যৰ লগতে সীমান্তৱৰ্তী ঝাৰখণ্ডতো প্ৰচুৰ ক্ষতিসাধন হয়। আশংকাৰ তুলনাত কম হ'লেও ওড়িছাত ক্ষতিৰ পৰিমাণ আছিল সবাতোকৈ বেছি। আজি প্ৰধানমন্ত্ৰীয়ে হেলিকপ্টাৰ যোগে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ পাছতে প্ৰথমে ওড়িছা আৰু পাছত পশ্চিমবংগত পৰ্যালোচনা বৈঠকত অংশ লৈ সকলো ক্ষয়ক্ষতিৰ বুজ লয়। ইয়াৰ পাছতে মোদী দিল্লীলৈ উভতি যোৱাৰ পাছতে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা এহেজাৰ কোটি টকাৰ সাহায্যৰ কথা ঘোষণা কৰে। ইয়াৰে ওড়িছাক পাঁচশ কোটি তথা পশ্চিমবংগ আৰু ঝাৰখণ্ডলৈ পাঁচশ কোটি টকা আগবঢ়োৱা হৈছে।

ইফালে, মহাঘূৰ্ণীত ওড়িছা বিপুল ক্ষয়ক্ষতিৰ সন্মুখীন হ'লেও কৰ'না পৰিস্থিতিত উদাৰতাৰ নিদৰ্শন দেখুৱাই কেন্দ্ৰৰ পৰা সাহায্য নিবিচাৰিলে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কে। তেওঁ আজি প্ৰধানমন্ত্ৰী মোদীৰ স'তে পৰ্যালোচনা বৈঠকত অংশ লৈ ৰাজ্যখনৰ ক্ষয়ক্ষতিৰ তথ্য দাঙি ধৰে। ইয়াৰ বাবে টুইটাৰত প্ৰধানমন্ত্ৰীক ধন্যবাদো জ্ঞাপন কৰে পাটনায়কে। ইয়াৰ পাছতে ওড়িছাৰ মুখ্যমন্ত্ৰীজনে অৱগত কৰে যে ‘য়াছ’ৰ মোকাবিলাৰ বাবে এতিয়াই কোনো ধৰণৰ সাহায্যৰ প্ৰয়োজন হোৱা নাই। টুইটাৰত পাটনায়কে লিখিছে, ‘দেশখন যিহেতু কৰ'নাৰ আঘাতত বিপৰ্যস্ত, সেয়ে মই কেন্দ্ৰৰ পৰা তাৎক্ষণিকভাৱে কোনো আৰ্থিক সাহায্য নিবিচাৰিলো। আমি নিজৰ ক্ষমতাৰেই এই দুয়োগৰ মোকাবিলা কৰিব বিচাৰো।' অৱশ্যে তাৎক্ষণিক সাহায্য নিবিচাৰিলেও ওড়িছাত ঘূৰ্ণী ধুমুহাৰ মোকাবিলাৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে কেন্দ্ৰৰ সাহায্য প্ৰাৰ্থনা কৰিছে পাটনায়কে। আগন্তুক দিনত যাতে ৰাজ্যখন ঘূৰ্ণী ধুমুহাৰ মোকাবিলাত অধিক শক্তিশালী হৈ উঠিব পাৰে, সেয়া নিশ্চিত কৰিব বিচাৰিছে বুলিও ওড়িছাৰ মুখ্যমন্ত্ৰীজনে কয়।

ইফালে, প্ৰধানমন্ত্ৰীৰ স'তে পৰ্যালোচনা বৈঠকত অংশ লোৱাৰ পৰা বিৰত থাকিল পশ্চিমবংগৰ মুখ্যমন্ত্ৰী। উল্লেখ্য যে উক্ত বৈঠকলৈ আমন্ত্ৰণ জনোৱা হৈছিল ৰাজ্যখনৰ বিৰোধী দলনেতা শুভেন্দু অধিকাৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী দেৱশ্ৰী চৌধুৰীক। প্ৰাকৃতিক দুৰ্যোগক কেন্দ্ৰ কৰি হ'বলগীয়া চৰকাৰী পৰ্যালোচনা সভাত বিজেপিৰ নেতাদ্বয় কিয় উপস্থিত থাকিব বুলি মুখ্যমন্ত্ৰী মমতাৰ লগতে ৰাজ্য চৰকাৰে আগতেই প্ৰশ্ন উত্থাপন কৰিছিল। এই যুক্তি দৰ্শায়ে মুখ্যমন্ত্ৰীগৰাকী আজিৰ বৈঠকত উপস্থিত নাথাকিল বুলি চৰ্চা হৈছে। অৱশ্যে ওড়িছাৰ পৰা আহি পশ্চিমবংগৰ পশ্চিম মেদিনীপুৰ জিলাৰ কলাইকুণ্ডাত মোদীৰ হেলিকপ্টাৰ অৱতৰণ কৰাৰ সময়ত ৰাজ্যপাল জগদীপ ধনকড়ৰ স'তে মমতায়ো প্ৰধানমন্ত্ৰীক আদৰণি জনায়। মাত্ৰ পাঁচ মিনিটৰ বাবে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মমতাৰ বাৰ্তালাপ হয়। তেতিয়াই মমতাই ৰাজ্যখনত ‘য়াছ’ পৰৱৰ্তী ক্ষয়ক্ষতিৰ খতিয়ানৰ প্ৰতিবেদন প্ৰধানমন্ত্ৰীৰ হাতত তুলি দিয়ে।



# সুস্থ হোৱাৰ পাছতো ৰেহাই নাই কৰ'নাৰ পৰা

## তিনি মাহৰ পাছতো হ'ব পাৰে হাঁওফাঁওৰ সংক্ৰমণ

**নিউজ ব্যুৰ'**
**কলকাতা, ২৮ মে' ঃ** কৰ'না ভাইৰাছৰ পৰা মানুহে ৰক্ষা পোৱাৰ কোনো তলা-নলা বিচাৰি নোপোৱা হৈছে। এনে পৰিস্থিতি হৈছেগৈ যে কৰ'নাৰ পৰা সুস্থ ঘোষিত হোৱাৰ পাছতো মানুহ ইয়াৰ কবলৰ পৰা মুক্ত নোহোৱা হৈছে। আনকি সুস্থ হৈ উঠাৰ তিনি মাহৰ পাছতো ৰোগীৰ শৰীৰত সংক্ৰমণৰ অস্তিত্বৰ উমান পোৱা গৈছে। ব্ৰিটেইনৰ এদল গৱেষকে সম্প্ৰতি এই তথ্য সদৰী কৰিছে। হাস্পতালৰ পৰা মুক্তিলাভৰ তিনি মাহ বা তাতকৈও অভিদ সময়ৰ পাছতো দেখা গৈছে হাঁওফাঁওত সংক্ৰমণৰ প্ৰভাৱ।

সচৰাচৰ চিটি স্কেন বা চিকিৎসকৰ পৰীক্ষাত এইবোৰ ক্ষতি হয়তো দৃষ্টিগোচৰ নহয়। ফলত সকলো ৰোগীকে কোৱা হৈছে যে তেওঁলোক সুস্থ হৈ আছে। কিন্তু ৰোগীক সুস্থ ঘোষণা কৰাৰ বাবে ব্ৰিটেইনৰ গৱেষকৰ দলটোৱে ব্যৱহাৰ কৰিছে ‘ইমেজিং’ নামৰ এক অত্যাধুনিক পদ্ধতি।

এনে কিছু ৰোগী আছে যিসকলে বহু দিনৰ পূৰ্বেই হাস্পতালৰ পৰা মুক্তি পাইছিল যদিও মাজে-মধ্যেই সামান্য শ্বাস-প্ৰশ্বাসৰ সমস্যাত ভুগি আছে।এই ইমেজিং পদ্ধতি প্ৰয়োগ কৰি দেখা গৈছে যে এনে ৰোগীৰ ক্ষেত্ৰত হাঁওফাঁওত এতিয়াও সংক্ৰমণৰ ছাপ আছে। ব্ৰিটেইনৰ শ্বেফিল্ড বিশ্ববিদ্যালয় আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষকসকলে এই সংক্ৰান্তীয় এখন গৱেষণাপত্ৰত ‘ৰেডিঅ'লজী’ নামৰ এখন বিখ্যাত পত্ৰিকাত প্ৰকাশ কৰিছে। প্ৰতিবেদনত গৱেষকসকলে জনাইছে যে এই ধৰণৰ বহু ৰোগী আছে, যিসকল ক'ভিডৰ পৰা আৰোগ্য হোৱাৰ পাছত তেওঁলোকৰ সকলোবোৰ পৰীক্ষাৰ ফলাফল স্বাভাৱিক আহিছে। অথচ তিনি মাহ বা পাঁচ মাহৰ পাছতো সামান্য পৰিমাণে ফোপনি ধৰাৰ সমস্যা থাকি গৈছে। তেনে লোকৰ ক্ষেত্ৰত এক উন্নত ধৰণৰ এমআৰআই কৰি চাইছে গৱেষকসকলে। তেতিয়াই স্পষ্টভাৱে ধৰা পৰিছে সংক্ৰমণৰ প্ৰভাৱ। কাৰো কাৰো হাঁওফাঁওৰ ইমানেই ক্ষতি হৈ আছে যে ৰক্তলৈ সঠিকভাৱে অক্সিজেনৰ সৰবৰাহেই হোৱা নাই। তাৰ ফলতে ক'ভিডৰ পৰা সুস্থ হোৱাৰ তিনি মাহৰ পাছতো শ্বাস লোৱাত অসুবিধা হৈ আছে। বিজ্ঞানীৰ দলটোৱে জনাইছে যে এই গৱেষণা এতিয়াও প্ৰাথমিক পৰ্যায়তে আছে। যিসকল ৰোগীয়ে সংক্ৰমণ লৈ এটা সময়ত হাস্পতালত চিকিৎসাধীন হৈ আছিল, কেৱল তেওঁলোকৰহে পৰীক্ষা কৰা হৈছে এই গৱেষণাত। ইয়াৰ পাছত লাহে লাহে চোৱা হ'ব যিসকলে হাস্পতাললৈ যাবলগীয়া হোৱা নাছিল, তেওঁলোকৰ হাঁওফাঁওৰ অৱস্থাও। সকলোবোৰ নিৰীক্ষণ কৰাৰ পাছতহে বুজা যাব কৰ'না ভাইৰাছে হাঁওফাঁওৰ আচলতে কিমান ক্ষতি কৰিছে। তাৰ ওপৰত ভিত্তি কৰিয়ে আগন্তুক দিনত চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব বুলিও বিজ্ঞানীসকলে জনাইছে।



## কোটি টকাৰ সামগ্ৰী ভস্মীভূত

# লাহৰীঘাট বজাৰত অগ্নিকাণ্ডত জাহ গ'ল ১২ খনকৈ দোকান

**অগ্ৰদূত বাৰ্তা**
**ভূৰগাঁও, ২৮ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বজাৰত আজি সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত ১২ খনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হোৱাৰ লগতে এজন লোক আহত হয়। ক'ভিড প্ৰট'কলৰ বাবে দুপৰীয়া লাহৰীঘাটৰ বজাৰৰ ব্যৱসায়ীসকলে দোকান-পোহাৰ বন্ধ কৰি গৈছিল। কিন্তু বিয়লি দুই বজাত বজাৰখনত সংঘটিত হয় অগ্নিকাণ্ডৰ ঘটনা। এই অগ্নিকাণ্ড ইমানে ভয়াৱহ আছিল যে চকুৰ সন্মুখতে ইখনৰ পাছত সিখনকৈ দোকান ভস্মীভূত হয়। স্থানীয় লোকে জুই নিয়ন্ত্ৰণৰ চেষ্টা কৰোতে এজন লোক আহত হয়। পাছত ভূৰাগাঁও আৰু মৈৰাবাৰী অঞ্চলৰ পৰা অহা কে'বাখনো অগ্নিনিৰ্বাপক বাহিনীৰ সহযোগত ৰাইজে জুই নুমুৱাবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই। কোটি টকাৰ সা-সম্পত্তি জুইত জাহ যোৱা ঘটনাটোত নজৰ দাসৰ পাণ-দোকান, ইনতাজুৰ ৰহমানৰ পেপাৰ এজেন্সী, ছিৰাজুল ইছলাম আৰু নেকিবুৰ হকৰ ড্ৰাগ ডিষ্ট্ৰিবিউটৰ, টিম্বাৰ শিবু শইকীয়া, গণেশ ঠাকুৰ আৰু প্ৰদীপৰ চেলুন, দিলদাৰ হুছেইনৰ ৰিছাৰ্ছ ইউনিট, শংকৰ ৰাজভৰ আৰু ৰেজাউল হকৰ ইলেক্ট্ৰনিক দোকানকেইখন জাহ যায়। অঞ্চলটোত আজিও এটা অগ্নিনিৰ্বাপক সেৱা কেন্দ্ৰ স্থাপন নোহোৱাত ৰাইজে শোক প্ৰকাশ কৰিছে।

# বি টি আৰ অঞ্চলত অৰুণোদয় আৰু নৱ-ৰূপত স্বয়ম আঁচনি ৰূপায়ণৰ প্ৰস্তুতিৰ পৰ্যালোচনা শৰ্মাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ মে' ঃ** বি টি আৰ অঞ্চলত ‘অৰুণোদয়’ আৰু ‘নৱ-ৰূপত স্বয়ম’ আঁচনি দুখনৰ ৰূপায়ণৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আঁচনি দুখনৰ সফল ৰূপায়ণৰ বিভিন্ন দিশ বিতংভাৱে পৰ্যালোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে আঁচনি দুখনৰ সফল ৰূপায়ণৰ বাবে দ্ৰুততাৰে পদক্ষেপ গ্ৰহণ কৰিবলৈ কোকৰাঝাৰ, চিৰাং, বাগ্‌সা আৰু ওদালগুৰি জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলাৰ হিতাধিকাৰীৰ তালিকা শীঘ্ৰে চূড়ান্ত কৰিবলৈ চাৰিওখন জিলাৰে উপায়ুক্তক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত অঞ্চলটোৰ জনপ্ৰতিনিধিসকলৰ লগত আলোচনা কৰি প্ৰকৃত হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ‘অৰুণোদয়’ আঁচনি ৰূপায়ণৰ কাম অহা মাহৰ পৰা আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই আঁচনিখনৰ জৰিয়তে অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়ালৰ মহিলাক সৱলীকৰণ কৰিব বিচৰা হৈছে। প্ৰতিটো পৰিয়ালৰ মহিলাগৰাকীয়ে প্ৰতিমাহে প্ৰত্যক্ষ হস্তান্তৰৰ জৰিয়তে ৮৩০ টকা এই আঁচনিৰ জৰিয়তে লাভ কৰিব। এই আঁচনিখন ২০২০ৰ দুই ডিচেম্বৰত আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছিল যদিও বিটিচিৰ নিৰ্বাচনৰ বাবে অঞ্চলটোত আঁচনিখন ৰূপায়ণ কৰা হোৱা নাছিল।

আনহাতে, আজিৰ এই বৈঠকতে ‘নৱ-ৰূপত স্বয়ম’ আঁচনিখন ৰূপায়ণৰ বিভিন্ন দিশ আলোচনা কৰা হয়। বি টি আৰ অঞ্চলত এই আঁচনিখন অহা জুনৰ ভিতৰত ৰূপায়ণ কৰিবলৈ মুখ্যমন্ত্ৰী শৰ্মাই নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই আঁচনিখনৰ জৰিয়তে ব্যক্তিগত তথা সামূহিক গোটক নতুন ব্যৱসায় অথবা ব্যৱসায় সম্প্ৰসাৰিত কৰাৰ বাবে আৰ্থিক সহযোগিতা আগবঢ়োৱা হয়। কৃষি আৰু আনুষংগিক খণ্ড, গ্ৰাম্য উদ্যোগ, গ্ৰাম্য শিল্পক শক্তিশালীকৰণৰ বাবে এই আঁচনিখন ইতিমধ্যে আৰম্ভ কৰা হৈছে।

বৈঠকত চাৰিওখন জিলাৰ উপায়ুক্ত কেইগৰাকীয়ে হিতাধিকাৰীৰ পৰিসংখ্যা, আঁচনি দুখনৰ সাম্প্ৰতিক স্থিতি ইত্যাদিৰ সবিশেষ মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ন ইত্যাদি বিভাগৰ মন্ত্ৰী অশোক সিংঘাল, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, সাংসদ দিলীপ শইকীয়া, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱা, বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিধায়ক, বিটিআৰৰ কাৰ্যবাহী সদস্য, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ সিনহা, কোকৰাঝাৰ, চিৰাং, বাগ্‌সা আৰু ওদালগুৰি জিলাৰ উপায়ুক্ত আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# ক'ভিডত আক্ৰান্ত হৈ জিএমচিএইছত ৰিপুন বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ মে' ঃ** ক'ভিডত আক্ৰান্ত লোকক আৰু কণ্টেইনমেণ্ট জ'নত থকা লোকসকলৰ মাজত ঔষধ-খাদ্য সামগ্ৰী যোগান ধৰি অৱশেষত নিজেই কৰ'নাত আক্ৰান্ত হ'ল প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰা। আজি সন্ধিয়া সময়ত তেওঁ দেহত বিষ অনুভৱ কৰাৰ লগতে পানী লগাত নিজেই নিশা জিএমচিএইছত উপস্থিত হৈ ক'ভিড পৰীক্ষা কৰোৱায় আৰু পৰীক্ষাত তেওঁৰ দেহত ক'ভিডৰ সংক্ৰমণ ধৰা পৰে। প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষা ববিৰ্তা শৰ্মাই সদৰী কৰা অনুসৰি, জিএমচিএইছৰ কেবিনত সভাপতি বৰাক চিকিৎসা প্ৰদান কৰা হৈছে আৰু চিকিৎসকে তেওঁৰ স্বাস্থ্য সুস্থিৰ বুলি সদৰী কৰিছে।

# উৰুখা পঁজাৰ তলত পূব-নলবাৰী কাৰু শিল্পী ৰবীন্দ্ৰ মেধিৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে ঐতিহ্যমণ্ডিত ‘গুৰু আসন’

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৮ মে' ঃ** নলবাৰী জিলাৰ অন্তৰ্গত আদৰ্শ গাঁও সাহপুৰৰ এটি উৰুখা পঁজাৰ তলত থাকে তেওঁ। ৰ'দ, বতাহ, বৰষুণক বাধা দিব পৰা শক্তি নাই ঘৰটোৰ। তাতেই পত্নী আৰু দুই পুত্ৰ সন্তানৰ লগত নিৰ্ভয়ে বাস কৰি আছে ৰবীন্দ্ৰ মেধি নামৰ লোকজন। পোৱা-নোপোৱাক লৈ তেওঁ বেছি চিন্তিত নহয়। দুবেলা দুসাঁজ কিবাকৈ খাই থাকিব পাৰিলেই তেওঁৰ বাবে যথেষ্ট। ইয়াৰ বাহিৰে তেওঁৰ অন্য উপায়ো নাই। এই লৈ তেওঁৰ কাৰো প্ৰতি ক্ষোভ নাই, আক্ষেপ নাই। সহজ-সৰলভাৱেই গ্ৰহণ কৰি আছে সকলো; কিন্তু সেই উৰুখা পঁজাটোত যিটো আনন্দৰে তেওঁ বসবাস কৰি আছে সেই আনন্দ হয়তো বহুত টকা-পইচা উপাৰ্জন কৰা ব্যক্তিও পাবলৈ সক্ষম হোৱা নাই। কাৰণ সেই ঘৰটোত বহিয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্হিত বছৰ বছৰ ধৰি সাঁজি উলিয়াইছে চালে চকুৰোৱা গুৰু আসন। শুকান ৰস নোহোৱা কাঠত ৰস দি প্ৰাণ ঢালি তেওঁ ইখনৰ পাছত সিখন গুৰু আসন তৈয়াৰ কৰি গৈ আছে। বহুত কষ্ট আৰু ত্যাগৰ বিনিময়ত দিন-ৰাতি একাকাৰ কৰি তৈয়াৰ কৰি থকা গুৰু আসনত ব্যৱসায়িক লাভালাভৰ কথা সমুলি চিন্তা নকৰি ভগৱানৰ আসনখন অতি নিষ্ঠ সহকাৰে সৃষ্টি কৰি গৈ আছে; কিন্তু হঠাৎ বিশ্বব্যাপী কৰ'না ভাইৰাছৰ পৰা পৰিত্ৰাণ পাবলৈ চৰকাৰে তলাবন্ধ কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হৈ পৰাত তেওঁৰ লগতে পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। শিল্পী মনৰ মানুহৰ বৰ বেছি উচ্চ আকাংক্ষা নাই কিন্তু জীয়াই থাকিবলৈ খোৱাৰ বাবেও যেন তেওঁৰ বহুত কষ্ট হৈছে। এই যুৰ্গোগৰ সময়ত তেওঁৰ ওচৰত সাহস আৰু প্ৰেৰণা দিবলৈও কোনো নাই। কাক ক'ব, কোনে শুনিব ৰবীন্দ্ৰ মেধিৰ দুখৰ বেদনা? কে'বাখনো গুৰু আসন ঘৰতে তৈয়াৰ কৰি থোৱা হৈছে যদিও এই দুৰ্যোগৰ সময়ত কোনেও বৰ্তমান সময়ত নিবলৈ অহা নাই যাৰ ফলত তেওঁ দিশহাৰা হৈ পৰিছে বুলি সংবাদ মাধ্যমক জনায়। উল্লেখ্য যে বাঁহ-বেতৰ কামেই এই গাঁওখনৰ প্ৰথম আৰু প্ৰধান চিনাকি। সেয়েহে মেধিয়ে সৰুৰে পৰাই পাই আহিছিল বাঁহ-বেতৰ পৰিৱেশ। অভাৱ-অনাটনৰ মাজেদি ডাঙৰ হোৱা মেধিয়ে প্ৰথম অৱস্থাত বাঁহ-বেতৰ অত্যাৱশ্যকীয় সামগ্ৰীসমূহ তৈয়াৰ কৰিয়েই জীৱন নিৰ্বাহ কৰিছিল। তেওঁ সৃষ্টি কৰা বাঁহ-বেতৰ সামগ্ৰীবোৰে এক বিশেষ চাহিদা লাভ কৰিবলৈ সক্ষম হৈছিল। দৰাচলতে কোনো প্ৰশিক্ষণ নোহোৱাকৈ সৃষ্টি কৰা সামগ্ৰীসমূহ আছিল অনন্য একক। ইয়াৰ পাছত কলাৰ প্ৰতি থকা প্ৰৱল ধাউতিৰ বাবেই তেওঁৰ হাতেৰে সৃষ্টি হৈছিল বিভিন্ন ছবি, মাটিৰ উৎকৃষ্ট মানৰ মূৰ্তি, বিভিন্নজনৰ পাছপ'ৰ্ট, প্ৰাচীৰ পত্ৰিকা, বিভিন্ন আলোচনীৰ বেটুপাত, স্কেচ, বিভিন্ন ব্লক ইত্যাদি। কলেজত পঢ়াৰ পাছৰে পৰা তেওঁৰ মন-মগজু পুৰঠ হ'বলৈ ধৰে আৰু সেই সময়তে কাৰু শিল্পী সত্যেন্দ্ৰ কলিতা কলিতাৰ সান্নিধ্যই তেওঁৰ জীৱনৰ গতি পথ সলনি কৰে। কাঠৰ নিত্য-নতুন সামগ্ৰীৰ উপৰি গুৰু আসন তৈয়াৰ কৰি ৰাইজৰ পৰা আদৰ সন্মান পাবলৈ সক্ষম হয়। ইতিমধ্যে পূব নলবাৰী অঞ্চলৰ বিভিন্ন নামঘৰত অসমৰ বিভিন্ন জিলাত, বিভিন্ন গাঁৱত মেধিৰ হাতৰ পৰশত প্ৰাণ পোৱা গুৰু আসনে জেউতি চৰাইছে। এনেদৰে খুব কম দিনৰ ভিতৰতে মেধি হৈ পৰিল সকলোৰে আদৰৰ কাৰু শিল্পী। সময়ৰ বৰ অভাৱ যদিও তাৰ মাজতে তেওঁ কবিতা, গল্প লিখিও সাহিত্যৰ পথাৰ চহকী কৰিছে। অভাৱে প্ৰতিভাক বাধা দিব নোৱাৰে যদিও পৰিকল্পনাবোৰ বাস্তৱত ৰূপ দিবলৈ অভাৱেই প্ৰদান অন্তৰায় বুলি প্ৰকাশ কৰি চৰকাৰৰ পৰা সহায় পালে গ্ৰামাঞ্চলৰ শিল্প কলায়ো যথেষ্ট উন্নতি কৰিব বুলি মেধিয়ে আশা প্ৰকাশ কৰে। ৪২ বছৰীয়া মেধিয়ে সমাজক আৰু বহুত কিবা কিবি দিবলৈ বাকী আছে যদিও অৰ্থৰ অভাৱেই তেওঁৰ পৰিকল্পনা বিলাক বাস্তৱত ৰূপ দিবলৈ সক্ষম হোৱা নাই। ইফালে, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিয়ে তেওঁৰ নতুন নতুন চিন্তাধাৰাক গতিশীল কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি শিল্পৰ সত্তাক জীয়াই ৰাখিবলৈ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ দাবী জনায়।



# গোৱালপাৰাত ধানৰ সলনি পতান, কৃষকৰ হাহাকাৰ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৮ মে' ঃ** কৃষকৰ মূৰত ৰাম টাঙোন মাৰি গোৱালপাৰাত ধানৰ বীজত পতান ওলোৱৰ অভিযোগ উত্থাপিত হৈছে। গোৱালপাৰা চহৰৰ গাতে লাগি থকা ভাটিপাৰা নতুন বস্তিৰ হানিফ আলী আৰু আব্দুল মোতালেব আলীয়ে অভিযোগ কৰা মতে অধিক উৎপাদনৰ আশাৰে তেওঁলোকে চহৰৰ বীজ ভাণ্ডাৰৰ পৰা এম চি-১৩ জাতৰ ধানৰ বীজ ক্ৰয় কৰিছিল। বীজ ভাণ্ডাৰৰ লোকেও টাটা ধানীয়া কোম্পানীৰ ধানৰ বীজত অধিক উৎপন্ন হোৱাৰ প্ৰলোভন দিছিল। সেই মতে, কৃষকসকলে মূৰৰ ঘাম মাটিত পেলাই এম চি-১৩ জাতৰ টাটা ধানীয়া কোম্পানীৰ ধানৰ বীজৰ কঠীয়া ৰোপণ কৰিছিল। বিগত তিনিটা মাহত সাৰ-পানী যোগান ধৰাত লহপহকৈ বাঢ়ি আহিছিল। প্ৰতিডাল ধান গছত লমে লমে ধানো লাগিছিল। এইদৰে লহপহকৈ বাঢ়ি অহাত কৃষকৰ মনত যথেষ্ট আশাৰ ৰেঙণি ফুটি উঠিছিল; কিন্তু ধান পকাৰ সময়ত মৰহি গৈ ধানৰ বিপৰীতে পতান ওলোৱাত মূৰে-কপালে হাত দিবলগীয়া হৈছে। সেয়ে কৃষক ৰাইজক ৰামঠগন দিয়া ধানৰ বীজ কোম্পানীৰ বিৰুদ্ধে তদন্ত মূলে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ভুক্তভোগী কৃষকসকলে। কেৱল হানিফ আলী আৰু আব্দুল মোতালেব আলীয়েই নহয় উক্ত অঞ্চলত আন বহুকেইজন কৃষক ৰাইজৰ খেতিত এই বীজৰ ধান খেতিত পতান ওলাইছে বুলিও অভিযোগ উঠিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com